# ASSAM

# LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## Vol. I

## No. 11

The 17th March, 1987

Price—Rs. 18.00

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

1987

March 17, 1987

The House met at Nine of the Clock in the Assembly Chamber, Dispur, with Mr. Speaker in the Chair.

## BUDGET SESSION

Volume 1. No. 11

Dated, the 17th March 1987

## CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions And Answers | 1 to 37 |
| 2. | Voting on Demands for Grants | 37 to 91 |
| 3. | Adjournment | 91 |

## DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY,

Tuesday, March 17, 1987

The House met at 9 A. M. in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

### STARRED QUESTIONS AND ANSWERS

( To which oral answers were given )

### বিষয়—হোটেলত মদ বিক্ৰী।

শ্ৰীজয়নাথ শৰ্ম্মাৰে সুধিছে :

*১৮১। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত সৰ্বমুঠ কিমানখন হোটেলত মদ বিক্ৰী কৰাৰ বাবে চৰকাৰে অনুজ্ঞা পত্ৰ দিছে ?

(খ) অসমৰ ৰাষ্ট্ৰীয় ঘাই পথ সমূহৰ কাষে কাষে থকা লাইন হোটেল সমূহত মদ কিনা বেচা হৈ থকা বিষয়ে চৰকাৰে জানেনে ?

(গ) যদি জানে এক ব্যাপক অভিযানৰ দ্বাৰা বে-আইনীভাবে মদৰ বিক্ৰী চলি থকা দোকান সমূহৰ ওপৰত বিহিত ব্যৱস্থা লবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( আৱকাৰী বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) অসমত সৰ্বমুঠ ৩১ খন হোটেলত মদ বিক্ৰী কৰাৰ বাবে অনুজ্ঞা পত্ৰ দিয়া আছে।

(খ) ৰাষ্ট্ৰীয় ঘাই পথ সমূহৰ কাষে কাষে লাইন হোটেল সমূহত বে-আইনীভাবে মদ বিক্ৰী হৈ থকা কথাটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

(গ) বে-আইনী মদ বেচা লাইন হোটেল সমূহত আৱকাৰী বিভাগে অভিযান চলাই সংশ্লিষ্ট আইনৰ অধীনত গোচৰ তৰিছে আৰু বিহিত ব্যৱস্থা লৈছে। চৰকাৰে এই বিষয়ত আৰু সতৰ্ক দৃষ্টি ৰাখিব।

শ্ৰীজয়নাথ শৰ্ম্মা—মাননীয় অধ্যক্ষ মহোদয়, ৩১ খন মদ বিক্ৰী দোকানক মদ বিক্ৰী অনুজ্ঞা পত্ৰ দিছিল বুলি মন্ত্ৰী মহোদয়ৰ উত্তৰত কৈছে। অসম গণ পৰিষদ চৰকাৰে কিমানখন দোকানক আৰু আগৰ চৰকাৰে কিমান দোকানক অনুজ্ঞা পত্ৰ দিছিল মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী )– মাননীয় অধ্যক্ষ মহোদয়, ৩১ খন অনুজ্ঞা পত্ৰৰ ভিতৰত ২৭খন আগৰ চৰকাৰে দিছে আৰু বৰ্ত্তমানৰ চৰকাৰে মাত্ৰ ৪ খনহে দিছে।

শ্ৰীজয়নাথ শৰ্ম্মা– মাননীয় অধ্যক্ষ মহোদয়, হোটেলত মদ বিক্ৰী কৰিবলৈ যেতিয়া অনুজ্ঞা পত্ৰ দিয়া হয় তেতিয়া কি নীতি লোৱা হয়।

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে আবকাৰী আইনত বিষদ ভাৱে লিখা আছে।

## বিষয়—এম, এন, পি আঁচনিত মাটি দান।

শ্ৰীমকবুল হুছেইনে সুধিছে ঃ

*১৮২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ শালমৰা মহকুমাৰ অন্তৰ্গত ১৯৮৬-৮৭ চনৰ বাবে এম, এন, পি আঁচনিৰ জৰিয়তে কিমান ভূমিহীন লোকলৈ মাটি আৰু আৰ্থিক সাহায্য মঞ্জুৰী দিয়া হল ?

(খ) উক্ত সাহায্য জনসংখ্যা ভিত্তিত দিয়া হৈছেনে ?

(গ) যদি হৈছে, বঞ্চিত হোৱা লোকলৈ উক্ত মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) ১৬৯ জন ভূমিহীন লোকলৈ মাটি আৰু আৰ্থিক সাহায্য মঞ্জুৰী দিয়াৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(খ) প্ৰকৃত ভূমিহীন লোককহে এই সাহায্য দিয়া হয়।

(গ) যোগ্য লোকলৈ দিয়াৰ ব্যৱস্থা লোৱা হব।

শ্ৰীমকবুল হুছেইন— মাননীয় অধ্যক্ষ মহোদয়, এই মাটি জনসংখ্যা ভিত্তিত দিয়া হৈছেনে নাই মন্ত্ৰী মহোদয়ে জনালে ভাল হয়।

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, নিম্নতম চাহিদা আঁচনিৰ জৰিয়তে ১৯৮৬-৮৭ চনত উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত ১৬৯ জন ভূমিহীন লোকলৈ মাটি আৰু আৰ্থিক সাহায্য মঞ্জুৰী দিয়াৰ বাবে ব্যৱস্থা লোৱা হৈছে। ইয়াৰে অনুসূচীত জাতিৰ বাবে ৪০ টা পৰিয়াল, অনুসূচীত জনজাতিৰ বাবে ৪৫টা পৰিয়াল আৰু ৮৪টা সাধাৰণ পৰিয়ালৰ নামও ইতিমধ্যে প্ৰস্তুত কৰা হৈছে। কিন্তু ৰাইজৰ কিছুমান অভিযোগ পোৱাৰ বাবে মাটি আবন্টনও আৰ্থিক সাহায্য দিয়াৰ কাম মহকুমাধিপতিয়ে সাময়িক ভাবে স্থগিত ৰাখিছে। এই আঁচনিৰ জৰিয়তে সকলো ভূমিহীন লোকক একেলগে মাটি

আৰু আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰি, যিহেতু এই আঁচনিৰ বাবে যি পূজি দিয়া হয় সি সীমিত। কিন্তু যিহেতু এই আঁচনি সদায় চলি থকা আঁচনি সেইবাবে সকলো যোগ্য ভূমিহীন লোকলৈ সাহায্য ও মাটি আবন্টন দিয়াৰ ব্যৱস্থা ভৱিষ্যতে কৰা হব।

শ্ৰীমকবুল হুছেইন—মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ শালমাৰা মহকুমাৰ জনসংখ্যা চালে দেখা যায় যে তাত ধৰ্ম্মীয় সংখ্যালঘূ সম্প্ৰদায়ৰ লোকেই অধিক। কিন্তু যি ১৬৯ জন লোকক তাত মাটি দিয়া হৈছে তাৰ ভিতৰত মুছলমান লোক এজনো নাই। এইটো দেখ দেখকৈ অন্যায় কৰা হোৱা নাইনে? তালিকা এনেকৈ প্ৰস্তুত কৰাৰ কাৰণে কৰ্মচাৰী সকলক নিৰ্দ্দেশ দিয়া হৈছে নেকি মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, (Population pattern) পপুলেচন পেটাৰ্ণ চোৱা হয় আৰু সেই হিচাবে (Maintain) মেনটেইন কৰা হয়। তথ্যপাতিৰ পৰা দেখা যায় যে স্থানীয় বিধায়ক গৰাকীৰ অভিযোগৰ সত্যতা নাই, কিয়নো এই তালিকাৰ ভিতৰত ৭ জন মুছলমান সম্প্ৰদায়ৰ লোকৰ নাম আছে।

শ্ৰীবলোভদ্ৰ তামুলী—মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৪-৮৫ চনত 'এম-এন-পি, আঁচনিৰ যোগেদি যি সকল লোকক মাটি ও সাহায্য দিয়া হৈছে তাৰ ভিতৰত জমিদাৰৰ পুতেকৰ নামো আছে, অৱশ্যে তেওঁৰ নামত মাটি নাছিল, এনেকৈ দিয়া মাটি আৰু সাহায্য চৰকাৰে ঘূৰাই অনাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এনে তথ্যপাতি মোৰ হাতত বৰ্ত্তমান নাই। বেলেগে প্ৰশ্ন কৰিলে উত্তৰ দিবলৈ ভাল হয়।

শ্ৰীবলোভদ্ৰ তামুলী—অধ্যক্ষ মহোদয়, এনে প্ৰমাণ মোৰ হাতত আছে। কিন্তু যি সকল পাবনলগীয়া লোকে মাটি আৰু সাহায্য পালে তেওঁলোকৰ পৰা মাটি আৰু সাহায্যৰ টকা চৰকাৰে প্ৰমাণ দিলে ঘূৰাই আনিবনে নানে সেই কথাটোহে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, (Specific complaint) নিৰ্দিষ্ট অভিযোগ পালে তেনে লোকৰ পৰা মাটি আৰু টকা ঘূৰাই অনাৰ ব্যৱস্থা কৰা হব।

শ্ৰীৰত্নেশ্বৰ চৰকাৰ—অধ্যক্ষ মহোদয়, ৰাজহ মন্ত্ৰী মহোদয়ে জনাবনে যে উত্তৰ শালমৰাত বৈঠামাৰি আৰু সৃজনগ্ৰাম দুটা চাৰ্কোল আছে—এই তালিকাত এই দুটা চাৰ্কোলৰ ধৰ্মীয় সংখ্যালঘূ লোকৰ নাম অন্তৰ্ভুক্ত কৰা হৈছেনে?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, গোটেই মহকুমাটোৰ কেবাটাও চাৰ্কোল সামৰি এই তালিকা প্ৰস্তুত কৰা হৈছে, গতিকে নিশ্চয় নাম সোমাইছে।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী— অধ্যক্ষ মহোদয়, এই 'এম-এন-পি'ত মাটি দিয়া আৰু সাহায্য দিয়াৰ তালিকাত উক্ত বিভাগৰ কৰ্মচাৰীৰ ঘৈণীয়েকৰ নামো অন্তৰ্ভুক্ত হোৱা দেখা গৈছে—তেওঁলোকৰ পৰা এই মাটি ঘূৰাই অনাৰ ব্যৱস্থা কৰা হবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, নিৰ্দিষ্ট অভিযোগ পালে এই ক্ষেত্ৰত তদন্ত কৰি মাটি ঘূৰাই অনাৰ ব্যৱস্থা কৰিব পৰা যাব।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ—অধ্যক্ষ মহোদয়, এই তালিকাখন তৈয়াৰ কৰাৰ সময়ত আদৰ্শ গাওঁ হিচাবে তৈয়াৰ কৰিবলৈ কৰ্মচাৰী সকলক নিৰ্দ্দেশ দিয়া হৈছিল নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী)— অধ্যক্ষ মহোদয়, তেনে তথ্য এতিয়াই দিব পৰা নহব।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ—অধ্যক্ষ মহোদয়, উত্তৰ শালমাৰা মহকুমাৰ ক্ষেত্ৰত বহুতো মাটি থকা মানুহৰ নাম এই তালিকাত সোমাইছে। গতিকে অনুসন্ধান কৰি ইয়াৰ বিহিত ব্যৱস্থা লবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই দুবাৰো উত্তৰ দিলো। নিৰ্দিষ্ট অভিযোগ পালে বিহিত ব্যৱস্থা লব পৰা যাব।

Shri A. F. Golam Osmani—Whether the list of landless forwarded by district administration months ago has still been lying with this department and not yet been forwarded like many many constituencies of Barpeta ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) – অধ্যক্ষ মহোদয়, এইটো বেলেগ প্ৰশ্নৰ প্ৰয়োজন হব। মহকুমাটোত যিখিনি ধনৰ আবণ্টন থাকে সেইমতেহে কাম কৰা হয়। যিবোৰ তালিকা জেনুইন কিন্তু এই বছৰত কৰিব পৰা নহব সেইবোৰ পিচৰ বছৰত সম্পূৰ্ণ কৰা হব কাৰণ এইটো এটা চলি থকা প্ৰদ্ধতি।

Shri A. F. Golam Osmani—Mr. Speaker Sir, When these lists were discussed in Land Advisory Committee and has been forwarded by Land Advisory Committee can the department here make arbitrary changes as per their discretion ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই বিষয়টো (Land Advisory Committee) মাটি উপদেষ্টা কমিটীত পাছ হৈছেনে নাই আৰু কেতিয়া পঠাইছে সেইটো জানিলে বিষয়টো অনুসন্ধান কৰি চম।

শ্ৰীদুৰ্গাদাস বড়ো– মাননীয় অধ্যক্ষ মহোদয়, বহুতো চাহ বাগিছাৰ চিলিঙত যেৰা মাটি ভূমিহীন মানুহক নিদি সেই চাহ বাগানৰ কৰ্মচাৰী সকলে, যি সকলৰ মাটি আছে বা বেতন পাই আছে, তেওঁলোকৰ মাজত ভগাই দিছে বা বেদখল কৰিছে। গতিকে এই চাহ বাগানবোৰৰ যিবোৰ চিলিঙত গৈছে সেইবোৰ প্ৰকৃত ভূমিহীনক বিলাই দিয়া হৈছেনে নাই সেইটো অনুসন্ধান কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী)— অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোনখন চাহ বাগানৰ বিৰুদ্ধে অভিযোগটো আনিছে সেইটো জনালে তৎকালীন ভাবে ব্যৱস্থা লব পৰা হব।

শ্ৰীজয়নাথ শৰ্মা— অধ্যক্ষ মহোদয়, এই 'এম এন-পি'ৰ জৰিয়তে যি সকলক মাটি আৰু টকা দিয়া হয় সেই সকলক থকা ঘৰ বা বাসভবন নিৰ্মাণ কৰিবলৈহে দিয়া হয়। ১৯৮৩ পৰা ১৯৮৫ লৈ এনে কিছুমান লোকক মাটি আৰু সাহায্য দিয়া হৈছে তেওঁলোকে তাত বাসভৱন নিৰ্মাণ নকৰি বেলেগ কামতহে এই মাটি ব্যৱহাৰ কৰিছে। যি সকলে 'এম-এন-পি' আচনিৰ সম্পূৰ্ণ উদ্দেশ্যটোকে যি সকলে ওভোটা কাম কৰিছে সেই সকলৰ বিৰুদ্ধে সমগ্ৰ অসমতে এটা তদন্ত কৰি সেই মাটি আৰু টকা ঘূৰাই অনাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, ময়ো তেনে অভিযোগ মৌখিক ভাবে শুনিছো কিন্তু আজিলৈকে লিখিত অভিযোগ পোৱা নাই। গতিকে তেনে অভিযোগ পালে ব্যৱস্থা লোৱা হব।

শ্ৰীজয়নাথ শৰ্মা— অধ্যক্ষ মহোদয়, গোটেই দৰং জিলাতে বহুত লোকে মাটি আৰু টকা লৈ ঘৰ বন্ধা নাই বুলি মই জানো।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী)—এই সম্পৰ্কে অনুসন্ধান কৰা হব।

শ্ৰীজয়নাথ শৰ্মা— অধ্যক্ষ মহোদয়, লেণ্ড এডভাইচৰী কমিটিত 'এম, এন, পি স্কীমৰ এখন চাব কমিটী আছে। ইয়াত এম, এল, এ সকলেই মেম্বাৰ থাকে।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ— অধ্যক্ষ মহোদয়, এই চাব কমিটীৰ ওপৰত ভিত্তি কৰিব নোৱাৰি যিহেতু তাত অফিচিয়েল মেম্বাৰো লোৱা হয়।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী—অধ্যক্ষ মহোদয়, এই চাব কমিটিৰ যোগেদি যি সকল কৰ্মচাৰীৰ ঘৈণীয়েকে বা জমিদাৰৰ লৰাই মাটিহীন বুলি মাটি বা সাহায্য পাইছে এইবোৰ ঘূৰাই অনাৰ ব্যৱস্থা চাব কমিটিবোৰেই কৰিব লাগে। প্ৰকৃততে মাটিহীনেহে মাটি পাব লাগে।

## বিষয়—অগ্নি নিৰ্বাপক সঞ্চালকৰ অনুমতি।

শ্ৰীগুনীন হাজৰিকাই সুধিছে—

*১৮৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অগ্নি নিৰ্ব্বাপকৰ সু-ব্যৱস্থা নথকা গুৱাহাটী মহানগৰীৰ আকাশলজ্বী হোটেল আৰু ঘৰ সমূহৰ নিৰ্মানৰ পূৰ্ব্বে আগতীয়াকৈ অগ্নি নিৰ্ব্বাপক সঞ্চালকালয়ৰ পৰা গৃহ নিৰ্মানৰ বাবে অনুমতি পত্ৰ লোৱা আৱশ্যক আছে নে ?

(খ) এই কথা সচানে, যে গুৱাহাটী পৌৰ প্ৰশাসনে ঘৰৰ নক্সা অনুমোদন জনাই নিৰ্ম্মান কৰিবলৈ অনুমতি দি অগ্নি-নিৰ্ব্বাপক সঞ্চালকালয়ৰ অনুমোদনৰ বাবে পঠিয়াই আৰু যাৰ ফলত বেছিভাগ লোকেই সঞ্চালকালয়ৰ অনুমোদনলৈ অপেক্ষা নকৰি নিজৰ সুবিধা অনুসৰি ঘৰ নিৰ্ম্মান কৰে ?

(গ) যদি জানে, অগ্নি নিৰ্ব্বাপকৰ কেন্দ্ৰীয় উপদেষ্টা পৰিষদ অথবা বোম্বাই মহানগৰীৰ অগ্নি নিৰ্ব্বাপকৰ কঠোৰ নিয়মাৱলী গুৱাহাটী আৰু আন আন নগৰ সমূহত প্ৰয়োগৰ যথোপযুক্ত ব্যৱস্থা লবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহমন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক) বাস্তৱিক ক্ষেত্ৰত যদিও প্ৰয়োজন আছে কিন্তু কাৰ্য্যত তেনেকুৱা বিধি নথকাৰ কাৰণে অনুমতিৰ আৱশ্যক নাই।

(খ) সচাঁ নহয়।

(গ) এই বিষয়টো গুৱাহাটী পৌৰ নিগমৰ অধীনত। যদি তেনেকুৱা আইন পৌৰ নিগমে প্ৰনয়ন কৰে, ইয়াক কাৰ্যকৰী কৰা হব।

শ্ৰীগুনীন হাজৰিকা—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে 'ক' প্ৰশ্নৰ উত্তৰত জনাইছে যে এনে ধৰণৰ অনুমতি নোলোৱাটো সচাঁ নহয়। আমি জনাত নন্দন, কোবেৰ, ময়ুৰ আদি ডাঙৰ ডাঙৰ হোটেলত অনুমতি নোলোৱাকৈ ঘৰ নিৰ্মাণ কৰিছে। মন্ত্ৰী মহোদয়ে এই বিষয়ে তদন্ত কৰিবনে ? দ্বিতীয়তে, অগ্নি নিৰ্ব্বাপক সঞ্চালকালয়ে ১৯৮৫ চনৰ আইন মতে কৰেনে পৌৰ নিগমৰ নিজস্ব আইনমতে কৰা হয় ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিখন হোটেলৰ কথা কৈছে গুৱাহাটী পৌৰ এলেকাৰ ভিতৰত যিবিলাক হোটেল আছে সেই বিলাক পৌৰ প্ৰশাসনে দিয়ে। পৌৰ প্ৰশাসনৰ লগত যোগাযোগ কৰি পৰীক্ষা কৰি চাব। কিন্তু ফায়াৰ চাৰ্ভিচত আগতীয়াকৈ পৰীক্ষা কৰিব পৰা নেযায়।

দ্বিতীয় প্ৰশ্নটো হৈছে ইং ১৯৮৫ চনৰ আগত এই সংগঠনৰ আইনগত কোনো দায়িত্ব নাছিল যদিও এই জটিল বিষয়টোলৈ পৌৰ প্ৰসাশনৰ লগত যোগাযোগ কৰি থকা হৈছিল কিন্তু বিশেষ সু-ফল পোৱা হোৱা নাছিল। 'ডি আসাম ফায়াৰ চাৰ্ভিচ এক্ট' অনুমোদিত হোৱাৰ পিচত অগ্নি নিৰ্বাপক সংগঠনৰ সঞ্চালকে এই আইনৰ অগ্নি প্ৰতিৰোধ সম্বন্ধে থকা ধাৰা অনুসৰি বোম্বাই দিল্লী আদি নগৰীত এই সম্বন্ধে যিবোৰ নিয়ম পালন হৈ আছে সেই নিয়ম বোৰৰ ওপৰত ভিত্তি কৰি খচৰা নিয়মাৱলী প্ৰস্তুত কৰে (খচৰা নিয়মাৱলীৰ প্ৰতিলিপি এখন লগতে গাঠি দিয়া হ'ল) আৰু এই ধৰণৰ বিভিন্ন গৃহ বিশেষকৈ কিছুমান হোটেল পৰিদৰ্শন কৰায় আৰু লাগতিয়াল পৰামৰ্শ আগবঢ়ায়। কিন্তু সেই পৰামৰ্শ অনুযায়ী লবলগীয়া ব্যৱস্থাবোৰ গৃহ নিৰ্মান হোৱাৰ পিচত অনুমোদন নোলোৱাকৈয়ে গৃহ নিৰ্মানৰ অনুমতি দিয়ে। দৰাচলতে পৌৰ প্ৰসাশনে তেনেধৰণৰ গৃহ নিৰ্মানৰ অনুমতি দানৰ পূৰ্বেই গৃহ নক্সা আদি সঞ্চালকলৈ পঠিয়াই, সঞ্চালকৰ অনুমোদন নহলে গৃহ নিৰ্মান হৈ যোৱাৰ পিচত অগ্নি নিৰ্বাপক সংগঠনৰ বিশেষ কৰিবলৈ একো নাথাকে।

(Starred question *184 was not called for)

## Re : Panel List of Patowari.

Shri Abdul Rob Laskar, asked :

*185. Will the Minister Revenue be please to state :

(a) Whether the Government is aware that there is a panel list of the trained Patowaris in the disposal of the D.C. Cachar for appointment ?

(b) If so, the total number of trained candidates in the list of the panel ?

(c) How many of them have been appointed in 1986-87, 1987-88 ?

(d) Whether the appointments are given on merit ?

Shri Thaneswar Boro (Minister of Revenue) replied :

(a) There is a panel of candidates who passed Survey training in the years 1983, 1984, 1985 and 1986 maintained in

Deputy Commissioner's Office, Cachar for appointment as Recorders and Patowaries.

(b) The total number of trained candidates is 73 ( Seventy-three ) in the Panel.

(c) Seven candidates have been appointed in 1986 and five candidates in 1987.

(d) Appointments are made on merit basis with due weightage to the reservation etc. of S. C. and S. T. Communities as per rule.

( The question was put by Shri Altaf Hussain Mazumdar, MLA with authorisation )

Shri Altaf Hussain Mazumdar—Sir, the hon'ble Minister, Revenue has replied that 12 persons have been appointed by the District administration and there is a panel of 73. I find in the panel of 73 persons there is a large number of candidates belonging to religious minority. Out of the 12 persons appointed so far there is not a single person from the religious minority. Will the Minister take action on this ? Repeatedly the hon'ble chief Minister has announced that Government is committed to justice and follow the population pattern in the matter of appointment. The other day in an interview with the 'Sunday' he has reaffirmed this. Will the Minister, Revenue take action according to the policy statement of the Government ?

Shri Thaneswar Boro, (Minister)—I shall look into the matter.

Shri Ramendra De—অধ্যক্ষ মহোদয়, যে ১২ জনকে নিযুক্তি দেওয়ার কথা মন্ত্রী মহোদয় বলছেন তারমধ্যে অনুসূচীত জনজাতি শ্রেণী ভূক্ত কতজন আছেন মন্ত্রী মহোদয় জানাবেন কি ? regarding appointment in the District of Cachar given by the Deputy Comissioner Cairao ?

শ্রীথানেশ্বৰ বড়ো (মন্ত্রী)—অধ্যক্ষ মহোদয়, এই ক্ষেত্রত নিশ্চিত জনাব পৰা হ'ব

শ্রীরামেন্দ্র দে—অধ্যক্ষ মহোদয়, আমার জানামতে লিষ্টের ১৩, ৫১, ৪২ এবং ৬৭ নং থেকে প্যানেল অর্থাৎ শেষ ভাগ থেকে তাদের কে নিযুক্তি দেওয়া

হয়েছে তারমধ্যে মাত্র ২ জন কাষ্ট হিন্দুকে নিযুক্ত করা হয়েছে এবং বাকী ১০ জনেই অনুসূচীত জনজাতির লোক। সুতরাং এ ব্যাপারে পদস্থ কর্ম্মচারীকে দিয়ে তদন্ত করার কোন ব্যবস্থা নিবেন কি?

Shri Thaneswar Boro, (Minister)- মাননীয় অধ্যক্ষ মহোদয়, ডিটেলচ বেক আপ এতিয়ালৈকে পোৱা নাই পিচত জনাব পৰা হব। হয়তো বেকলগ থাকিব পাৰে।

Shri Altaf Hussain Mazumdar—Sir, probably the hon'ble Minister is wrong. In reply to Unstarred Question No. 167 the full information is in his hand. Will he reply to the question on the basis of his reply to Unstarred Question No, 167?

Mr. Speaker—No. it is not allowed.

## বিষয়—সমষ্টি ভিত্তিত নলীনাদ আঁচনি।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে:

*১৮৬। মাননীয় জনস্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ১৯৮৬-৮৭ চনত সমষ্টি ভিত্তিত কেইটাকৈ নলীনাদ আঁচনি (Pipe Scheme) ৰ অনুমোদন জনাইছে?

(খ) আঁচনিৰ বাবে অনুমোদন জনোৱাৰ আগেয়ে প্ৰতিটো সমষ্টিকে সামৰি লোৱাৰ ব্যৱস্থা কৰিছে নেকি?

(গ) ১৯৮৬-৮৭ চনত গোলাঘাট সমষ্টিৰ কোনটো আঁচনি নলীনাদ আঁচনিত পৰিছে আৰু যদি পৰা নাই কিয় পৰা নাই?

শ্ৰীদিগেন চন্দ্ৰ বৰা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে—

(ক) ১৯৮৬-৮৭ ৰ এতিয়ালৈ অনুমোদন জনোৱা পাইপ আঁচনিৰ তালিকা সদনৰ মেজত দাখিল কৰা হ'ল।

(তালিকা নং ১)

(খ) যিমানদূৰ সম্ভৱ কৰা হৈছে।

(গ) ১৯৮৬-৮৭ চনত গোলাঘাট সমষ্টিত ৭টা পাইপ আঁচনি লোৱা হৈছে। আঁচনি বিলাকৰ নাম—১। কাঠকটীয়া নৰা গাওঁ ২। দলাজান কোৱৰ গাওঁ ৩। বেবেজীয়া মাহিমলীয়া ৪। গোৱাল গাওঁ ৫। আঠখেলিয়া ৬। বালিজান ৭। দলাখৰীয়া গাওঁ।

(Starred question *187 was not called for)

## বিষয়—নগৰবেৰা কলেজত সংঘটিত ঘটনা।

শ্ৰীকমলা কলিতাই সুধিছে :

*১৮৮। মাননীয় গৃহ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ২৩।১।৭৮ তাৰিখত নগৰেৰাৰ কলেজত সংঘটিত হোৱা ঘটনাটো চৰকাৰে জানেনে ?

(খ) উক্ত ঘটনাৰ লগত জড়িত কোনো ব্যক্তিৰ বিৰুদ্ধে গোচৰ তৰিছে নেকি ?

(গ) উক্ত ঘটনাৰ লগত এটি চমু বিৱৰণ সদনৰ মেজত ৰখা হবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন, (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে—

(ক) হয়, জানে।

(খ) হয়, গোচৰ তৰা হৈছে।

(গ) ঘটনাটোৰ বিষয়ে এটি চমু বিৱৰণ পৃথককৈ সদনৰ মেজত ৰখা হৈছে।

## নগৰবেৰা কলেজত সংঘটিত ঘটনাৰ চমু বিৱৰণ।

যোৱা ১৯।১।৮৭ ইং তাৰিখে নগৰবেৰা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ কিছুসংখ্যাক ছাত্ৰই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক এখন লিখিত প্ৰতিবেদন দি মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্ব্বাচন পাতিবলৈ দাবী কৰে। অন্যথাই ইং ২০।১।৮৭ তাৰিখৰ পৰা সেই ছাত্ৰ সকলে মহাবিদ্যালয়ৰ ভিতৰত সাধাৰণ নিৰ্বাচনৰ বিষয় লৈ বিক্ষোভ প্ৰদৰ্শন কৰাৰ সিদ্ধান্ত লয়। উক্ত মৰ্ম্মে যোৱা ২০।১।৮৭ তাৰিখে মহাবিদালয়ৰ কিছু সংখ্যাক ছাত্ৰই দিনৰ ১১ বজালৈ শ্ৰেণীত উপস্থিত থাকে আৰু বাকী শ্ৰেণী বৰ্জন কৰি সাধাৰণ সভা পতাৰ দাবী জনাই অধ্যক্ষৰ আগত বিক্ষোভ প্ৰদৰ্শন কৰে। লগতে দাবী পূৰণ নোহোৱালৈকে বিক্ষোভ চলাই থকাৰ সিদ্ধান্ত লয়।

যোৱা ২১।১।৮৭ তাৰিখে পৰিচালক সমিতিৰ সভাপতি শ্ৰীউদয় শংকৰ ঠাকুৰীয়াই উক্ত তাৰিখত (২১।১।৮৭) গভানিং বডিৰ সভাত মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনৰ বিষয়ে বিবেচনা কৰা হব বুলি আশ্বাস দিয়াত উক্ত ছাত্ৰ সকলে বিক্ষোভ বন্ধ কৰি নিজ নিজ শ্ৰেণীত উপস্থিত থাকে। কিন্তু গভানিং বডিৰ সকলোবোৰ সদস্য উপস্থিত নথকাৰ বাবে উক্ত তাৰিখে (২১।১।৮৭) গভাৰ্নিং বডিৰ সভা অনুষ্ঠিত কৰিব নোৱাৰি শ্ৰীউদয় শঙ্কৰ ঠাকুৰীয়াই গভাৰ্নিং বডিৰ প্ৰতিনিধিত্ব কৰি বিক্ষোভকাৰী ছাত্ৰ সকলৰ পৰা ১ মাহ সময় বিচাৰে।

সেই ছাত্ৰ সকলে এই কথাত মান্তি নহৈ ইং ২২।১।৮৭ তাৰিখৰ পৰা কলেজত পুনৰ বিক্ষোভ আৰম্ভ কৰে।

যোৱা ২৩।১।৮৭ তাৰিখে দিনৰ ১১-৩০ মিঃ বজাত উক্ত ছাত্ৰৰ কিছুমানে বিক্ষোভ প্ৰদৰ্শনৰ উদ্দেশ্যে অধ্যক্ষৰ কাৰ্য্যালয়ৰ সন্মুখলৈ যোৱাৰ সময়ত উক্ত মহাবিদ্যালয়ৰে ছাত্ৰৰ আন এটা গোটৰ কিছুমান ছাত্ৰৰ সৈতে তৰ্ক-বিতৰ্ক হয় আৰু শেষত মাৰপিতলৈ ৰূপান্তৰিত হয়। উক্ত মাৰপিতত কেইবাজনো ছাত্ৰ জখম হয় আৰু জখমী ছাত্ৰ কেইজনক প্ৰাথমিক চিকিৎসাৰ বাবে চিকিৎসালয়লৈ পঠোৱা হয়।

২৫।১।৮৭ তাৰিখে কিছু সংখ্যক বিক্ষোভকাৰী ছাত্ৰ আৰু এচ, এফ, আই সদস্যই নগৰবেৰা বঙ্গেশ্বৰী স্কুলত এখন সভাত ২৩।১।৮৭ তাৰিখে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত হোৱা ঘটনা সম্পৰ্কে আলোচনা কৰে আৰু ২৮।১।৮৭ তাৰিখে সেই ঘটনাৰ সম্পৰ্কত টপামাৰী অঞ্চলৰ পৰা মৌন সমদল উলিয়াই নগৰবেৰাৰ উপ-প্ৰতি সমাহৰ্ত্তাৰ ওচৰত উক্ত কলেজৰ অধ্যক্ষক আঁতৰাবৰ বাবে স্মাৰক পত্ৰ দিয়াৰ সিদ্ধান্ত লয়। নগৰবেৰা আৰু ওচৰ চুবুৰীয়া গাৱঁৰ সংখ্যালঘু সম্প্ৰদায়ৰ পৰা ২০,০০০ ৰো অধিক লোকে সেই সমদলত যোগ দিয়াৰ কথা গোপন সূত্ৰে জানিব পৰা যায়। অইন হাতেদি অন্য সম্পদায়ৰ কিছুলোকে সমদলক বাধা দিব বুলি জানি শান্তি শৃংখলা ভংগ হোৱাৰ আশংকাত শান্তিৰক্ষাৰ বাবে ২৭।১।৮৭ তাৰিখে ৰাতি কামৰূপ জিলাৰ অতিৰিক্ত উপাযুক্তই নগৰবেৰা আৰু ইয়াৰ উপকণ্ঠত ১৪৪ ধাৰা জাৰি কৰি সমদল উলিওৱাত বাধা নিষেধ কৰে।

নগৰবেৰা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত সংঘটিত ঘটনা সংক্ৰান্তত ৭ টা বিভিন্ন গোচৰ পঞ্জিভূক্ত কৰা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা—অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰ লগত মই আৰু এটা কথা কব বিছাৰিছো যোৱা ৬ ফেব্ৰুৱাৰী অসম ট্ৰিবিউন কাকতত এটা বাতৰি ওলাইছে সেই বাতৰিত লিখিছে যে কলেজৰ শিক্ষক গোটৰ প্ৰস্তাৱত লিখিছে তিনিজন বিধায়কো ইয়াত জৰিত আছে। গতিকে এই বাতৰি সত্য হয় নে নহয় আমাক জনাব লাগে?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী)—অধ্যক্ষ মহোদয় এই ঘটনাৰ লগত কোনো এম-এল-এ জৰিত আছে নে নাই তেনে তথ্য চৰকাৰৰ হাতত নাই কিন্তু গোচৰ তৰা হৈছে।

শ্ৰীজয়নাথ শৰ্মা—মাননীয় অধ্যক্ষ মহোদয় এই সদনৰ মাননীয় সদস্য কোনোবা যদি জৰিত আছে in the resolution of College Teachers Association. বিধায়ক সকল হৈছে সৰ্বসাধাৰণ ৰাইজৰ শান্তি ৰক্ষক। তেওঁলোকে আকৌ পৰিস্থিতি উত্তপ্ত কৰিলে কেনেকৈ হব ? গতিকে এই বিষয়ে তদন্ত কৰি ইয়াত যদি কোনোবা জনপ্ৰতিনিধি জৰিত আছে তেওঁলোকৰ বিৰুদ্ধে কেচ ৰজু কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী )—এই বিষয়টো তদন্তাধীন অৱস্থাত আছে।

( Starred Question *189 was not called for )

**Sub : Land Acquired in Case No. LA/FC/3 of 1983**

Shri Altaf Hussain Mazumdar asked :

*190. Will the Minister, Revenue be pleased to state :

(a) The amount of land acquired by land Acquisition Case No. LA/FC/3 of 1982-83 of Silchar ?

Shri Thaneswar Boro ( Minister Revenue ) replied :

(a) An area of 5 bighas ( 18 Kathas 17 Chattaks ) of land has been acquired uuder the LA/FC Case. No. 3 of 1982-83 at Village Ujangam Pargana Borkhola,

(b) Only 50% advance payment of compensation have been paid to the land owners.

(c) The estimate for full payment of compensation could not be finalised as be the Zirat lists submitted by the Collector has been returned for resubmission owing to some defects. On receipt of the report with correct copy of Zirat lists from the Collector, the final estimate would be finalised and owners would be made thereafter.

Shri Altaf Hussain Mazumdar—Will the Honble Minister be pleased to state when the Zirat was returned to the Collector ? On pleased what date and how long it is pending ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, প্ৰাককলন ১৯৮৭ চনৰ জানুৱাৰী মাহত পোৱা হৈছিল আৰু মাটিৰ ভেলুৱেচন চাৰে তিনি

the Zirat have been found without the signature and initial of the deptt. and as such the Zirat list have been sent back for resubmission during this month.

( Sterred Question 191 & 192 were not called for )

বিষয় : বদৰপুৰ চহৰৰ খোৱাপানী যোগান ।

শ্রীৰামেন্দ্র দে-ই সুধিছে :

১৯৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :—

(ক) কৰিমগঞ্জ জিলাৰ বদৰপুৰ চহৰৰ খোৱা পানী সৰবৰাহ প্রকল্পৰ কাৰণে অধিগৃহীত মাটিত প্রকল্প নির্মাণৰ কাৰণে আধাৰশিলা স্থাপন কৰা হৈছে নেকি ?

(খ) যদি হৈছে তেন্তে কেতিয়া হৈছে আৰু কোনে কৰিছে ?

(গ) নির্মাণৰ কাৰণে কিমান টকা মঞ্জুৰ কৰা হৈছে ?

(ঘ) উক্ত প্রকল্পৰ নির্মাণৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে নেকি আৰু যদি নাই হোৱা তেন্তে কেতিয়া আৰম্ভ কৰা হব ?

শ্রীদীগেন চন্দ্র বৰা ( জনস্বাস্থ্য কাৰিকৰি বিভাগৰ মন্ত্রী ) যে উত্তৰ দিছে :

(ক) হয়, হৈছে ।

(খ) ইং ১৬-১-৮৭ তাৰিখে অসমৰ মাননীয় পৌৰ প্রশাসন বিভাগৰ মন্ত্রী মহোদয়ে কৰিছে ।

(গ) বৰ্ত্তমানলৈ ২৫ লাখ টকা...... ।

(ঘ) হোৱা নাই । কৰিমগঞ্জ আদালতে নিৰ্ম্মাণ কার্য্য আৰম্ভ নকৰিবলৈ জাৰী কৰা আদেশ উঠাই লোৱাৰ লগে লগে আঁচনিৰ নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰা হব ।

শ্রীৰামেন্দ্র দে : অধ্যক্ষ মহোদয়, আমার প্রশ্ন ছিল অধিকৃত মাটিতে প্রকল্প নির্মাণের জন্য ভিত্তিপ্রস্থ স্থাপন করা হয়েছে কি না ?

মন্ত্রী মহোদয়ে উত্তরে বলেছেন—হ্যা, ভিত্তিপ্রস্থ স্থাপন করা হয়েছে । আমার প্রশ্ন হলো—যদি অধিকৃত জমিতে ভিত্তি প্রস্থ স্থাপন হয়ে থাকে তা হলে সে যায়গায় ইন্‌জাংশন জারী করার কারণ কি ? আমার দ্বিতীয় প্রশ্ন...

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, কোৰ্টৰ চাবজুদিচ বস্তুটো আমি আলোচনা কৰিব পাৰিম নেকি ?

শ্ৰীদীগেন চন্দ্ৰ বৰা ( জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী ) : বদৰপুৰ টাউনৰ খোৱাপানী যোগান আঁচনিখন চৰকাৰৰ পৰা ২৫/৩/৮৫ তাৰিখেই প্ৰশাসনীয় অনুমোদন পোৱা হয়। এই আঁচনিখনৰ অনুমোদিত প্ৰাক্কলনৰ পৰিমাণ ৭৫,৮৭,১০ টকা। বদৰপুৰ টাউন কমিটিৰ চেয়াৰমেনে প্ৰথমেই চাৰে তিনি বিঘা মাটিৰ প্ৰকল্পটো নিৰ্ম্মাণৰ কাৰণে বিভাগৰ হাতত চমজাই দিয়ে। এই মাটিখিনিত প্ৰকল্প নিৰ্ম্মাণ কৰিবৰ কাৰণে আমাৰ বিভাগে জৰীপ আদি কৰি উপযুক্ত নহব বুলি বিবেচনা কৰে। পিছত কৰিমগঞ্জৰ উপায়ুক্তৰ সৈতে এই বিভাগৰ মানুহে নিজে চাইচিতি এটুকুৰা নতুন ঠাইত প্ৰকল্প নিৰ্মাণ কৰিবৰ কাৰণে স্থিৰ কৰে। কৰিমগঞ্জ জিলাৰ উপায়ুক্ত মহোদয়ে বদৰপুৰ টাউন কমিটিক এই নতুনকৈ স্থিৰ কৰা মাটি টুকুৰা আমাৰ বিভাগক হস্তান্তৰ কৰিবলৈ আদেশ দিয়ে। এই মাটিতে যোৱা ১৬/১/৮৭ তাৰিখে অসমৰ মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ইতিমধ্যে প্ৰথম ডোখৰ মাটিৰ মালিকে কৰিমগঞ্জৰ মুন্সিফ আদালতত গোচৰ তৰি অন্য কোনো ঠাইত প্ৰকল্প নিৰ্মাণ কৰিবৰ কাৰণে আদালতৰ পৰা হুকুম দিয়াই আঁচনিৰ কাম বন্ধ ৰাখিছে। এই হুকুম বাতিল কৰিলে আঁচনিৰ কাম আৰম্ভ কৰিব পৰা হব।

শ্ৰীৰামেন্দ্ৰ দে : যিহেতু পি, এইচ, ই বিভাগ থেকে এই মাটি অধিগ্ৰহণ কৰা হয়েছে সেইহেতু এই মাটি অধিগ্ৰহনের ক্ষেত্রে কোন বিভাগীয় অফিসার দোষী কি না ? যদি দোষী থাকেন তাহলে তার কোন বিহিত ব্যবস্থা নেওয়া হবে কি না ?

শ্ৰীদীগেন বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আমি এনেকুৱা ধৰণৰ অভিযোগ পোৱা নাই।

শ্ৰীৰামেন্দ্ৰ দে : আমার ধারণা এই প্রকল্পটি রূপায়ন করতে দেরী হবে। বদরপুর শহরের জনসাধারণ পানীয় জলের অভাবের প্রতি লক্ষ্য রেখে এই প্রকল্পর পাশাপালি যে রুরাল ওয়াটার সাপ্লাই স্কীম রয়েছে সেখান থেকে আপাতত বদরপুর শহরে জল দেবার কোন ব্যবস্থা মন্ত্রী মহোদয়ে করবেন কি ?

শ্ৰীদীগেন বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আমি পানী যোগান আঁচনিটো মঞ্জুৰী দিছো তেখেতে তাৰ স্থানীয় বিধায়ক হিচাবে অনুসন্ধানলৈ নগৈ মীমাংসা কৰি দিলে আঁচনিৰ কাম সোনকালেই আৰম্ভ কৰিব পৰা যাব।

## বিষয়ঃ অশোক কাগজ কলৰ কৰ্ম্মচাৰীৰ দৰমহা ।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :

*১৯৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অশোক কাগজ কলৰ উৎপাদনৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব ?

(খ) কৰ্ম্মচাৰী সকলক দৰমহা আদি নিয়মিত ভাবে দিয়া হৈ আছেনে ?

(গ) যদি দিয়া হোৱা নাই, কেতিয়াৰ পৰা দিয়া হোৱা নাই আৰু ইয়াৰ বাবে তৎকালিন ব্যৱস্থা লবনে ?

শ্ৰীদীগেন চন্দ্ৰ বৰা ( উদ্যোগ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অশোক কাগজ কলক সঞ্জীৱিত কৰাৰ উদ্দেশ্যে এটি কাৰিকৰী পৰামৰ্শ প্ৰতিস্থানে ইতিমধ্যে প্ৰস্তুত কৰা এখন আঁচনি ৰাজ্য চৰকাৰৰ হাতত আছে । ৰাজ্য চৰকাৰে ১৯৫১ চনৰ উদ্যোগিক উন্নয়ন আৰু নিয়ন্ত্ৰন আইনৰ অধীনত হিন্দুস্থান কাগজ নিগমক কৰ্ত্তৃত্বশীল প্ৰতিস্থান হিচাবে নিয়োগ কৰিবৰ বাবে ভাৰত চৰকাৰক অনুৰোধ কৰিছে । ইতিমধ্যে হিন্দুস্থান কাগজ নিগমে পৰামৰ্শ প্ৰতিস্থানৰ প্ৰতিবেদনক মূল নথি হিচাবে ভিত্তি কৰি প্ৰয়োজনীয় পুজিৰ বিতং বিৱৰণ চূড়ান্ত কৰিব ধৰিছে । যিহেতু আশোক কাগজ কল পৰিচালনা কৰিবলৈ বৃহৎ পৰিমাণৰ পুজি খটুৱাব লাগিব, সেই হেতুকে আৱশ্যকীয় পূজিৰ বিতং বিৱৰণ শ্ৰমশক্তি আদি চূড়ান্ত কৰাৰ পিছতেই এই কলটো সঞ্জীৱিত কৰা সম্ভৱ হব ।

(খ) বৰ্ত্তমানে মিলৰ দৰমহা বহীত নাম থকা কৰ্ম্মচাৰী সকলক যোৱা ইং ১৯৮৪ চনৰ ফেব্ৰুৱাৰীৰ পৰা ১৯৮৪ চনৰ অক্টোবৰলৈকে আগৰ দৰমহা দিয়া হৈছে । তেওঁলোকক ইং ১৯৮৬ চনৰ অক্টোবৰ মাহৰ পৰা নিয়মিত ভাবে দৰমহা দি থকা হৈছে । আগৰ বাকী থকা দৰমহাৰ টকা আদিৰ বাবদ পূজিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে ।

(গ) উপৰোক্ত (খ) প্ৰশ্নৰ উত্তৰৰ সন্দৰ্ভত মন্তব্য নিস্প্ৰয়োজন ।

Srarred Question No. 195 deferred to 27.3.87

## বিষয়ঃ বিশ্বনাথ মহকুমাৰ ইটা ভাটা ।

শ্ৰীপদ্মনাথ কৈৰীয়ে সুধিছে :

*১৯৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিশ্বনাথ মহকুমাৰ বৰগাং, বুঢ়িগাং অঞ্চলত চৰকাৰী আইন অমান্য কৰি চলাই থকা ইটা ভাটা কেইটা যোৱা বছৰ ( ১৯৮৬ চনত ) বন্ধ কৰি দিয়া হৈছিল নেকি ?

(খ) যদি হৈছিল তেন্তে বৰ্ত্তমান পুনৰ চলাবৰ কাৰণ অনুমতি দিয়া হৈছে নেকি ?

শ্ৰীদীগেন চন্দ্ৰ বৰা ( উদ্যোগ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বন্ধ কৰি দিয়া হোৱা নাই ।

(খ) (ক) ৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে ।

শ্ৰীপদ্ম নাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত বৰগাং, বুঢ়িগাং অঞ্চলত বাগিচাৰ চিলিং আইনৰ মাটি বাগিচাৰ মানুহক দিয়া হৈছিল কিন্তু তেনে ধৰণৰ মাটি ইটা ভাটাৰ কাৰণে ব্যৱহাৰ কৰিব নোৱাৰে । কিন্তু কেইজনমান মানুহে ইয়াত এটা ইটা ভাটা চলাই আছিল । পিচত শোণিতপুৰ জিলাৰ উপায়ুক্ত আৰু বিশ্বনাথ মহকুমাৰ এচ. ডি. অ'ই এই ইটা ভাটা বন্ধ কৰি দিছে বুলি শুনিছিলো । কিন্তু আকৌ কেইদিনমানৰ আগতে এই ইটা ভাটা চলাবলৈ লৈছে বুলি শুনিছো । মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই ইটা ভাটা কিটা আকৌ বন্ধ কৰি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদীগেন চন্দ্ৰ বৰা ( উদ্যোগ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মঃ মেইফিল আৰু আব্দুল মান্নান বৰগাওঁ এই গোটটোক সাময়িক পঞ্জীয়ন ইটা তৈয়াৰ কৰিবৰ কাৰণে ১০-৯-৮৫ চনত দিয়া হৈছে আৰু ইয়াৰ ম্যাদ ১০-৯-৯৬ চনলৈ আছিল । ইয়াৰ পিচত পঞ্জীয়ন কৰা হোৱা নাই, যিহেতু তেওঁলোকে ব্যৱহাৰ কৰা মাটি খেতিৰ অনুপযোগী বুলি প্ৰমাণ পত্ৰ দিব পৰা নাই । বুঢ়ীগাওঁ অঞ্চলত মেচাৰ্চ শোণিতপুৰ ব্ৰিক যিল্ড আৰু মেচাৰ্চ এম, এচ ব্ৰিক ফিল্ড নামৰ দুটা গোট চলি আছে আৰু জিলা কেন্দ্ৰৰ পঞ্জীয়ন কৰা হৈছে । প্ৰথমটোৰ গৰাকী শ্ৰীঘনশ্যাম মেধি আৰু শেষৰ জন হাৰমত আলি ।

শ্ৰীপদ্ম নাথ কৈৰী : অধ্যক্ষ মহোদয়, মই জনাত তাত এজন শেষ প্ৰনাদ নামৰ ব্যৱসায়ীয়ে এই ভাটা চলাই আছে । আগতে দুজন প্ৰাক্তন বনুৱাৰ আছিল এইটো এচ. ডি. অ জনে তেতিয়া বন্ধ কৰি দিয়া বুলি জানো । এতিয়া আকৌ চলিছে গতিকে এই বিষয়ত মন্ত্ৰী মহোদয়ে এটা তদন্ত কৰি বিহিত ব্যৱস্থা লব নে ?

শ্ৰীদীগেন বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, হয়, তদন্ত কৰিব পৰা হব ।

Shri Ardhendu Kr. Dey : Mr. Speaker Sir, Will the Hon'ble Minister tell us whether the khas jami and sarkari jami can be used for Itabhata ?

শ্ৰীদীগেন বৰা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়. ইটা ভাটা খুলিবৰ কাৰণে

উদ্যোগ বিভাগৰ পৰা মাটি দিয়া নহয়, ৰাজহ বিভাগৰ পৰাহে দিয়া হয় গতিকে এইটো মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ক সুধিলেহে ভাল হব ।

## বিষয়ঃ বিহগুৰি মৌজাৰ খোৱাপানী যোগান আঁচনি ।

শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছে :

*১৯৭। মাননীয় জনস্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰছলা সমষ্টিৰ বিহগুৰি মৌজাত খোৱা পানী যোগান আঁচনিৰ বাবে ৩টা আধাৰ কেন্দ্ৰ আজি প্ৰায় ৩ বছৰ মান আগতে নিৰ্ম্মান কৰা হয় যদিও এতিয়াও খোৱা পানী ৰাইজে পোৱা নাই এই বিষয়ে চৰকাৰে জানেনে ?

(খ) ইয়াৰে বৰডুবীয়াত অৱস্থিত আধাৰ কেন্দ্ৰৰ কৰ্ম্মচাৰীৰ থকা ঘৰো যে আঁচনিমতে সম্পূৰ্ণ শুদ্ধকৈ বনোৱা হোৱা নাই এই বিষয়েও চৰকাৰে জানেনে ?

(গ) এই আঁচনিৰে ৰাইজে বিহগুৰি অঞ্চলত খোৱা পানী যাতে অতি সোনকালে পায় তাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদীগেন চন্দ্ৰ বৰা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) জানে ।

(খ) জানে ।

(গ) কৰা হব ।

শ্ৰীপ্ৰফুল্ল গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা আশ্বাস বিচাৰো যে বিহগুৰি মৌজাৰ বৰডুবীয়াত আজি তিনি বছৰ ধৰি পানী যোগান আঁচনিৰ দ্বাৰা পানী যোগান পোৱা নাই । গতিকে এই আঁচনিৰ কাম শেষ হল যদি পানী যোগান খুলি দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীদীগেন চন্দ্ৰ বৰা (জনস্বাস্থ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, পানী যোগান ধৰা হৈছে ।

শ্ৰীপ্ৰফুল্ল গোস্বামী : অধ্যক্ষ মহোদয়, আঁচনিখন যদিও ৩ বছৰৰ আগতে সম্পুৰ্ণ হল এতিয়ালৈকে তাৰ পৰা পানী যোগান দিয়া হোৱা নাই ।

শ্ৰীদীগেন চন্দ্ৰ বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, পানী যোগান আঁচনিৰ ক্ষেত্ৰত আমাৰ বিভাগৰ পৰা কৰিবলগীয়া খিনি কৰা হৈছে । এতিয়া মাত্ৰ বিজুলী যোগানটো বাকী আছে আৰু এই বিষয়ত আমি পাৱাৰ বিভাগৰ লগত যোগাযোগ কৰি আছো ।

( Starred Question 198 was not Called for )

## বিষয়ঃ শ্ৰীদামোদৰ ডেকাৰ হত্যা ।

শ্ৰীমহেন্দ্ৰ মোনহ ৰায়চৌধুৰীয়ে সুধিছে ঃ

*১৯৯। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ টংলা শাখাৰ চকীদাৰ শ্ৰীদামোদৰ ডেকাক হত্যা কৰা কথাটো সচানে ?

(খ) শ্ৰীডেকাৰ হত্যাৰ অভিযোগত শাখাটোৰ মেনেজাৰ শ্ৰীনজৰুল ইছলামক গ্ৰেপ্তাৰ কৰা কথাটোও সচানে ?

(গ) যদি সচা হয়, তেনেহলে ঘটনাটোৰ লগত জড়িত সকলো ব্যক্তিকে জামিন বিহীন পৰোৱানাৰ ব্যৱস্থা কৰি তদন্তৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, সচা ।

(খ) হয়, সচা ।

(গ) বিশেষজ্ঞৰ প্ৰতিবেদন এতিয়ালৈকে নোপাৱাত মোকৰ্দমটো তদন্তাধীন হৈ আছে ।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী ঃ অধ্যক্ষ মহোদয়, এই ঘটনাটো বৰ করুণ । লগতে এই দামোদৰ ডেকা নামৰ চকীদাৰ জনৰ হত্যাৰ ঘটনাটোৱে সমগ্ৰ দৰং জিলাতে সন্ত্ৰাসৰ সৃষ্টি কৰিছে । সেই কাৰণেই ইয়াত এটা ন্যায়িক তদন্তৰ ব্যৱস্থা কৰি দোষীক শাস্তি দিয়াৰ ব্যৱস্থা কৰিবনে ? লগতে চকীদাৰ জনৰ পৰিয়ালটোক চৰকাৰৰ তৰফৰ পৰা বা বিভাগৰ ফালৰ পৰা একো সংস্থাপন কৰা নাই সেয়ে কিবা এটা সংস্থাপনৰ কাৰণে ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, গোটেই ঘটনাটো এতিয়াও তদন্তনাধীন হৈ আছে । গতিকে প্ৰতিবেদন পোৱাৰ পিচত ব্যৱস্থা লব পৰা যাব ।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী ঃ অধ্যক্ষ মহোদয়, এতিয়ালৈকে পৰিয়ালটোৱে একো সাহায্য আদি পোৱা নাই, এই ক্ষেত্ৰত কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহমন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মই পুনৰবাৰ কৈছো যে কমিটিৰ প্ৰতিবেদন পোৱাৰ পিচতহে সকলো ব্যৱস্থা লব পৰা যাব ।

( Starred Question No. 200 was not Called for )

## Re : Strength of S. S. B.

Shri Sheikh Saman Ali, asked :

252. Wili the Minister of Home be pleased to state :

(a) The present strength of S. S. B. of Assam ?

(b) Whether the population pattern reflects therein ?

(c) If not the reasons thereof ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক), (খ) আৰু (গ) এছ, এছ, বি, সংস্থাটো অসম চৰকাৰৰ অধীনত নহয়। এইটো কেন্দ্ৰীয় চৰকাৰৰ তলত থকা সংস্থাহে। যি নহওক দৰ্কাৰী তথ্য পাতিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে যোগাযোগ কৰা হৈছে।

শ্ৰীমতী জোৎস্না সোনোৱালে সুধিছে :

২৫৩ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে : শদিয়া মহকুমাটোত উদ্যোগৰ বাবে কেনে আঁচনি লৈছে ?

শ্ৰীদীগেন চন্দ্ৰ বৰা ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক্ষুদ্ৰ আৰু গ্ৰাম্য উদ্যেগ স্থাপন আৰু উন্নয়ণ মূলক কেইবাটাও আঁচনি শদিয়া মহকুমাৰ কাৰণে ধাৰ্য্য কৰা হৈছে। উক্ত আঁচনি সমূহ তলত উল্লেখ কৰা হ'ল—

(ক) প্ৰশিক্ষণ।

(খ) ক্ষুদ্ৰ উদ্যোগ আৰু হস্ত তাঁত শিল্পীসকললৈ ঋণদান।

(গ) উন্নত ধৰণৰ সা-সঁজুলি যোগান।

(ঘ) গ্ৰাম্য কাৰিকৰী পৰিকল্পনা আৰু গ্ৰাম্য কাৰিকৰী আঁচনি।

(ঙ) বীজ ধনৰ ঋণ।

(চ) উদ্যোগী সকললৈ ( অনুসূচিত জাতি আৰু জৈয়াম জনজাতি ) স্থায়ী মূলধনৰ বিশেষ অনুদান।

(ছ) বাণিজ্যিক কেন্দ্ৰ স্থাপন ইত্যাদি।

ইয়াৰোপৰি এই মহকুমাত ৩৫ জন শিক্ষিত নিবনুৱা যুবক-যুবতীক চলিত বছৰত আত্মবিনিয়োগৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

## Re : Number of Home Guards Battalions.

Shri Aminul Islam asked :

254. Will the Minister, Home be pleased to state :

(a) The number of Border Wing Home Guards Battaltons in Assam ?

(b) Total number of companies included in those Battalions ?

(c) Are they serving under the command and control of the Border Security Foree, while deputed on the Border ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) অসমত মাত্ৰ ১টা গৃহৰক্ষী বেটেলিয়ান আছে ।

(খ) এই বেটেলিয়ানত মুঠ ৪ (চাৰিটা) কোম্পানী আছে ।

(গ) হয় ।

## বিষয় ঃ বেলতলা মৌজাৰ মাটি আবণ্টন ।

শ্ৰীইউছুফ আলী আহমেদে সুধিছে ঃ

২৫৫। মাননীয় ৰাজহ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বেলতলা মৌজাৰ অন্তৰ্গত জটীয়া গাওঁৰ ১৪ নং পাট্টা আৰু ৪০০ নং দাগৰ ৫৮ বিঘা ১৬ লেছা চিলিং মাটিখিনি আবণ্টন দিয়া হৈছে নেকি ?

(খ) যদি অবণ্টন দিয়া হৈছে তেন্তে কোন কোন অনুষ্ঠান প্ৰতিষ্ঠান অথবা মানুহক দিছে ?

(গ) যদি অবণ্টন দিয়া হোৱা নাই তেনে হলে এই মাটিখিনি চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানৰ কাৰণে আবণ্টন দিয়াৰ বাবে চৰকাৰে কিবা সিদ্ধান্ত লৈছে নেকি ?

শ্ৰীধানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) লোৱা নাই ।

## Re : Detention of person by D F. O. Darrang.

Shri Abdul Jabbar asked :

256 Will the Minister of Home be pleased to state :

(a) Whether the Government is aware of the fact that one D F.O. Darrang was arrested by Darrang Police in October, 1986 for unlawful detention of persons in the custody of the former ?

(b) Whether any case was lodged at Kalaigaon Police Station against the said officer ?

(c) Whether it is a fact that unlawfully detained persons were fortured and kept nearly for 48 hours without any food in the custody of the said D. F. O.

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) দৰঙৰ সংমণ্ডল বন বিষায়ক অবৈধ ভাবে মানুহ আটক কৰি ৰখাৰ বাবে গ্ৰেপ্তাৰ কৰা কথাটো সঁচা নহয় ।

(খ) হয়, মঙ্গলদৈ সামাজিক বননিকৰনৰ মুখ্য কাৰ্য্যালয়ৰ সংমণ্ডল বন বিষয়া শ্ৰীপি, পি, চাংকাকতিৰ বিৰুদ্ধে কলাইগাওঁ আৰক্ষী থানাত ভাৰতীয় দণ্ডবিধিৰ ৩৬৫ ধাৰাৰ অধীনত মোকৰ্দ্দমা সংখ্যা ১১৭/৮৬ পঞ্জীয়ন কৰা হয় ।

(গ) অত্যাচাৰ কৰা আৰু খাদ্য নিদিয়াৰ অভিযোগ এতিয়াও তদন্তাধীন হৈ আছে ।

## বিষয় : লক্ষীমপুৰ আৰু শোনিতপুৰ জিলা উদ্যোগ কেন্দ্ৰ ভৱন ।

শ্ৰীজগত হাজৰীকাই সুধিছে :

২৫৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৬ চনৰ মাৰ্চ মাহৰ দ্বিতীয় সপ্তাহত চৰকাৰে দুটা জিলা উদ্যোগ কেন্দ্ৰৰ ভৱন লক্ষীমপুৰ আৰু শোনিতপুৰ জিলাত নিৰ্ম্মাণৰ বাবে ১২ লাখ টকাৰ যি অনুদান দিছিল উক্ত ভৱন দুটাৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হলনে ?

(খ) লক্ষীমপুৰ আৰু শোনিতপুৰ জিলা উদ্যোগ কেন্দ্ৰৰ ভৱনটো ক'ত নিৰ্মাণ কৰিছে জনাবনে ?

শ্ৰীদীগেন চন্দ্ৰ বৰা ( উদ্যোগ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) লক্ষীমপুৰ আৰু শোনিতপুৰ জিলা উদ্যোগ কেন্দ্ৰৰ কাৰ্য্যালয় ভৱন নিৰ্মাণৰ কাৰণে ১৯৮৬ চনৰ মাৰ্চ মাহৰ দ্বিতীয় সপ্তাহত ১০,৪৫,৮০০.০০ টকাৰ প্ৰশাসনীয় অনুমোদন দিয়া হৈছিল ।

উক্ত ভৱনটোৰ নিৰ্মাণ কাৰ্য্য চলি আছে আৰু অলপতে নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ হব ।

(খ) লক্ষীমপুৰ জিলা উদ্যোগ কেন্দ্ৰৰ কাৰ্যালয় ভৱনটো লক্ষীমপুৰ মৌজাৰ অন্তৰ্গত চাবুকধৰা গোহাঁই গাঁৱত নিৰ্মাণ কৰা হৈছে ।

## বিষয় : সৰুপথাৰত অগ্নি নিৰ্ব্বাপক আস্থান ।

শ্ৰীবিনোদ গোৱালাই সুধিছে :

২৫৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) সৰুপথাৰ, বৰপথাৰত এটা অগ্নি নিৰ্ব্বাপক বাহিনীৰ আস্থান প্ৰতিষ্ঠা কৰাৰ সম্পৰ্কে চৰকাৰে কোনো ব্যৱস্থা লৈছেনে ?

(খ) যদি লোৱা নাই, অতি সোনকালে উক্ত ঠাইত অগ্নি নিৰ্ব্বাপক আস্থান এটা স্থাপন কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) চৰকাৰৰ হাতত বৰ্ত্তমানে কোনো প্ৰস্তাৱ নাই ।

(খ) প্ৰয়োজনীয় পূঁজিৰ ব্যৱস্থা হলে চৰকাৰে বিবেচনা কৰিব ।

## বিষয় : মূঢ়াদল মৌজাত উচ্ছেদ ।

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :

২৫৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) শোণিতপুৰ জিলাৰ মূঢ়াদল মৌজাৰ ১নং আৰু ২নং বৰপথাৰ গাওঁত কিমান লোকে বেদখল কৰিছে ?

(খ) যোৱা ছমাহৰ ভিতৰত এই ঠাইৰ পৰা কোনো লোকক উচ্ছেদ কৰা হৈছে নেকি ?

(গ) যদি উচ্ছেদ কৰা হৈছে কোন কোন মানুহৰ ঘৰদুৱাৰ বা শস্য উচ্ছেদ কৰা হৈছে ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) শোণিতপুৰ জিলাৰ মূঢ়াদল মৌজাৰ ১নং বৰপথাৰ গাওঁত ৫১জন লোকে ১৫ বিঘা ২ কঠা ১২ লেচা আৰু ২নং বৰপথাৰ গাওঁত ৮জন লোকে ১৮ বিঘা ৪ কঠা ১৬ লেচা মাটি বেদখল কৰিছে ।

(খ) ২নং বৰপথাৰ গাওঁত ৮ জন লোকৰ বেদখল উচ্ছেদ কৰা হৈছে ।

(গ) বেদখল উচ্ছেদ কৰা লোকৰ নাম (১) সোমনাথ হাজৰিকা, (২) শ্ৰী'দন দাস, (৩) ৰজনী ডেকা, (৪) শ্ৰীমইনা শইকীয়া, (৫) শ্ৰীপ্ৰবোধ বৰঠাকুৰ, (৬) মুনীন্দ্ৰ বৰঠাকুৰ, (৭) পদ্মকান্ত বৰঠাকুৰ আৰু (৮) কান্তি বৰা ।

## Re : Noapara Spinning Mill.

Shri Mokbul Hussain, asked :

260. Will the Minister, Industries be pleased to State :

(a) The number of persons proposed to be absorbed in the Noapara Spinning Mill under Kokrajhar District ?

(b) The number of persons have been absorbed so far in the above mentioned Spinning Mill ?

(c) Whether any selection Board or Committee constituted for recruitment of employees for the said Spining Mill?
(d) If so, the member of the said Committee on Board?

শ্ৰীদীগেন চন্দ্ৰ বৰা ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) নোৱাপাৰা সূতাকলত মুঠ নিযুক্তিৰ সংখ্যা হব ৬০০ ।

(খ) এতিয়ালৈকে ২৭০ জনক এই সূতাকলত নিযুক্তি দিয়া হৈছে ।

(গ) হয় আছে ।

(ঘ) (১) তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী নিযুক্তিৰ সম্পৰ্কত থকা নিৰ্বাচনী সমিতিৰ সদস্যৰ তালিকা এনে ধৰণৰ :

১। শ্ৰীখনীন্দ্ৰ নাথ শৰ্ম্মা, মুখ্য ব্যৱস্থাপক-সভাপতি ।

২। শ্ৰীলীলাধৰ চৌধুৰী, প্ৰকল্প অভিযন্তা ।

৩। শ্ৰীএচ ভেনীয়াপ্পান, স্পিনিং মাষ্টাৰ ।

৪। শ্ৰীলাৱণ্য কুমাৰ শৰ্ম্মা, গাণনিক বিষয়া ( মুখ্য কাৰ্য্যালয়ৰ প্ৰতিনিধি ) ।

৫। শ্ৰীঅতুল চন্দ্ৰ শৰ্মা, সহকাৰী গাণনিক বিষয়া ( প্ৰকল্প কাৰ্য্যালয়ৰ প্ৰতিনিধি ) ।

৬। শ্ৰীদুলাল চন্দ্ৰ দত্ত, উপ-প্ৰধান ব্যৱস্থাপক ( ৰাষ্ট্ৰীয় বস্ত্ৰ নিগমৰ প্ৰতিনিধি ) ।

৭। নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ অধিকৰ্ত্তা কাৰ্য্যালয়ৰ এজন বিষয়া স্বৰূপ ।

(২) বিষয়া নিযুক্তিৰ ক্ষেত্ৰত থকা নিৰ্বাচনী সমিতিৰ সদস্যৰ তালিকা এনে ধৰণৰ :

১। শ্ৰীধৈৰ্য্য হুৰৱা, নিগমৰ সঞ্চালক

২। শ্ৰীবিষ্ণু প্ৰসাদ দত্ত, নিগমৰ সঞ্চালক : যি কোনো দুজনৰ উপস্থিতি

৩। ডঃ উমাকান্ত ভট্টাচাৰ্য্য, নিগমৰ সঞ্চালক : একান্ত আৱশ্যক ।

৪। পৰিচালক সঞ্চালক—তেখেতৰ উপস্থিতি একান্ত আৱশ্যক ।

৫। বিষয়টোত বুৎপত্তি থকা লোক ।

৬। নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ অধিকৰ্ত্তা কাৰ্য্যালয়ৰ এজন বিষয়া ( বিষয়া গৰাকী যুটীয়া সঞ্চালক পৰ্য্যায়ৰ হোৱা যুগুত ) ।

৭। নিগমৰ দ্বাৰা নিয়োজিত কনচালটেণ্টৰ ( Consultant ) এজন প্ৰতিনিধি প্ৰয়োজন সাপেক্ষে ।

## Re : Water Supply Scheme at Kabuganj.

Shri Abdul Rob Laskar, asked :

261. Will the Minister, Public Health Engineering be pleased to State :

(a) Whether the Government is aware that there is a Water Supply Pipe Scheme at Kabuganj under Silchar Sub-Division ?

(b) If so, the total cost of the Scheme ?

(c) Amount already spent ?

(d) Since when the Scheme started functioning ?

Shri Digen Ch. Bora ( Minister, Public Health Engineering ) replied :

(a) Yes.

(b) Total sanctioned estimated cost is Rs. 9,37,125/—.

(c) Rs. 6,57,180.36 till date.

(d) The Scheme has not yet started functioning.

Re : **Fire Victims of Kabuganj Bazar.**

Shri Abdul Rob Laskar, asked :

262. Will the Minister Revenue be pleased to state :

(a) That in reply to unstarred question No. 7 it has been stated that Rs. 50,000/- placed as Gratuitous Relief for the fire victim shop-keepers of Kabuganj Bazar was not paid as the Deputy Commissioner, Cachar reported that all of them are rich people ?

(b) Whether the Government is aware that all the shop-keepers borring a very few are petty shopkeepers having no other sources of income ?

(c) Whether the Government will make an enquiry through an independent impartial responsible officer to ascertain whether the fire victim shopkeepers are rich or poor ?

(d) Whether the shopkeepers submitted petition to the Deputy Commissioner, Cachar for recommending their petitions to the Government for providing fire victims loans for rehabilitation ?

(e) Whether these petitions have been referred to the Government by the Deputy Commissioner, Cachar ?

(f) If so, whether the Government would consider the petition for rehabilitation loan ?

(g) If not, whether the Government will direct the Deputy Commissioner, Cachar for sending the petition to the Government for consideration ?

Shri Thaneswar Boro ( Minister Revenue ) replied :

(a) Yes.

(b) Government has got no information.

(c) It will be considered.

(d) Not known.

(e) Not yet received.

(f) Does not arise.

(g) Petitions are not normally sent to Government. There is no provision of loan in such cases. But in deserving cases, Rehabilitation Grant can be considered.

**Re : Kazidhar Water Supply Scheme.**

Shri Abdul Rob Laskar, asked :

263. Will the Minister, Public Health Engineering be pleased to State :

In reply to the Un-Starred question No. 8 (g) dated 3-3-87 it has been stated that Kazidhar Water Supply Scheme was sent to the Government of India for approval on 31-10-86 but it does not appear to be correct and there fore.

(a) Whether additional water supply ( Pipe ) Schemes for Tulagram and Kazidhar Part-I has been submitted by the Department for consideration ?

(b) If so, when the additional Scheme will be implemented ?

Shri Digen Chandra Bora ( Minister, Public Health Engineering ) replied :

(a) The amount sanctioned for the Sonai Water Supply & Scheme was intended to cover (1) Tulagram Part-I & II.

(b) (2) Mazirgram (3) Chengurtal Villages but due to escalation of cost the amount covered only a Part of Tulargram Village Part-II besides the 2 ( Two ) other villages i. e. Mazirgram & Chengurtal. Revised estimate to fully cover the villages have therefore been called for from the Executive Engineer.

The Kazidhar water Supply Scheme sent to Government of India covered Kazidhar Part-II & III but not Kazidhar Part-I for which separate scheme will have to be prepared and the Executive Engineer (PHE) Silchar has been asked to submit a scheme for Kazidhar Part-I accordingly.

**Re : Water Supply Scheme at Kachudarm.**

Shri Abdul Rob Laskar, asked :

264. Will the Minister, Public Health Engineering be pleased to State :

(a) Whether the Government is aware that there is a Water Supply ( Pipe ) Scheme at Kachudarm under Sonai Police Station of Silchar Sub-Division ?

(b) Whether the work of the said Scheme has been completed ?

(c) If completed whether people are getting drinking water ?

(d) If not completed, when it will be completed ?

(e) Total sanctioned amount of the Scheme ?

(f) Amount already spent ?

Shri Digen Chandra Bora ( Minister, Public Health Engineering ) replied :

(a) Yes.

(b) No.

(c) Does not arise.

(d) Very soon.

(e) Rs. 9,53 Lakhs.

(f) Rs. 8,01,108/—.

## বিষয়ঃ পৰ্য্যটনৰ উন্নয়ন।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

২৬৫। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ কোন কোন ঠাইত পৰ্য্যটন বিভাগে উন্নয়নৰ বাবে আঁচনি লৈছে ?

(খ) কাৰ্বি আংলং জিলাৰ আৰু গোলাঘাট মহকুমাৰ লগত লাগি থকা গৰম পানীত পৰ্যাটন বিভাগে উন্নয়নৰ কিবা চিন্তা কৰিছে নেকি ?

(গ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পৰ্য্যটন বিভাগে নতুনকৈ পৰ্য্যটক আবাস নিৰ্মাণৰ ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন ( পৰ্য্যটন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) গুৱাহাটী, চান্দডুবি, নগাওঁ, যোৰহাট, শিৱসাগৰ, শদিয়া, ওৰাং ভৈৰৱকুণ্ড, শিলচৰ, ওমৰাংচু, উত্তৰ-লক্ষীমপুৰ, মানাহ, বেলশৰ, হাজো, মদন কামদেৱ, মাজুলি, গোলাঘাট, গৰম পানী, নলবাৰী, বৰমা, বৰপেটা, ৰৌতা-ফুলনি ।

(খ) হয় । কৰা হৈছে ।

(গ) নাই ।

## বিষয়ঃ বয়ন সম্প্ৰসাৰণ।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

২৬৬। মাননীয় হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত বয়ন সম্প্ৰসাৰণৰ বাবে (Powerloom) চৰকাৰে কি আঁচনি গ্ৰহণ কৰিছে ?

(খ) তাঁত উন্নতিৰ বাবে চৰকাৰে আধুনিক ব্যৱস্থা কিবা চিন্তা কৰিছে নেকি ?

শ্ৰীদীগেন বৰা ( হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসমত শক্তি চালিত বা বৈদ্যুতিক তাঁত শিল্প (Powerloom) সম্প্ৰসাৰণৰ বাবে এইবোৰ আঁচনি লোৱা হৈছে ।

১। সমবায় আৰু ব্যক্তিগত উদ্যোগীৰ জৰিয়তে বৈদ্যুতিক তাঁত শিল্পৰ সম্প্ৰাসাৰণ ।

২। বৈদ্যুতিক তাঁত শিল্পৰ মূল গাঠনি উন্নয়ন আঁচনি Scheme for infrastructural facility ).

(খ) হয়, কৰিছে ।

**Re. : Appointment in Handloom Textile Deptt. Kokrajhar.**

Shri Amrit Lal Basumatary, asked :

267. Will the Minister of Handloom & Textiles be pleased to state :

Then Sir, the next person who is incharge of rural development is the Block Development officer. Now there is a fulfledged senion Block Development officer in my Block. They were earlier all either direct recruits or promoted from Child and Woman Extension officer ? How can these people suddenly control a Block ? It was a total failure, Sir. Therefore, all the officers in my Block had run in to troubles. They do not know how to manage Cash Book-- and how to take fund from the Project Director, and they were misled by the Junior Engineers. Then I placed my position before the Hon'ble Minister and the Hon'ble Minister was kind enough to place the services of a senior BDO in my Block. Now, the senior BDO is not able to work. Why Sir, because he happens to be a tribal. I never asked the Hon'ble Minister to place a tribal senior B.D.O in my Block. But he somehow/managed to place a tribal officer. But there is now a raging controversy, launched by the Jr. BDO, that this senior tribal BDO of my Udalguri Block is gradually going to convert the Block into a tribal officers' place. With this sort of mind how can you work ? This is not good. Then sir, about the Scheduled Caste and Scheduled Tribe MNP Housing scheme. Sir, these schemes were approved about 5 years back and then it was estimated that a sum of Rs. 7,500 plus about 3 thousand will be required for such site improvement, that is to say, a total of approximately Rs. 10 thousand will be required. But what has happened now ? Sir, I have allocated the villages and beneficiaries, and the work has started. But what has happened ? The specifications, the designs, of this Scheme, the Housing Schemes are not suitable for Assam because the plinth is almosa at the level of the ground whereas Assam has heavy rain and the plinth areas must be at least 2 ft. above from the ground level. These schemes were prepared for Bihar and UP where there is less rain and they use mud and earth to erect their wall. This is alright there but these schemes are not suitable for Assam. Then sir, it has been mentioned

also in the specification that split bamboos will be provided for the walls and this split bamboo walls are to be plastered by mud. It does not even have cement and the windows are supposed to be of these split bamboos. Therefore sir, the designs and specifications as approved by the Central Government are not suitable for the people of Assam because of the climatic condition.

So, I would like to request that the Assam DRDA should change the specifications and make such an estimate which is in tune with the climatic condition of the State.

Then secondly sir, I would like to report another thing. Such grants are given to Scheduled Castes also but in my Udalguri Block, 20 Scheduled Caste persons are due to receive this. But what has the BDO done ? The junior BDO posted there had given the entire money to a single person. The entire money for 20 houses was released by the BDO concerned and out of this, only 9 houses were started and a person who was selected for the work is an electrician who has a big shop. This man has diverted the entire fund of this Housing Scheme in his Electric shop and if you constitute an enquiry you will find that in place of 20, houses they have started work in only 9 houses. So, how can the BDO release the entire money, at a time, for the entire scheme without ensuring whether the work has been started or not. So, I would like to request the Hon'ble Minister that he should immediately conduct an enquiry and take necessary action against the responsible officers.

Then sir, about the DRDA school houses. Now-a-days it is raining. The rains have already started. In my Udalguri block, there are about 10 to 20 school houses, partly constructed. During this rainy season there is nothing to cover up there schools. In this connection, I would like to inform the House that on 5th February all the Legislators of Darrang district met together and in that meeting we took a decision that we would try to complete all the work before

28th February and we had taken a resolution that purchases should be allowed at the local level. Now, we do not know what has happened to the resolution. I do not know if the work is finished in the constituency of Sipajhar which is represented by the Chief Whip of the Treasury Banch but in my Block, it did not hold any ground. So, this way in fact the entire rural development work is put in jeopardy. and not only that, many works were started in 1983-84 and 84-85 but were not completed. Therefore sir, if you make a total survey of the DRDA work in Assam you will find that in every scheme, a portion of the work has been done but the entire scheme has not been completed. Therefore, I would request through you that the Government should have a survey, a proper survey whether all the schemes taken under MNRP, RLEGP, have been completed.

Next sir, the Hon'ble Minister knows that work of Udalguri Block was stopped two years back when the papers were seized by the central officials of DRDA but the papers have not yet been released. But sir, why these papers were seized, these papers were seized because there were corruption. Sir, we all know, this Government has repeatedly said that they are against corruption but we have not heard a single officer being punished.

Then sir, about the wood Timber scandal. Sir, we all know that permits have been stopped in forests to the saw mill-owner but there are new tenders at DFO level under the jurisdiction and supervision of the DFO. Why can't this Assam Government requisition the required amount of Government timber from the forests. Why not? What is the idea of taking timber from some other people? We also are getting timber from the forests either through legal or illegal means. But the point is, why the Government is not getting the supply of timber from the forests itself? Because of this system, there is the question of over-charging. There are so much of charge and in fact, sir, in Darrang district the entire DRDA wok is divided.

It is unfortunate that the ruling party MP has complained about the rural development work in the entire district. The legislators then met together to raise a protest against the statement of the MP. Sir, if there is division in the ruling party, we do not know how the DRDA work will be carried on smoothly. Therefore, Sir, there is lot of things to be done in the sphere of DRDA. It is said that the Government is very sincere, honest and beautiful. Then we should put our fingers together on DRDA and work together. Sir, I wanted to criticies and I have criticised the policy of the Government by saying that there should be some changes in acquiring the materials for completion of the DRDA work. We must always keep in mind the climatic condition of the State. The summer has already set in. We do not know when the GCI sheets will be procured and put on the top of the school buildings. If these are not supplied in time, the buildings will collapse. Therefore, I would request the Government to be aware of the problems and hurry up the developmental work.

* শ্ৰীভবেন নাজি : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পঞ্চায়ত মন্ত্ৰী মহোদয়ে ১৯৮৭-৮৮ চনৰ বাবে গ্ৰাম্য উন্নয়নৰ শিতানত যি ৩৮,৫১,৭০,০০০ হাজাৰ টকাৰ দাবী মঞ্জুৰী আনিছে তাত মই পূৰ্ণ সমৰ্থন দিছো আৰু বিৰোধী পক্ষৰ সদস্যসকলে অম্য কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰিছো। আজি অসম তথা ভাৰতৰ শতকৰা ৮০ ভাগ মানুহেই গাৱঁত থাকে। গতিকে গাৱঁৰ উন্নতি কৰিব নোৱাৰিলে অসম তথা ভাৰতৰ কোনো জাতিৰেই উন্নতি হব নোৱাৰে। পঙ্গু হৈ যাব। গতিকে গ্ৰাম উন্নয়ন কেনেকৈ কৰিব পৰা হয় সেইটো প্ৰধান উদ্দেশ্য হব লাগিব। সেই কাৰণে মই অনুৰোধ কৰিছো যে, সদনৰ সকলো সদস্যই যাতে গ্ৰাম উন্নয়নৰ কামত সুচাৰুৰূপে পৰিচালিত কৰিব পাৰে তাৰ বাবে সকলো দিশতে লক্ষ্য ৰাখিব লাগে। গ্ৰাম উন্নয়নৰ শিতানত বহুতো কথা বা কাম কৰিবলগীয়া আছে। এন, আৰ, ই, পি, আৰু দি, আৰ, দি, এৰ আচঁনিত যিবিলাক ৰাষ্টা, স্কুলঘৰ,

* Speech not corrected.

পুখুৰী আৰু সামাজিক বনানিকৰণ কৰিবলৈ লৈছে সেইবিলাক কাম সু-পৰিচালিত ভাবে নকৰিলে কোনো উন্নতি নহ'ব। তাৰোপৰি আমাৰ জলবায়ুৰ কথাও আছে। আমাৰ বাৰিষা আৰু খৰালি হিচাবে বছৰটো দুটা ভাগত ভগাব পাৰি। বাৰিষা ৬ মাহ হয়, আৰু খৰালি ৬ মাহ হয়। বহাগৰ পৰা বাৰিষা বতৰ আৰম্ভ হয়, আৰু আহিন কাতিৰ পৰা খৰালি আৰম্ভ হয়। আহিন কাতি মাহৰ পৰা ফাগুন চ'ত মাহলৈ খৰালি চলি থাকে। কিন্তু আমাৰ সকলোবিলাক আচঁনিৰ টকা আমি মাৰ্চ মাহত পাওঁ। গতিকে এই টকাৰে যাতে আঘোন মাহৰ পৰাই কাম আৰম্ভ কৰিব পৰা হয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। তাৰোপৰি আজি গাৱঁৰ মানুহে দিন হাজিৰা কৰিলে দিনে ১২ টকাকৈ দিয়াৰ কথাটো কেইবাগৰাকী মাননীয় সদস্যই আলোচনা কৰিছে। মোৰ তামুলপুৰ সমষ্টিত এটা আঁচনিত ৬টা ৰাস্তা কৰিবলৈ লোৱা হৈছে আৰু ৮টা পুখুৰী খান্দিবলৈ আৰু ৪০টা বনানীকৰণ কৰিবলৈ লোৱা হৈছে। এই কাম বিলাক একে সময়তে কৰিবলৈ হলে সুচাৰুৰূপে কাম পৰিচালনা কৰিব পাৰিব লাগিব। নহলে বেমেজালী হব আৰু আসোৱাহ ওলাব। মাননীয় সদস্য জয়নাথ শৰ্মাদেৱে কোৱাৰ দৰে আমাৰ ৰাইজৰ মাজত এতিয়াও আগৰ চৰকাৰৰ মনোভাৱ আতৰ হোৱা নাই। কাৰণ দিন হাজিৰা লগাই কোদালৰ পাচত থাকি তদাৰক কৰিবলগা অৱস্থা এতিয়াও বিদ্যমান। বৰ্ত্তমান চৰকাৰে এই মনোভাৱ আতৰ কৰিবৰ কাৰণে চেষ্টা কৰিছে। ইয়াৰ বাবে সকলোৰে সহযোগ লাগিব। এইটো এটা অতি গুৰুত্বপূৰ্ণ কথা। আমি যত্ন কৰিব লাগিব, চেষ্টা কৰিব লাগিব। চৰকাৰী অনুদানেৰে গ্ৰাম্য অঞ্চলৰ উন্নতিৰ বাবে কাম কৰিব লাগিব। আজি আমাৰ মন্ত্ৰী মহোদয়ে যি ৩৮,৫২,৭০,০০০ হাজাৰ টকা মঞ্জুৰী বিচাৰিছে সেইটো গ্ৰহণ হোৱা উচিত আৰু জনজীৱনৰ অভাৱ অভিযোগ বিলাক আতৰ কৰি পিচপৰা অঞ্চলক আগবঢ়াই আনিব লাগিব।

অধ্যক্ষ মহোদয়, আমাৰ যিবিলাক বিষয়া আছে তেওঁলোকেও ৰাইজৰ লগত লগ হৈ সহযোগ কৰি কাম কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু বেচি নকওঁ। মই সকলো সদস্যকে অনুৰোধ কৰো যে আমাৰ পৰিকল্পনাৰ টকা-পইচা বিলাক যাতে ভাল ধৰণে খৰচ কৰা হয়, সেইবিলাক যাতে আমাৰ গাওঁৰ মানুহে ভাল ধৰণে সুবিধা পায় তাৰ কাৰণে সকলো মাননীয় সদস্যই চকু দিব বুলি আশা কৰিলো।

আগৰ চৰকাৰে যিবিলাক স্কুল বান্ধিছিল নখেৰে উভালিলে সকলো চিমেণ্ট উঠি যায়। কাঠ বিলাকো অকাঠি দিছে। কাঠ বিলাক হাতেৰে টানি দিলে এৰাই যায়। ইটা বিলাকো ২ নম্বৰ ৩ নম্বৰ দিছে। এই বিলাক যাতে হবলৈ নাপায় তাৰ কাৰণে আমাৰ বিধায়ক সকলে চকু দিব লাগে। পঞ্চায়ত মন্ত্ৰী ডাঙৰীয়াই কৈছে ৫শ বস্তা চিমেণ্ট পাথৰ হৈ গৈছে, তেখেতৰ লগত মইও গৈছিলো। এইটো কি ঘটি আছে মন্ত্ৰী মহোদয়ে নিশ্চয় জানে। আজি ৪ মাহ হল মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লৈছে, পলম নকৰিব। তামুলপুৰৰ চাউলৰ গোদামত যিমান কেজি চাউল দিব লাগে সিমান দিব পৰা নাই। ১২ টকা দিন হাজিৰা কৰা মানুহক ২/৩ কেজি মাত্ৰ চাউল দিছে। তেওঁলোকে ব্লেক মাৰকেট কৰিব। ভালদৰে চাউল বিতৰণ কৰা নাই। গোদাম গৃহ তালা বন্ধ কৰি থৈছে। কাৰণ তালা বন্ধ কৰাৰ কাৰণ বহুতো আছে। গতিকে এই ব্যৱস্থা চলি থকা দেখিবলৈ পোৱা গৈছে আৰু দেখা যায় এন. আৰ. পি স্কীমত যিবিলাক গছ পুলি ৰুইছিলে সেইবিলাকত গছ পুলি নাই। ফেনচিং উঠাই লৈ গৈছে। কৰবাত ৭ হেজাৰ ৮ হেজাৰ লিষ্টত পাইছিলো কিন্তু স্পষ্টত গলে দেখা যায় সেইবিলাক সম্পূৰ্ণ কাম হোৱা নাই। গতিকে অফিচাৰ বিলাকে যুদ্ধদেহি মনোভাৱ লৈ কাম নকৰে আৰু ভাবিছে যে এ. জি. পি চৰকাৰ কেতিয়া ভাগি যায়? আমাৰ কংগ্ৰেছ চৰকাৰৰ দিনৰ নিচিনাকৈ যাতে কাম বিলাকত লেনা-দেনা চলি থাকে তেওঁলোকে তাকে বিচাৰে। এইখিনিতে মোৰ এটা সাধুলৈ মনত পৰিছে, এজন ৰজাৰ এটা লক্ষী মন্দিৰ আছিল। সেই মন্দিৰ সময়মতে খোলে আৰু সময়মতে বন্ধ হয়। এজন সদাগৰে বাণিজ্যলৈ যাওঁতে সেই মন্দিৰত সেৱা কৰিবলৈ বিচাৰিলে। কাৰণ বাণিজ্যই বসতি লক্ষী। তেতিয়া লক্ষী পূজা বন্ধ আছিল। চকিদাৰে দুৱাৰত তলা মাৰি থৈছে। ৰজাৰ হুকুম নহলে তলা খুলিব নোৱাৰে। সদাগৰে চকিদাৰক একলাখ সোনৰ মোহৰ দিয়াত মন্দিৰৰ দুৱাৰ খুলি দিয়া হল। ৰজাই চকিদাৰক মাতি কৈফিয়ত তলব কৰিলে, মন্দিৰৰ দুৱাৰ কিয় খুলি দিলা। চকিদাৰে কলে মহাৰাজ আপুনি প্ৰাৰ্থনা কৰিবলৈহে মন্দিৰলৈ যায়। কিন্তু সদাগৰ আহি মোৰ হাতত স্বয়ং লক্ষী মাহি উপস্থিত হৈছেহি। গতিকে আমি বিধায়ক সকলে যে দুৰ্নীতি নকৰো তেতিয়া হলে বিষয়া সকলেও যাতে সেইবিলাকত লিপ্ত হব নোৱাৰে তালৈ লক্ষ্য ৰাখিব লাগিব। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Abdul Muhib Mazumdar : Mr. Speaker, sir, I take my stand here to support the Cut Motion for this grant no. 57. By this grant the Panchayat Minister is to get about Rs. 38 crores. I don't think that he will be richer because there are other grants where there are abont 113 crores or so and in Education we have given 287 crores. But, sir, the Panchayat Minister gets only 38 crores and we have given the proposal to the Rural Development Minister that the entire amount to be reduced to Re. 1 our proposal is that he should be given only one rupee and should be made poor. Sir, as has been said by other Hon'ble Members of the House, the Rural Development embraces 80% of the population and, as a matter of fact, in Assam, possibly more than 80% of the population. So the emphasis should be on the Rural Development. Unless and until we gear up our action for the upliftment of the rural areas and for people living in rural areas rural development will not be possible. Sir, for the purpose of getting results in any action that we take there must be two asptcts; firstly, the policy and principle on the basis of which we are going to work ; That policy must be correct. Secondly the question of implementation. Now some of the Hon'ble Members of both sides of the House have brought before you the snags and difficulties that have been experienced by us in the implementation. So these two aspects viz. policy aspect and the implementation aspect In regard to policy aspect, sir, I should like to say that the entire policy, the entire approach particularly after the present government came into power, the entire approach has run into difficulties and the rural development programme is now in shamble. Why I say so sir ? The basis of rural development must be tne Panchayat. When this Government came to power, the earlier adhoc bodies of Panchayats were dissolved and we were assured of panchayat elections in near future but no panchayat elections have been held. At the same time government could not come up with any Adhoc bodies ; if you cannot hold elections you go for adhoc

bodies then ; but the Panchayat Minister has not got the courage to do so. That is the first snag. Secondly it is organisational snag. At the B.L.C.C. i.e. Block Level Co-ordination Committee which include M.L.As of the area as its Members ; at some B.L.C.Cs some M L·As are made Chairmen of the B.L.C.Cs. At the B.L.C.C. level, we are to give certain schemes to be taken up. certain items of development work to be taken up by Government for rural upliftment. This B.L.C.C. should be held high as it consists of M.L.As. the representives of the people, but then what happens to their decisions ? After some schemes recommended by the B.L C.C , these go to the next body, i.e. the Steering Committee. This Steering Committee consists of some government officers and at the Steering Committee level they can alter or modify of even cancel the schemes suggested by the M.L.As. at BLCC level. This is how whatever authority is supposed to be exercised by M.L.As. at the B.L.C.C. level for rural development has been done away with by the officers committee, i.e. Steering Committee.

Next is the D.R D.A. Now sir, here is a simple question. the Panchayats being absent there should have been adhoc bodies. Now neither the panchayats elections are held and panchayats formed nor they go in forming adhoc bodies. In the absence of panchayat bodies who are to represent the people ? They are the Members of the Legislature who are represented on the different B.L.C.Cs. at that level, but their suggestions and recommendations are not final. These may be altered or modified and so on, but unfortunately the M.L.As are not represented on the Steering Committees which bodies have the power to control, to alter and modify the BLCC recommendations. Sir this policy is not correct, and if this is not correct them the entire programme of rural development becomes wrong and we cannot make any progress in the implementation of the programme. Now after the B.L.C.C's deeisions are sent to the Steering Committees which have the power to alter or modify or cancel some of the itmes, and by time they pass through the Steering Committees

or in the governing bodies and final schemes are communicated to the Project Dirtctors and then the process starts for procuring various materials required for implementing those schems and by the time the materials reach the spot, the year is already drawing to a close and the funds remain unutilised. This year also, we are drawing attention of the Hon'ble Minister, Rural Development to the fact that unless the corrects the process the money that has been given to him for the different schemes of rural development will go into lapse and he would not be able to spend the entire money by 31st March. We will not be able to spend by 31st March. Sir these are the different aspects. So I beg to place before the Hon'ble Minister that he will immediately correct the policy in this regard. Otherwis implementation cannot be done. If the policy is wrong and there are serious sn. gs which have been brought to the notice of the House, unless these are removed, I am afraid sir, rural development programme will immensely suffer. Unless people's represemtatives are associated at the Steering Committee level or the governing Body level also, rural programme cannot be hastened up I offerred one suggestions to the Hon'ble Chief Minister when I met him some time ago Sir, my own experience as the Chairman of a B.L.C.C. at one time has not been a happy one. At present all the construction work, all the development works generally are performed by officers drawn from their parent departments like P.W D., Flood Control etc. This has again resulted in difficulties. The implementation agency has no control over them. Again with a view to making the rural development programme successful there has to be a strong infra-structure, but that is not available at the Block level. At that level it does not have the organisational or technical infra-structure to implement these works. So I gave suggestion that instead of drawing officers from P.W.D. or other parent departments, why not we develop that infrastructure at the subdivisonal level under Panchayat & Rural Dev. Department. Then then B.D.Os. can exercise control

in the matter of implementation fo work. As we know the entire control is practicaly left to the B. D. Os. Here also the Government has created a lot of trouble. When the services of the new B.D.Os. were terminated they went to the court and get an order of stay. Then there has been some other directions and they went to the Supreme Court. Now I would like to ask a simple question. If the officers are handled in this way by the Government and they are to go to the courts for redress, are they going to help implemention of the rural programme ? Will they do so ? They have to remain engage with the fight for survival. How can they think of implementation of works and spending a fund of 38 crores of rupees ? Then how are you going to implement ? So if the implementing agency is not set in motion, all our effort at every level for implementation will be set at naught.

Sir, I would like to bring several other matters to the notice of the Government. Some Hon'ble Members have spoken about corruption. Some of the A G.P Members of the treasury bench have also spoken about it. Sir, these things would be there. They were always there, but I believe with proper check and vigilance and possibly all the Hon'ble Members of the Legislature being more agile and active; these may be reduced if not stopped. But there is another difficulty at the implementation level. That is regarding procurement of materials required. We have heard that timbers, cement, bricks and such other materials are procured generally by contractors or panchayat or other bodies or by the Project Directors and they get delayed. Secondly and particularly the timber required for projects like construction of school building. I understand the Forest Department dose not give permit for timbers. If that is so, how these bodies are going to get the required timbers ? They have possibly to go to black market or some other sources for timbers. Then possibly D.F.O. gets hold of all the timber thus collected and does not release them

These are the implementative difficulties. Unless the Department look into the matter, first into the policy-that is to say once the schemes are decided there should not be any hindrance put by any other committee like Steering Committee or the D.R.D.A. We the M L.As are represented on the B.L.C.Cs and we represent the people who elected us as their representatives, we decide what scheme has to be taken up for rural development, and it does not look nice that an officer,s committee sit over us and try to alter or modify or cancel our suggested schemes. It is a question of principle He·e, I would urge upon the Government to think over it that in both the bodies either the M L.As should not be included as its members or the M.L.As who are taken as the Chairman of B.L.C.Cs, who are answerable to the people who elected them should be regarded a deciding body. Why should an officer who has never gone over there or who has temporarily gone there be given the power of giving judgement over the decision taken by the elected bodies. An officer who has never seen Assam, as for example, the S.D O., Hailakandi who is a young officer, is used to give judgement over the decision of the B.L.C.C. This particular idea is not correct. Is it a proper policy to be adopted ? Sir, this policy has to be changed. Otherwise, there will be either no progress or little progress in the rural development programmes. I draw the attentien of the Government to find out what are the implementing difficulties that we are facing We are facing difficulties about the honetsy of the officers, as one of the Members has pointed out, about the supply of materials The member has said about rotten bricks and none use of cement and all these things can be checked only if the implementing machinery is made stronger than what it is today. Now there are senior B.D.Os who are appointed by Government and there are again junior B.D.Os who want to take charge from the Senior ones, but as the Jonior ones have gone to the High Court, they refused to give charge. Subsequently, the rural

work have Sufferred greatly, because the senior B.D.Os are sitting quiet. This should be solved as early as possible. This is my humble submission. With these words I propose that the Minister, Rural Development should be given only rupee one and not a penny more.

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আজি যি সকল মাননীয় সদস্যই গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে উত্থাপন কৰা দাবী মঞ্জুৰীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ বিৰোধীতা কৰি মই কেইটামান অৱ-জাৰভেচন দাঙি ধৰিব খুজিছোঁ। প্ৰথম কথাটো হ'ল যে গ্ৰাম্য উন্নয়নত যদি এনে ব্যৱস্থা থাকিলহেতেন যে কৰ্ত্তন প্ৰস্তাৱৰ বিৰুদ্ধে এডিটিভ লাইনত কিবা প্ৰস্তাৱ দিব পৰা ব্যৱস্থা থাকিলহেতেন, তেনেহলে গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে যিমান টকা ধৰিছে মই তাৰ আৰু দুগুণ বেছি ধৰিব লাগে বুলি কলোহেঁতেন। আনকি কৰ্ত্তন প্ৰস্তাৱ দাঙি ধৰা এজন মাননীয় সদস্যইয়ো কৈছে যে ইয়াত টকা কম হৈছে। এজন নহয় দুজনে কৈছে এই কথা। এতিয়া প্ৰশ্নটো হ'ল গ্ৰাম্য উন্নয়নত ৩৮ কোটি টকাৰ দাবী আনিছে। আচলতে গ্ৰাম্য উন্নয়নৰ কাৰণে প্লেনৰ টকাখিনি কামত খৰচ কৰিব লাগে। এতিয়া প্লেনৰ টকা কিমান এল'ট হৈছে? ৰূৰেল ডেভেলেপমেণ্টত ২২ কোটি ৮৮ লাখ টকা এইবাৰৰ পৰিকল্পনাত ধৰা হৈছে। এইটো বাৰ্ষিক পৰিকল্পনাত ধৰা টকা। ৭ কোটি পঞ্চায়তত আৰু ১৫ কোটি ৮৮ লাখ টকা ৰূৰেল ডেভেলা-পমেণ্টৰ কাৰণে ব্যৱহাৰ হব। এতিয়া প্ৰশ্নটো হৈছে গ্ৰাম্য উন্নয়নৰ কম্প উণ্ড এৰিয়াত পোনপটীয়া ভাৱে কিমান লৈ আছে মই তাৰ এখন লিষ্ট সদনত ৰাখিম। প্ৰথম কথাটো—Some illustrative list of schemes which may be taken up under IRDP Deptt. of Rural Development, Ministry of Rural Development, Government of India A manual of Integrated Rural Development and allied programmes individual beneficiary schemes individual minor irrigation, drainage common area development projects water supply, agricultural implements, agricultural inputs land development or soil conservation, poultry farm, fishery development, horticulture, Sericulture farm, forestry, commercial forestry, rural industry and artisan programmes যাৰবাৰে total 18 programmes DRDA, integrated area Development

programmes block level infrastructure fund allocation. ইয়াত মাত্ৰ ৮ কোটি ৪৫ লাখ টকা ধৰা হৈছে। এন, আৰ. ই. পিত ৪ কোটি ৮২ লাখ ধৰা হৈছে আৰু আ, এল, ই, জি, পিটো সম্পূৰ্ণ কেন্দ্ৰীয় চৰকাৰৰ অধীনত। লেণ্ড ৰিফৰ্মচৰ কাৰণে ২ কোটি ৩০ লাখ টকা দিছে। এতিয়া প্ৰশ্নটো হ'ল আৰ. এল, ই, জি, পিৰ শতকৰা ১০০ ভাগেই কেন্দ্ৰই দিয়ে। এন, আৰ, পিত শতকৰা ৫০ ভাগ দিয়ে। যদি আমাৰ ফালৰ পৰা ৪ কোটি ধৰা হয় তেতিয়া হলে এন, আৰ, ই, পিত কেন্দ্ৰইও ৪ কোটি দিব। আমাৰ ফালৰ পৰা ২০ কোটি ধৰিলে কেন্দ্ৰইও ২০ কোটি দিব। এতিয়া আমি কিয় ৫০ বা ১০০ কোটি ধৰিব নোৱাৰো? কাৰণ হৈছে যে আমাৰ ডি. আৰ. ডি এ যেতিয়াৰ পৰা মানে ১৯৮৩ চনৰ পৰা লোৱা যিটো চিষ্টেম তাত কিছু ভুল আছে। এতিয়া কথা হল ভুলটো কি—What is the reason behind that Policy. আই, আৰ, ডি. পিত আমি কি কি লব পাৰো? মই এখন মেনুৱেল পাইছোঁ যি খন কেন্দ্ৰীয় মন্ত্ৰনালয়ে প্ৰকাশ কৰিছে। তাত এটা কথা লিখিছে ইণ্ডিভিজুৱেল বেনিফিচীয়েৰীৰ কাৰণ কি কি আচনি লব পাৰি? মন্ত্ৰনালয়ৰ প্ৰতি প্লেনমতে আমাৰ এৰিয়া ডেভেলাপমেণ্ট প্লেন আউট লাইনমতে পানী যোগান আচনি. এগ্ৰি-কালচাৰেল ইম্‌পিউটচ যোগান ধৰিব পাৰে, লেণ্ড ডেভেলাপ কৰিব পাৰে, চইল কনজাৰভেচন কৰিব পাৰে, ডায়েৰী ডেভেলাপমেণ্ট ফিচাৰী ডেভেলাপ-মেণ্ট পলট্ৰী ফাৰ্ম. হৰ্‌টিকাল্‌চাৰ, চেৰীকালচাৰ ফাৰ্ম, খুলিব পাৰে. ফৰেষ্ট কনজিউমাৰচ্‌ কৰিব পাৰে, এইবোৰৰ কাৰণে চাবচিডীৰ ব্যৱস্থা কৰিব পাৰে। তাৰ কাৰণে মাৰ্কেটিং চাৰ্ভিচো খুলিব পাৰে। কিন্তু তাৰ কাৰণে আমি একেলগে গাওঁলৈ নাযাওঁ কিয়? ইন্টিগ্ৰেটেড ৰূৰেল ডেভেলাপমেণ্টৰ কাৰণে আমি লক্ষ্য স্থিৰ কৰি এখন গাওঁলৈ কেতিয়াবা গৈছোনে এই আঁচনিৰ আৰম্ভণিৰে পৰা? কেতিয়াও গাৱঁলৈ যোৱা নাই। নোযোৱাৰ কাৰণ কি? আমি আচলতে যি পলিচী এডপ্ত কৰিব লাগিছিল সেই ধৰণ লব পৰা নাই কিয়? আচলতে আমি গাওঁৰ কথা চিন্তা কৰাই নাই। ৰাজনৈতিক চিন্তা চৰ্চা বাদ দি গ্ৰাম্য উন্নয়নৰ চিন্তা কৰা উচিত। অকল বক্তৃতা দি থাকিলেই উন্নয়ন নহয়। আচলতে আমি নিৰ্বাচনৰ সময়ত আমি সকলোৱে আমাৰ পলিটিকেল এম্বিচেন পুৰাবৰ কাৰণেই গাওঁলৈ যাওঁ। কিন্তু সুসংহত আঁচনিৰ কথা কোনো দিন চিন্তা কৰা নাই। গতিকে আমাৰ এ, জি, পি চৰকাৰ অহাৰ পিচত চৰকাৰৰ যি ভুল-ত্ৰুটী আছে সেইবোৰ সমালোচনা কৰাতকৈ আমি নতুনকৈ কিবা পলিচী লব পাৰি নেকি সেই বিষয়ে আলোচনা কৰোঁ আহক।

প্ৰথম কথা হ'ল যে আই. আৰ, ডি, পিত যি বিলাক ইন্‌ফ্ৰাষ্টাক্‌চাৰ আছে সেই বিলাক ডেভেলাপ কৰিব লাগিব। যি বিলাক টকা দিয়া হয় গোটেই বিলাক ব্লকৰ জৰিয়তেহে দিয়া যায়। ফাণ্ড এলটমেট কৰা হয় ব্লক লেভেলত। উদাহৰণ হিচাপে কওঁ মোৰ আৰ এল, ই, জি, পিত দুটাকৈ ৰাস্তা আহিছে। আগতে ইয়াত ৩ লাখ ৫০ হাজাৰ টকা দিয়া হৈছিল কিন্তু এতিয়া ৭ লাখ ৫০ হাজাৰ পৰ্য্যন্ত দিয়া হৈছে। এতিয়া আৰ, এল, ই, জি, পিত দুটাকৈ ৰাস্তা দিছে আৰু ৫ খনকৈ স্কুল দিছে। হৰি লৈছোঁ অসমত ১৩৫ টা ব্লক আছে কিন্তু যদি আমাৰ ব্লক ২৭০ টা বা ৩৭০ টা থাকিলহেতেন তেতিয়া হলে আৰ, এল, ই, জি, পিত আৰু টকা আমি আনিব পাৰিলোহেতেন। কাৰণ তাত আৰু দুটাকৈ ৰাস্তা আৰু ৫ খনকৈ স্কুল বাঢ়ি গলহেতেন। মই এন, আৰ, ই, পিত কেনেকৈ টকা ভগাই সেই ফৰ্মূলাটো বিচাৰি পোৱা নাই।

অধ্যক্ষ মহোদয়, মই এটা উদাহৰণ দিও ১৯৮৪-৮৫ চনত ব্লকওৱাইজ স্কুল লোৱা হৈছিল এনেদৰে কমলপুৰ ব্লকত লোৱা হৈছিল—১ খন, মোৰ সমষ্টি ছিপাঝাৰত আৰু এখনো নাই, ওডালগুৰিত লোৱা হৈছিল—৭ খন হাইলাকান্দিত লোৱা হৈছিল—১০ খন, কিন্তু কিয় ? কিয় এনে বৈষম্যমূলক ভাবে লোৱা হ'ল ?

মই আৰু এটা উদাহৰণ দিও এন, আৰ, ই, পি আচনিৰ যোগে কোনো কোনো সমষ্টিত দুই এখন গাওঁ পঞ্চায়তে কিছু টকা পাইছে। কিন্তু দৰং জিলাৰ সোমাজত অৱস্থিত সৰাবাৰী গাওঁ পঞ্চায়ত আছে। ভাগ্যক্ৰমে এই অঞ্চলটো মোৰ সমষ্টিৰ ভিতৰত পৰে কিন্তু মই এম, এল, এ হোৱাৰ পিচত ডি, আৰ, ডি, এৰ যোগেদি ৫ পইচাও পোৱা নাই। দলগাওঁ আৰু ওডালগুৰিত কিমান টকা দিছে ? ৮ম বিত্তীয় আয়োগে ডি, আৰ, ডি, এ যোগেদি স্কুল বনাবৰ কাৰণে টকা দিয়ে। কাছাৰৰ নৰসিংপুৰ ব্লকত এনে আঁচনিৰ দ্বাৰা ১৭ খন স্কুল লোৱা হৈছে, কিন্তু ছিপাঝাৰত মাত্ৰ ৩ খনহে লোৱা হ'ল কিয় ? এতিয়া ৮ম বিত্তীয় আয়োগৰ দ্বাৰা প্ৰতি সমষ্টিত ১২ খনকৈ স্কুল লোৱাৰ ব্যৱস্থা কৰা হৈছে—কিন্তু এতিয়াও ইয়াত সমালোচনা কৰা হৈছে, কিয় ? অধ্যক্ষ মহোদয়, সমালোচনা হব লাগে কিন্তু সৃষ্টিমূলক ভাবে হব লাগে কৰিব লাগে। ছিপাঝাৰ সমষ্টিৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰে, দুখীয়া কৃষক সকলে কি দোষ কৰিছে যে এন, আৰ, ই, পিৰ টাৰ্গেটৰ পৰা তেওঁলোকক বঞ্চিত কৰা হৈছে ? যি সকল কৃষকৰ মাটি ৫ একৰ বা তাৰ কম মাটি থাকে তেওঁলোকক স্মল

ফাৰমাৰ বুলি কোৱা হয়, আঢ়ৈ একৰ বা তাৰ কম মাটি থকা লোকক ( Marginal farmer or agriculturel labour ) মাৰ্জিনেল ফাৰমাৰ বা এগ্ৰিকালচাৰেল লেবাৰ হিচাবে ভাগ কৰা হৈছে। এই ( target ) টাৰ্গেটৰ পৰা দুখীয়া লোক সকলক কিয় বাদ দিয়া হ'ল? ১৯৮৩ চনত যিবোৰ ঠাইত নিৰ্বাচন হোৱা নাছিল সেইবোৰ ঠাইত দুখীয়া কৃষক নাছিল নেকি? এই গোটেই বিষয়টো দোষনীয় হৈ পৰিছে। অধ্যক্ষ মহোদয়, আমাৰ দুখীয়া গাওঁবোৰৰ উন্নতি সাধন কৰি লৈ হলে আমি এক ( Integrated approach ) ইন্টিগ্ৰেটেড এপ্ৰোচ'ৰ যোগেদি আগবাঢ়িব লাগিব। গোটেই আঁচনিবোৰ এখন গাওঁ পঞ্চায়তৰ অন্তৰ্গত এখন গাওঁক ইউনিট হিচাবে লৈ ইমপ্লিমেণ্ট কৰি চাব লাগে। আমাৰ ১২৬ টা সমষ্টিৰ প্ৰত্যেকৰে একোখন গাওঁ পঞ্চায়ত লওক, এই গাওঁ পঞ্চায়তৰ গোটেই এৰিয়াত ( Rural Development ) ৰুৰেল ডেভেলেপমেণ্টৰ আঁচনিবোৰ প্ৰয়োগ কৰা হওক আৰু চোৱা যাওঁক সেই গাঁৱৰ উন্নয়ন হয়নে নহয় আৰু কিদৰে হয়। এনেকৈ কৰিলে ১০ বছৰৰ ভিতৰত গোটেই অসমৰ সকলোবোৰ গাওঁ পঞ্চায়ত একেকো আদৰ্শ গাওঁ হিচাবে গঢ় লৈ উঠিব। ৰুৰেল ডেভেলেপমেণ্টৰ চৰকাৰী আঁচনিবোৰ সুন্দৰ ভাবে কাৰ্যকৰী কৰাৰ কাৰণে প্ৰথম ষ্টেপ হিচাবে আমি এইদৰে আগবাঢ়িব লাগে।

অধ্যক্ষ মহোদয়, আজি এটা কথা খুজিছো, এজন দুখীয়া খেতিয়কে আই, আৰ, ডি, পি যোগেদি গৰু কিনাৰ বাবে ঋণ লবৰ কাৰণে বহুদূৰ বাট ব্লকলৈ আহিব লাগে। মই জনাত কলাগাঁৱৰ বালুংগড় গাওঁৰ লোক এজনে এনে কামৰ কাৰণে মুখ্য কাৰ্যালয়লৈ আহিবলৈ হলে ১৮ মাইল ৰাস্তা বাছত আহিবলৈকো হয়তো মানুহজনৰ পইচা নাথাকিব পাৰে। তেওঁ যদি হাজিৰা কৰি খোৱা মানুহ আছিল তেন্তে তেওঁৰ দিনটোৰ হাজিৰাও মৰা পৰিব। তাতে এখন আবেদনৰ কাৰণে এজন লোকে বহুবাৰ ঘূৰ-মেলা কৰিব লাগে সেয়ে তেওঁ ব্লকলৈ আহিবলৈকে বাদ দিয়ে। আজি গোটেই অসমত আই, আৰ, ডি, পিৰ দৰখাস্ত বিভিন্ন বেংকত ২০ হেজাৰতকৈও অধিক এতিয়াও পৰি আছে। ব্লকে পাছ কৰিছে কিন্তু বেংকে টকা দিয়া নাই। মোৰ দৰং জিলাতে ছিপাঝাৰত—৪০০ খন, কলাইগাওঁত—৫০০ খন দৰখাস্ত পৰি আছে। বাকীবোৰ অঞ্চলৰ তথ্য অৱশ্যে মোৰ হাতত এতিয়া নাই। এইদৰে গোটেই অসমতে দুখীয়া কৃষক সকলে গ্ৰাম্য উন্নয়ন বিভাগৰ

জৰিয়তে সাহাৰ্য্যৰ বাবে কৰা দৰখাস্ত সমূহ বিভিন্ন বেংকত পৰি আছে। এতিয়া কথা হ'ল বেংকক আমি নিয়ন্ত্ৰণ কৰিব পাৰোনে নোৱাৰো। পোনপটীয়া ভাবে অৱশ্যে নোৱাৰো। কিন্তু এই বিষয়ত চৰকাৰৰ ফালৰ পৰা এক উদ্যোগ লৈ যিমান বেংকত তৃথীয় লোকে গ্ৰাম্য উন্নয়নৰ জৰিয়তে কিছুমান আঁচনিৰ কাৰণে আবেদন কৰিছে, সেই বেংক সমূহে সময়মতে ঋণ দিয়াৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে প্ৰচেষ্টা হাতত লব পাৰে প্ৰয়োজন হলে ইয়াৰ কাৰণে বেংকৰ বিষয়া সকলৰ লগত গ্ৰাম্য উন্নয়নৰ বিষয়া সকল মাহত এবাৰকৈ হলেও আলোচনা কৰাৰ ব্যৱস্থা কৰক। গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত গাওঁৰ মানুহখিনিক বিভিন্ন ক্ষেত্ৰত কিদৰে উপকাৰ কৰিব পৰা যায় তাৰ ৰণকৌশল কি হব এইবোৰ বিশদ ভাবে আলোচনা কৰক।

অধ্যক্ষ মহোদয়, ব্লকত যিবোৰ বি, এল, চি, চি কমিটি আছে তেওঁলোকে আঁচনিবোৰৰ কাম হাতত লয়। কিন্তু এই আঁচনিবোৰৰ কাম কেনেদৰে হয় মই নিজে বিধায়ক হিচাবে দেখিছো। এখন গাওঁৰ এটা ৰাস্তা এন, আৰ, ই, পিৰ আন্দাৰত লোৱা হ'ল মাত্ৰ ৩ মিটাৰৰ বাস্তা। কিন্তু তাৰ কাম হৈছে মাত্ৰ ২ কিঃ মিঃ বা ১ কিঃ মিঃ হোৱা নাই। পিচত গম লৈ জানিব পাৰিলো যে বি, এল, চি চি, য়ে গোটেই ৰাস্তাটোৰ কাৰণে এষ্টিমেট দিছে কিন্তু (Steering Committee) ষ্টিয়েৰিং কমিটিয়ে টকা ভাগ কৰোতে সেই মতেই দিছে— সেয়ে ২ কিঃ মিঃ ৰাস্তাৰ কামহে হৈছে।

অধ্যক্ষ মহোদয়, বি, এল, চি, চি মিটিঙত সেই ৰাস্তা লব বুলি কৈছে। ষ্টিয়াৰিং কমিটিৰ মিটিঙত সেই ৰাস্তাৰ টকা ভাগ কৰি দিছে। ষ্টিয়াৰিঙ কমিটিত সেই টকা চেপাৰেট কৰা নাই। ৰাস্তাৰ নামত ৩ লাখ টকাৰ ইষ্টিমেট আছে। কিন্তু ষ্টিয়াৰিং কমিটিয়ে পাছ কৰিছে ১ লাখ টকা। গাওঁবোৰত এক লাখ টকাৰে ৰাস্তা নহয়। কাৰণ যত তিনি লাখ টকাৰ প্ৰয়োজন তাত এক লাখ টকাৰে নহয়। এইবাৰ ছিপাঝাৰ ব্লকত এটা সাংঘাটিক পৰীক্ষা চলোৱা হ'ল দুই লাখ টকা মঞ্জুৰ কৰা হৈছে। তাত ৰাস্তা দুই কিলোমিটাৰ হব লাগিব। তেওঁলোকে হিচাব কৰে যে দৰমহা ইমান পাব, চাউল ইমানখিনি পাব। গাওঁত দেখিছো যে অসমীয়া খিলঞ্জীয়া মানুহে নিজৰ খেতি পথাৰত কাম কৰে গতিকে দিন হাজিৰা কৰিবলৈ অসুবিধা পায়। তেতিয়া এটা ব্যৱস্থা কৰা হ'ল যে এজন মানুহে দৈনিক কাম কৰি কিমান মাটি কাটিব পাৰে। তেওঁ ১ শ ঘন ফুট কাটিব পাৰে। তেতিয়া হলে তেওঁক ১ শৰ দাম দিয়া হওক। এজনক চাৰে বাৰ টকা দিয়া হয়। যদি দুগুণ মাটি কাটে তেতিয়া হলে তেওঁক ২৫ টকা দিয়া হওক দহু জনৰ টকা এজনকে দিয়া হওঁক।

অধ্যক্ষ মহোদয়, বুনমজা ছাত্র সন্থাৰ শিতানত মাত্র দুই লাখ টকা আছিল এই নিমিত্তে ৬ লাখ কৰিছিল। ছাত্র সকলৰ উদ্যোগত এম, এন. পিৰ আঁচনি কৰা হ'ল। পিচত প্ৰমাণ হ'ল যে অফিচাৰ সকলে কিছু হেৰফেৰ কৰি ৰাখে। এইটো আপোনালোকে উপলব্ধি কৰক। গাওঁৰ মানুহে বৰ্ত্তমান দিনত কাম নকৰে। অসমীয়া মানুহে দিনত খেতি পথাৰ এৰি হাজিৰা কাম কৰিব নাহে। তেওঁলোকে দিনতে বা ৰাতিয়েই নৰবক কিয় এটা এপ্ৰোচ দিয়ক। তেওঁ ইমানখিনি কাম কৰিব লাগিব, ইমানখিনি কামত ইমানখিনি পাব। প্ৰকৃতাৰ্থত তেওঁলোকে যাতে পইচা পায় তাৰ কাৰণে ( Strict observation ) ষ্ট্ৰিক অবচাৰভেচনৰ ব্যৱস্থা কৰক। যদি এইটো কৰা হয় তেতিয়া হলে দেখা যায় যে তাক উন্নত কৰিব পাৰিম।

অধ্যক্ষ মহোদয়, মেটেৰিয়েলচ সম্পৰ্কে মই কব খুজিছো। ( Sub standard ) চাব ষ্টেণ্ডাৰত বিভিন্ন ঠাইত দিয়া দেখা পাইছো। দৰং জিলাত কৰবাত স্কুলত দেখিছো শিমলু কাঠকে ( First class wood ) শাল বুলি লগাই দিছে। কোৱা হ'ল যে আৰ, এল, জি, পি যোগে স্কুল ঘৰ বনাই দিয়া হৈছে। কিন্তু সেই গোটেই ঘৰ ভাঙিব লাগিব। ১৯৮৫ চনলৈ এনকুৱাৰী কৰি যি সকলে এই কাম কৰিছে, সেই সকল বি, ডি, ওৰ চাকৰি খেদিব লাগিব। আমাৰ চৰকাৰৰ ৰাজ্যিক ইণ্ডাষ্ট্ৰী মিনিষ্টাৰ শ্ৰীৰামেন কলিতাৰ সমষ্টিত তিনি লাখ টকাৰ হেৰফেৰ হৈছে। মই বিডিও জনৰ নামটো কব খোজা নাই। গতিকে থ্ৰি এফত যিজন বি, ডি, ও নিযুক্তি দিয়া হৈছিল তাক বাতিল কৰিব লাগে। কাৰণ জুনিয়ৰ বি, ডি, ও, জনে এই কাম কৰিছে। যি শিমলু গছৰ কাঠ দিয়া হয় তাক তেওঁলোকে এটা টেকনিকেল নাম দিয়ে যে জীয়া কাঠ। গতিকে এই গোটেই কথাটো আতৰ কৰিবৰ কাৰণে (B.L.C.C.) বি, এল, চি, চিৰ সভাপতি, যি সকলে সামগ্ৰিক ভাবে উন্নয়ন কৰিব বিচাৰিছে, সেই সকল চোকা পহৰাদাৰ হব লাগিব। যোৱা ৩০ বছৰে তেওঁলোকে অভ্যস্থ হৈছে। গতিকে আমি তেওঁলোকক আতৰাই অনাটো নিশ্চয় কষ্টদায়ক হব। ব্লক অফিচত মানুহে আহি দৰখাস্ত দিয়াতো অসুবিধা হয়। গ্ৰামসেৱক সকল আছে। তেওঁলোকে ( Target group ) টাৰ্গেট গ্ৰুপ কৰি কোন কোন মানুহ চিলেক্ট কৰিব লাগে গ্ৰামসেৱক সকলে দৰখাস্ত-বোৰ লৈ আহিব পাৰে। তেওঁলোকে ফৰ্মবোৰ ফিলাপ কৰিব লাগে। তাৰ কাৰণে এটা ( Special cell ) স্পেচিয়েল চেল বনাব লাগে। গ্ৰাম সেৱক সকলে কি কি কাম কৰিছে, তেওঁলোকে ফিল্ডত কাম কৰে নে নাই এই সকলে

আৰু ব্লকৰ ( Technical overseer ) টেকনিকেল অভাৰচিয়াৰ সকলৰ কাম নিয়ন্ত্ৰণ কৰাৰ কাৰণে এটা পলিচি কৰিব লাগে। মই বি, ডি, ও সকলক আলোচনা সমালোচনা কৰা নাই। মাত্ৰ গ্ৰাম সেৱক অফিচাৰ সকলক নিয়ন্ত্ৰণ কৰিবৰ কাৰণে এটা পলিচি কৰিব লাগে বুলিহে কৈছো। সেওঁলোকক দৰমহা দি পুহি ৰখা হৈছে। যি সকলক দৰমহা দি পুহি ৰখা হৈছে, সেই সকলে দৰখাস্তবোৰ লৈ আহিব, বেংকত টকা দিলে নে নাই সেইবোৰ চাব। এই সকলে আমাৰ চৰকাৰে ব্যৱস্থা লওঁক। বোধহয় এতিয়ালৈ বেংকৰ পৰা নিৰ্দ্দেশ দিয়া নাই।

অধ্যক্ষ মহোদয়, ছোচিয়েল ফৰেষ্টৰ কথা কওঁ। ইয়াত ( Integrated Rural Development manual ) ইনটিগ্ৰেটেড ৰুৰেল ডেভেলেপমেণ্টত মেন্সুৱেল আছে। সেইমতে কমাৰচিয়েল কিবা আঁচনি আছে নেকি তাৰ কথা মকওঁ। এই ক্ষেত্ৰত ৰুৰেল বিভাগৰ কথা আছে।

অধ্যক্ষ মহোদয়, এইবাৰ ( Land reform ) লেণ্ড ৰিফৰ্মৰ কাৰণে যথেষ্ট টকা ধৰা হৈছে। ২ কোটি ৩০ লাখ টকা লেণ্ড ৰিফৰ্মৰ কাৰণে লোৱা হৈছে। এই টকা কোন কোন ব্লকত কিমান দিয়া হৈছে। দৰং জিলাত একো পইচা খৰছ হোৱা নাই। কমলপুৰতো এক পইচা খৰচ হোৱা নাই। তেনেকৈ ছিপাঝাৰ, মাজবাট, কলাইগাওঁ, ওডালগুৰি আদিত পইচা খৰচ হোৱা নাই। আৰ এল, ই, জি, পি, এম, এন, পি, আদিত অন্যান্য প্ৰগ্ৰেম বেলেগে বেলেগ লব পাৰি। দৰং জিলাত গ্ৰামোন্নয়নৰ কাৰণে ( BLCC ) বি, এল, চি, চিৰ যোগে ক'ৰবাত লেণ্ড ৰিফৰ্মৰ কাৰণে এন, এন, আৰ, পিৰ আঁচনি দেখা নাই। ( RLEGP ) আৰ, এল, ই, জি, পিৰ প্ৰগ্ৰেমৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক কৈছো। লেণ্ড ৰিফৰ্মৰ কাৰণে ক'ৰবাত আহিছে, এন, আৰ, ই, পি, ৰও ক'ৰবাত আহিছে। কিন্তু লেণ্ড ৰিফৰ্মৰ ( Land reform ) কাৰণে বিভিন্ন আচঁনি লোৱা দৰং জিলাত দেখা নাই। এই দুই কোটি ত্ৰিশ লাখ টকা কলৈ যায়। ইয়াৰ তীক্ষ্ণ দৃষ্টি ৰাখিলে ভাল হয়।

প্ৰজেক্ট ফৰ্মুলা সম্পৰ্কত মই এটা কথা কব বিচাৰিছো। বি, এল, চি, চিত এটা প্ৰজেক্ট লোৱা হয়। ইয়াত আচলতে বিশেষজ্ঞ লোক থাকিব লাগে। কিন্তু গ্ৰাম্য উন্নয়নত এনে বিশেষজ্ঞ মানুহ আছেনে নাই? দেখা যায় বিশেষজ্ঞ মানুহ ইয়াত নাই। এতিয়া আমাৰ ইঞ্জিনিয়াৰৰ হাহাকাৰ হৈছিল, এইবাৰ প্ৰত্যেক জিলাত এজনকৈ একজিকিটিভ ইঞ্জিনিয়াৰ দিয়াৰ সিদ্ধান্ত লোৱা

হৈছে, আৰু ইতিমধ্যে দিয়াই হৈছে। প্ৰতিটো ব্লকত দুটাকৈ অভাৰচিয়াৰ দিবলৈ যদিও আদেশ হৈছে এতিয়াও গৈ পোৱা নাই মই কম্পজিশান (Composition of governing body of DRDA) কথা এটা কব বিচাৰিছোঁ। বি এল চি চিত আমাৰ বিধায়কে কেতবোৰ সিদ্ধান্ত লয় কিন্তু সেই সিদ্ধান্তবোৰ (Steering committiee) ষ্টেয়াৰিং কমিটীয়ে নাইকীয়া কৰি দিয়াৰ অভিযোগ যুক্তি যুক্ত হৈছে। কেন্দ্ৰীয়চৰকাৰৰ এই মেনুৱেল খনত এটা কথা কৈছে। এতিয়া সেই বিষয়টোৰ ওপৰত আমাৰ চৰকাৰে হাত দিব পাৰিবনে? ইয়াত চেয়াৰমেন থাকিব, কালেক্টৰ থাকিব "(i) Chairman, (ii) MPs and MLAs, (iii) Head of the Central Co operative Bank (iv) Head of the Land Development Bank (v) Chairman of Zila Parishad or his representative (vi) Sr. most offlcer of the Lead Bank, (vii) General Manager, DIC, (viii) Two representatives of the weaker sections one of whom may be drawn from SCs and STs., (ix) one representative of rural women, preferably a beneficiary (x) Project Officer.

The Chairman President of the DRDA is empowered to form an Executive Committee to assist the DRDA. This Executive Committee can consist of all the district level Offlcers ." এই একজিকিউটিভ কমিটীখনক আমি ষ্টেয়াৰিং কমিটী বুলি কওঁ। এই কমিটীত স্পষ্টকৈ কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা আছে সকলো অফিচাৰহে থাকিব লাগে আৰু এখন কমিটীৰ কি কি কাম, ব্লকলেভেল কমিটীত লোৱা সিদ্ধান্ত, পলিচি আদি লব পাৰে। আমাৰ কামৰূপ জিলাৰ কমলপুৰৰ বাইজে লোৱ এটা সিদ্ধান্ত পিপোলচ চাৰ্ভেণ্টে নাইকীয়া কৰি দিলে। মূলগতভাৱে গ্ৰাম্য উন্নয়ণৰ লগত থকা এটা সিদ্ধান্ত আতঁৰোৱাৰ বিৰুদ্ধে চৰকাৰক সমালোচনা কৰিব লাগে। এতিয়া আমাৰ গ্ৰাম্য উন্নয়ণ বিভাগৰ মন্ত্ৰীয়ে যদি নকৰে তেন্তে এই নিৰ্দ্দেশনা অমানা কৰিছে বুলি প্ৰশ্ন অৱতাৰণা কৰিব পাৰোঁ। গ্ৰাম্য উন্নয়ণে গাঁৱৰ দুখীয়া মানুহক যিদৰে উপকৃত কৰিব নোৱাৰাৰ কাৰণ হল আমাৰ আন্তৰিকতাৰ অভাৱ। চৰকাৰৰ আন্তৰিকতা আছে, কিন্তু ফিল্ডত যিসকলে কাম কৰে সেই সকলৰ আন্তৰিকতাৰ অভাৱ। এইটো দুৰ কৰাৰ কাৰণে বিষয়াসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে,

মই কৈছো এই বিষয়ত যুৱক সকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। কৰবাত প্ৰশিক্ষণ লোৱা মানুহে প্ৰকৃতাৰ্থত কাম কৰিছেনে নাই সেইটো চাবলৈ যোৱা নাই। গ্ৰাম্য উন্নয়ণত আই আৰ ডি পিৰ যিসিলাক কাম যি সকলে কৰিব তেওঁলোকক প্ৰশিক্ষণ দিব লাগে। আমি গোটেই গাওঁখনৰ ২ বা ৩ ঘৰ মানুহক লৈ খেতিয়ক জনক এহাল গৰু, মহিলা গৰাকীক এখন উৰা মাকোৰ শাল আৰু ন'বাজনক এখন দোকান দিয়াৰ ব্যৱস্থা কৰি দিলে পৰিয়ালটোৰ উপকাৰ হব আৰু সেইবোৰৰ ফল আপ একচন হৈছেনে নাই সেইটো চাব লাগে। এই ধৰণৰ ফল আপ একচন চোৱাৰ ব্যৱস্থা আজি ইমান দিনে আছেনে নাই? ১৯৮৩ চনৰ পৰা আজিলৈকে পৰ্য্যায় ক্ৰমে উন্নয়নৰ কাম চলি আছে আৰু সেই একে পৰ্য্যায়তে চলি থাকিব। আমি এতিয়া ইয়াৰ এটা পৰিৱৰ্ত্তিত ব্যৱস্থা কৰাৰ কাৰণে চকু দিব লাগিব।

ব্লক লেভেলত যিটো প্লেন কৰিছে সেইটো কৰাৰ আগতে গ্ৰাম্য উন্নয়ণ বিভাগত এঙ্কুৱেল একচন প্লেন কৰিব লাগে। লগে লগে প্লেনমতে যাতে আমি কামবোৰ শেষ কৰিব পাৰো তাকো চকু ৰাখিব লাগে। আমি এতিয়া এটা কথা কব লাগিব যে গ্ৰাম্য উন্নয়ণ বিভাগৰ যিসকল বিষয়াই দুৰ্নীতি কৰি ৰাজহুৱা ধনৰ অপচয় কৰিছে তাৰ বাবে আমি বিষয়া সকলক দোষ দি থাকিলেই নহব দুৰ্নীতিৰ এটা উদাহৰণ দিছো ছিপাঝাৰৰ এখন স্কুলত বেয়া টিংপাত আৰু কাঠ গাৱৰ মানুহে খবৰ দিয়াৰ লগে লগে সলাই দিলে। গতিকে বেয়া বুলি জনাৰ লগে লগে আমি প্ৰতিবাদ নকৰো কিয়? ১২৬ জন বিধায়কে বি এল চি চিৰ সভাপতি লিখিত অভিযোগ দিয়া নাই। তথাপিও কৰবাত যদি দিছেও কাম হোৱা নাই বুলি অভিযোগ হব পাৰে। মাননীয় সদস্য ভৰেন নাৰ্জাৰীয়ে কোৱাৰ দৰে হুবহু যাৰে সৰ্ব্বসিদ্ধি তাৰে। অফিচাৰ সকলক প্ৰশাসনৰ ফালৰ যি কোনো দুৰ্নীতিত আগুৰাই যাবলৈ সুবিধা দিব নালাগে আৰু বেয়া কামৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা লবলৈ খৰতকীয়া ব্যৱস্থা কৰিব লাগে।

এতিয়া মই কেইটামান পৰামৰ্শ দিব বিচাৰিছো (১) এই বছৰৰ ভিতৰত প্লেনৰ সংখ্যা বঢ়াব লাগে,

(২) ইয়াৰ পিচৰ পৰা পাবিলে এন আৰ ই পিৰ গ্ৰাম্য উন্নয়ণৰ কামৰ কাৰণে এলটমেণ্ট বৃদ্ধি কৰিব লাগে.

(৩) গ্ৰাম্য উন্নয়ণ আচনিৰ জড়িয়তে প্ৰকৃতাৰ্থত গাৱৰ মানুহখিনি উপকৃত হৈছেনে নাই তাৰ ওপৰত সমীক্ষা চলাব লাগে আৰু

(৪) গ্ৰাম্য উন্নয়ণৰ আচনিবিলাক লব খোজোতে প্ৰথমে ব্লকবিলাকত ইন্টিগ্ৰেটেড এপ্ৰচ এটা হব লাগে।

এই খিনিকে কৈ মই সামৰণি মাৰিছো।

* শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, শৰ্ম্মা ডাঙৰীয়াই গ্ৰাম্য উন্নয়ণৰ শিতানত যিখিনি কথা কৈছে তাৰ প্ৰয়োজনীয়া আমিও অনুভৱ কৰিছো। যিবিলাক আসোঁৱাহ দেখুৱাই দিয়া হয় তাৰ ওপৰত ব্যৱস্থা লব লাগে। নীতিগত ভিত্তি কৰি কিছুমান মানুহক এন আৰ ই পি আচনিৰ কাৰ্য্যকৰী কৰণৰ কথা বুজাব লাগে। মই আগৰ বিধান সভাতে এই বিষয়ে যথেষ্ট পৰিমাণে কৈছো, এইবাৰ অধিক কোৱাৰ ইচ্ছা কৰা নাই যদিও তথ্যপাতি হাতত আছে। মাত্ৰ এটা কথা কব বিচাৰিছো। যিটো কথা মই আগতেও কৈছো। আই আৰ ডি পিৰ ঋণৰ সম্পৰ্কত ৰাইজে যাতে কম কষ্টতে পায় তাৰ ব্যৱস্থা কৰিব লাগে। এজন মানুহে আই আৰ ডি পিৰ ঋণৰ কাৰণে যাতে এবাৰতকৈ অধিক যাব লগা নহয় এজন মানুহ ঋণৰ কাৰণে প্ৰথমতে যাব লাগে ব্লক অফিচলৈ। তাত কেইপইচামান ঘোচ দিয়াৰ পিচত যাব লাগিব ডি আৰ ডি অফিচলৈ। ডি আৰ ডি অফিচত কামটো হোৱাৰ পিচত যাব লাগিব বেংকলৈ। বেঙ্কলৈ কিমান বাৰ যাব লাগিব তাৰ সীমাসংখ্যা নাই। এইটো দূৰ কৰি কেনেকৈ সহজে দুখীয়া লোক সকলক ঋণ দিব পৰা যায় সেই কথা চাব লাগে।

তাৰ পিচত (IRDP) আই আৰ ডি পি আঁচনি লোৱা হৈছে গাওঁ ভিত্তিত। আগতে একোটা ব্লকত ৬০০ পৰিয়াল বাচি লোৱা হৈছিল (IRDP Loan) আই আৰ ডি পি ঋণ দিয়াৰ কাৰণ। কিন্তু এতিয়া গাওঁ বিলাক এনেকুৱা লেঠাৰি নিচিঙাকৈ লোৱা হৈছে যে কিমান গাওঁ লোৱা হৈছে কোৱা টান। কিন্তু যি বিলাক দুখীয়া মানুহ তেওঁলোকক যি টকা ঋণ হিচাবে দিয়া হয় সেই টকা উলিওৱাওতে অফিচত ঘোচ দিওতে দিওতে তাৰ আধা টকা খৰচ হৈ যায়। গতিকে অনুৰোধ কৰিছো যাতে দুখীয়া লোক সকলে আৰ ডি পি আচনিৰ ঋণ সহজে পায় তাৰ ব্যৱস্থা কৰিব লাগে।

আৰু এটা কথা কব বিচাৰিছো (Trysem Centre) ট্ৰাইচেম চেণ্টাৰৰ সম্বন্ধে। আজি কালি দেখা গৈছে যে ট্ৰাইচেম চেণ্টাৰ খোলা হৈছে। তাত কিছুমান মানুহক চিলাই শিকায়। তাত যদি ৫০ জন লোকক প্ৰশিক্ষণ

---

* Speech not corrected

দিয়া হয় তেন্তে সেই লোক সকলৰ কাৰণে যিটো টকা যাব সেই টকাটো চেণ্টাৰটোৰ জৰিয়তে বিতৰণ কৰা হয়। এইটো কথা চাব লাগে যে টকাটো দিয়াৰ পাচত পাবলগীয়া লোকসকলে টকাটো পালেনে নাই আৰু যি টকা পালে সেই টকাৰে কাম কিমান হল। যি বিলাক লৰা ছোৱালীয়ে প্ৰশিক্ষণ ললে সেই সকলে চিলাইৰ দ্বাৰা জীবিকা অৰ্জন কৰিব পাৰিছেনে নাই? মই এটা কথা জানো যে মোৰ ঘৰৰ ওচৰতে কেইজনীমান ছোৱালীক প্ৰশিক্ষণ দিয়া হল। প্ৰশিক্ষণ শেষ হোৱাৰ পিচত তেওঁলোকক একোটাকৈ ( Singer machine ) চিংগাৰ মেচিন দিয়া হল। কিন্তু মেচিনৰ যি খন থাকনি সেইখন দিয়া নহল। এতিয়া খবৰ লৈ জানিব পাৰিছো যে সেই মেচিন বিলাক এনয়ে পৰি আছে। মই এই খিনিতে এটা প্ৰস্তাব আগবঢ়াব বিচাৰিছো যে ভাৰত বৰ্ষৰ অন্যান্য ৰাজ্য বিলাকত আই আৰ ডি পিৰ টকা কুটিৰ শিল্পৰ কামত খৰচ কৰে। সেইটো আমাৰ ইয়াত কিয় নহয়? আমাৰ ইয়াত খৰচ কৰাত কি বাধা আছে? যদি আমাৰ ইয়াত খৰচ কৰাত কিবা বাধা আছে তেন্তে সেই বাধা আতৰাব লাগিব। লগতে আই আৰ ডি পিৰ টকা ( Hand loom ) হেণ্ডলোমত খৰচ কৰিব পাৰিনেকি সেই কথা চাব লাগে। আই আৰ ডি পিৰ জৰিয়তে যদি আমি আমাৰ হেণ্ডলোম উন্নত কৰিব পাৰো তেতিয়াহলে ভাল হয়। আজি আমাৰ ৰাজ্যত শ্ৰমিকৰ সংখ্যা ইমান বাঢ়ি গৈছে যে ঘৰে ঘৰে আজি মানুহে কাম বিচাৰি ফুৰিছে। বিশেষকৈ একোৰাৰী শিক্ষিত ভাই এখন শাকৰ কাৰণে ঋণ বিচাৰি হাহাকাৰ কৰি ফুৰিছে। চৰকাৰে চাব লাগে এই বিলাক লোক সকলক সহজে শাক এখনৰ কাৰণে ঋণ দিব পাৰেনেকি? আৰু এটা কথা দেখা গৈছে যে যিবিলাক আঁচনিৰ কামৰ কাৰণে সজুলি কিনা হয় সেই বিলাক সৎ কামত লাগেনে নালাগে? মই এটা কথা দেখিবলৈ পাইছো যে এটা ৰাস্তাৰ মাটি পিট খোৱাবলৈ কিছুমান কাৰ্য হেমাৰ কিনিলে সেই বিলাক এনয়ে পৰি থাকে তাৰ ( Hand pull Roller ) পিচত হেমাৰ ৰোলাৰ আনিলে। কিন্তু যি বিলাক ৰোলাৰ কিনিলে সেই বিলাক ব্যৱহাৰ হৈছেনে নাই সেইটো চাব লাগে। আমি কিন্তু কতো ব্যৱহাৰ হোৱা দেখা নাই। মাটিৰ যিবিলাক কাম হয় সেই বিলাক কাম নোহোৱাৰ এক মাত্ৰ কাৰণ হিচাবে কয় যে শ্ৰমিকে কাম নকৰে যি বিলাক ঠিকাদাৰৰ তলত কাম হয় সেই বিলাকত ( Labour ) লেবাৰে কাম নকৰি এনয়েই লেবাৰে কোদাল ঘুৰাই পইচা খায় বুলি কয়। কিন্তু আচলতে শ্ৰমিকে কাম নকৰাৰ কাৰণে মাটিৰ কাম

নহয় সেইটো কথা সচাঁ নহয়। আমি যি দেখিছো লেবাৰে যি কাম কৰে ঠিকেই কৰে, এনেয়ে কোদাল ঘুৰাই নাথাকে। অলপতে এখন গাৱত ২০০ / ১৫০ জন মান শ্ৰমিকে কাম কৰি থকা দেখিলো। আমি ঠিকেই দেখিলো যে শ্ৰমিক সকলে থিকেই কাম কৰি আছে। সেই সকলে কামত ফাকি দিয়া নাই। শ্ৰমিকে ফাকি কেতিয়া দিয়ে? যেতিয়া শ্ৰমিকক পইচা কম দিয়ে তেতিয়া শ্ৰমিকে ফাকি দিয়ে। গাৱঁৰ লোকক ঠিকা দিলে সেওঁ ৬০ টকা পায়। ৮ ঘণ্টা কাম কৰিলে ১২॥ টকা পায়। শ্ৰমিকে ১২৪ টকা হাজাৰত পাব লাগে। কিন্তু বহুতো সময়ত দেখা হৈছে যে ১২৪ টকা পাইছে ঠিকাদাৰে। শ্ৰমিকে যিমান টকা পাব লাগে সিমান টকাযে নাপায় সেই কথা চাবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। এই কথা মই আগতে কওতে তেখেতে সুনিৰ্দ্দিষ্ট অভিযোগ মোৰ পৰা বিচাৰিছিল। এতিয়া মই নিৰ্দ্দিষ্ট অভিযোগ দিছো যে ১২৭ টকাৰ মাটি ৫০ / ৬০ টকাত কটাইছে। এতিয়া এটা কথা চাবলগীয়া হৈছে যে এমপ্লয়মেণ্টৰ লগত ( Creation of asseat ) ক্ৰিয়েচন অৱ এচেচট, এই দুয়োটাতে গুৰুত্ব দিম নে কি কৰিম সেই কথা চাব লাগে। পাবলগীয়া মানুহৰ পৰা টকা কাটি আনি নেপাবলগীয়া মানুহক দিম নেকি? আমাৰ এমপ্লমেণ্ট হলে এচেচটো হয়। ইয়াৰ বাবে খৰচ কৰিছেনে? এতিয়া আমাৰ আঁচনিৰ টকা আৰু কমি যাব। যি টকা দিয়ে সেই টকাৰ পৰাই নতুন নতুন বিষয়াক দিব লাগিব। সেই কাৰণে আমাৰ আঁচনিৰ টকা কমি যাব। প্ৰত্যেক ব্লকতে দুজনকৈ চাব ইঞ্জিনিয়াৰ আৰু এজনকৈ ইঞ্জিনিয়াৰ দিয়া হৈছে। তেওঁলোকক দিবলগীয়া ( NREP Fund ) এন আৰ পি ফাণ্ডৰ পৰাই যাব। সেই কাৰণেই মই কৈছো যে আমাৰ আঁচনিৰ টকা কমি যাব। কেন্দ্ৰত যেনেকৈ ( RLEGP ) আৰ এল ই জি পি আছে সেইদৰে ৰাজ্যতো আৰ এল ই জি পি আছে। কেতিয়াবা আৰ এল ই জি পিৰ টকা দেৰিকৈ আহে। তেতিয়া বিছুমান ৰাজ্যই আৰ এল ই জি পিৰ টকা দি কাম কৰে।

অসমৰ মানুহ যে আজি কিমান দুখীয়া হৈ গৈছে সেই কথা ভাবিব নোৱাৰি। আগতে মই ভাবিছিলো যে মোৰ সমষ্টিৰ ৫০ জন মানহে শ্ৰমিক ওলাব। কিন্তু মই কাম চাবলৈ গৈ আচৰিত হলো যে তাত ৩০ জনীমান তিৰোতা শ্ৰমিকেই আছে। মানুহ বিলাক ইমান দুখীয়া হৈ গৈছে ভাবিব নোৱাৰি। আজি সকলোৱেই লাজ মান এৰি ওলাই আহিছে কাম কৰাৰ কাৰণে। খেতিয়কে হাল খটি কৰিও কাম কৰিবলৈ আহিছে। ধৰ্মপুৰত এটা ৰাস্তাৰ কাম

হব বুলি কোৱাত তাত দেখা গল যে ১২ শ মান মানুহ হাতত কোদাল লৈ কাম কৰাৰ কাৰণে ওলাই আহিছে। এইটো মাটি কটাৰ কাৰণে প্ৰবনতা।

মাননীয় অধ্যক্ষ মহোদয়, গতিকেই দৰিদ্ৰ মানুহখিনিৰ হাতত আমি কেইটামান পইচা দিয়াৰ কাৰণে আমি চেষ্টা কৰা উচিত। কিন্তু আমি যি দেখা পাইছো এটা প্ৰবণতা, বৰ বেছি হৈ গৈছে। ( Technical Person ) কাৰিকৰি মানুহ বেছিকৈ নিয়োগ কৰা দেখা গৈছে। আঁচনি সমূহক এটা ঠেক গণ্ডীৰ মাজলৈ মেলি দিয়া হৈছে। টেণ্ডাৰ আহ্বানকৰি ( Advertise ) জাননী দিয়া হৈছে। গড়কাপ্তানী বিভাগ, জলসিঞ্চন বিভাগ, বান নিয়ন্ত্ৰণ আদি বিভাগে টেণ্ডাৰ কল কৰে। কিন্তু ইয়াত টেণ্ডাৰ দিব নোৱাৰে। গতিকেই আজি এই আঁচনিৰ ব্যৱস্থা আমাৰ গড়কাপ্তানী বিভাগৰ এম, এন, পি আঁচনিৰ নিচিনাই হব। যি সকল মাটি কটা মানুহে ১২০ টকা হাজিৰ নেপায় সেই সকলে ৬০/৮০ টকাতে কাম কৰিছে। গড়কাপ্তানী আদি বিভাগকে আদি কৰি কিছুমান ৰেট থাকে, কিন্তু এই এম, এন, পি আঁচনিৰ কোনো 'ৰেট' নেথাকে। শ্ৰমিক বাহিনীৰ লিডাৰ সকলকহে কাম দিয়ে। আমাৰ মাননীয় এজন সদস্যই থিক কথাকেই কৈ গৈছে। আমি গাৱঁত গলে মানুহক জনাও যাৰ যাৰ মাটি কাটিবৰ মন যায়, যাৰ অৱস্থা একেবাৰেই বেয়া সেই সকল মানুহ ওলাই আহিব লাগে। সেই মতে আহেও। কিন্তু ইয়াত লিডাৰ বিলাকক যি কাম দিয়াৰ ব্যৱস্থা কৰিছে সেই সকল লিডাৰৰ কাম পোৱাৰ কাৰণে যোগ্যতা থাকিব লাগে। শিক্ষিত নিবনুৱা যুবক সকল ইয়াৰ দ্বাৰা উপকৃত হৈছে, জীৱিকা উলিয়াইছে। কিন্তু এই আঁচনি বিলাক শিক্ষিত নিবনুৱাৰ কাৰণে অহা নাই, আহিছে খেতিয়ক সকলৰ কাৰণেহে আহিছে অনাহাৰ, অৰ্দ্ধাহাৰত থকা দৰিদ্ৰ কৃষক সকলৰ কাৰণে। তেখেত সকলে এশ টকাকৈ পালেও লাভ। আমাৰ মাননীয় সদস্য শ্ৰীশৰ্মা ডাঙৰীয়াই এটা কথা কৈছে। মইও জানো এটা ৰাস্তা কৰি উলিয়াইছে। সেই কামটো গড়কাপ্তানী বিভাগ কৰা কামতকৈ ভাল। কিন্তু পৰহি দিনা হঠাৎ গম পালো যে, কামটো সম্পূৰ্ণ হবলৈ নিদিয়ে। তাৰ কাৰণ হিচাবে গম পালো যে, ৰাস্তাটোৰ ইমান মিটাৰহে মঞ্জুৰী হৈছে। সেই কাৰণেই ৰাস্তাটো ইয়াৰ পৰা আৰু যাব নোৱাৰে বাকীখিনি শিল, বালি, টাকি আদিত যাব। এই বিলাকত টকা যাব। এই বিধান সভাতে শিল যোগান ধৰা বিষয় এটা আলোচনা হওঁতে অনুসন্ধানৰ পিছত এই সংক্ৰান্তত এজন বিষয়া এতিয়াও নিলম্বিত হৈ আছে। ইটা যোগান, বালি যোগান আদি

সকলোতে টেণ্ডাৰ কল কৰা হয়। এখন গাড়ীৰ ইটা টেষ্ট কৰোতে দেখা গল যে, ইটা বিলাক ভাগি যায়। এই খিনি পোৱাৰ পিছত গোটেই খিনি ইটাকে ৰিজেক্ট কৰি দিয়া গল। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কথাটো হল এয়ে যে, ৰাইজৰ মাজত আমি প্ৰচাৰ বৃদ্ধি কৰিব লাগিব। যি বিলাক ভেজাল কাম কৰিছে সেই বিলাকক ধৰিব পাৰিলে উপযুক্ত শাস্তি বিহাৰ ব্যৱস্থা কৰিব লাগিব। এনেও দেখা গৈছে যে, এটা ৰাস্তাত ৮০ হেজাৰ টকা আছে, তাত ১৬ হেজাৰো খৰছ পৰা নাই। ইয়াৰ পৰা তদন্তও গল কিন্তু দোষী বুলি প্ৰমাণিত হোৱাৰ পিছতো কোনো শাস্তিৰ বিধান কৰা নহল। খণ্ড উন্নয়ণ বিষয়াৰো কোনো শাস্তি নহল। গতিকে আমাৰ এয়ে অনুৰোধ যে, এই ঘটনাৰ যাতে পুনৰাবৃত্তি হব নোৱাৰে। ৰাইজে ধৰি দিলে যাতে শাস্তি হব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগিব। এতিয়া অকল এন, আৰ, ই, পি আদিয়েই নহয় অনানা বিলাক আঁচনিৰ কামো চলি আছে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিতে দুয়োটাতে কাম বেলেগ বেলেগ হৈছে। মোৰ এলেকাত থকা ঘৰটোৰ দেৱালৰ ওপৰলৈকে ইটা গঠা হৈছে। বাকীখিনি ধাৰি দিছে। যত হব লাগে 'ফুল ওৱাল'। মোৰ সভাপতিত্বত নথকা ঘৰটো কৰোতে ঠিকেই কৰিছে কিন্তু মোৰ ব্লকত এইদৰে কৰিছে। এ'কখন জিলাতে এইদৰে একে আঁচনিৰ কামাকে বেলেগ বেলেগ ধৰণে কৰিছে। কৰবাত এটা অংশত ইটা, আনটো অংশত ধাৰি। এই কথা বিলাক দৃষ্টি গোচৰ কৰিলে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অকল বিধায়ক সকলেই এই সকলো বিলাক চকু দিব নোৱাৰে বিধায়ক সকলে উলিয়াইহে দিব পাৰে।

তাৰোপৰি, কাঠৰ নামতটো হাহাকাৰেই। উপায় নাই। এটা বগা শাল ওলাইছে। সি কঠাল, শিমলু যিয়েই নহওক। আমাৰ বিধায়ক হোষ্টেলৰ কাঠৰ নিছিনাই হৈছে। সেই বিলাক শাল নহয়। এতিয়া আকৌ 'নন-শাল' বুলি এটা ওলাইছে। ফলত মিছাকৈয়ে বস্তু বিলাকৰ অপচয় হয়। এই বিলাক যাতে অপচয় হব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আমাৰ মাননীয় সদস্য শ্ৰীশৰ্ম্মা ডাঙৰীয়াই যি বিলাক কথা কৈছে সেই কথা বিলাকৰ লগত মই একমত। গাওঁ বিলাকত দৰিদ্ৰ মানুহৰ সংখ্যা বেছি হৈ গল। আজিকালি সকলো মানুহেই কাম কৰিবলৈ আগ্ৰহী আছে। কাম সকলোকে লাগে। এদিন কাম কৰিলেও অন্ততঃ ১২ টকা পাব। গতিকেই মাননীয় অধ্যক্ষ মহোদয়, এই মানুহ বিলাকৰ কথা চকুৰ আগত ৰাখি আঁচনি

বিলাক যাতে যথাযথ ভাবে ৰূপায়িত হয় তাৰ কাৰণে চকু দিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীআবুল ফজল গোলাম ওসমানি: অধ্যক্ষ মহোদয়, আজকে গ্রাম্য উন্নয়ণ বিভাগের বরাদ্দের ওপর যে আলোচনা হচ্ছে তাতে অংশ নেবার কোন ইচ্ছা আমার প্রথমে ছিলনা। কিন্তু যেভাবে এই বরাদ্দের ওপর উভয় পক্ষ আলোচনা করে যাচ্ছে তাতে আমিও আলোচনায় ভাগ নিতে উৎসাহিত হয়েছি। এর আগে আমরা দেখেছি—একটি বিষয়ের উপর যখন আমরা আলোচনায় অংশ নিয়েছি, রাজনৈতিক কারনেই হউক বা দলীয় কারণেই হউক বা বিরোধী পক্ষ বলেই হউক এই বিধান সভায় আমরা ভাগাভাগি হয়ে গিয়েছি। মাঝে মাঝে আমাদের বক্তব্য এমন হয়ে দাড়ায় যে সতিাকারের যেসব সমস্যা তাও আমরা সমাধানের কথা ভুলে যাই। আজ ১৭ মাস পরে এই সরকারের এইটি ৪র্থ অধিবেশন। এই অধিবেশনে আজ আমাদের একটা নতুন অভিজ্ঞতা হলো। যে ভাবে আলোচনা এগাচ্ছে তাতে মনে হয় আমরা যে কোন দলেরই না কেন, আমাদের যে সব মৌলিক সমস্যা রয়েছে তা আমরা রাজনৈতিক ভাবেও তুলে ধরে আলোচনার মাধ্যমে তা সমাধানের জন্য দৃষ্টি দিতে পারি।

অধ্যক্ষ মহোদয়, অসমের গ্রাম কৃষি ভিত্তিক। কৃষির উন্নতি মানেই গ্রামের উন্নতি। কিন্তু বিভিন্ন সদস্যের বক্তৃতায় একটি জিনিষ পরিস্কার হয়ে উঠেছে এই বিভাগে যে ধরনের কাজ উন্নয়ণের জন্য করা উচিত ছিল ঠিক সেই ধরনের গ্রামীন উন্নয়ন আমরা দেখতে পাচ্ছিনা। এ সম্পর্কে আমাদের দলের সবচেয়ে বেশী তেজস্বী বক্তা শ্রীজয়নাথ শর্ম্মা বলেছেন যে সামগ্রীক যে ছবি বা প্রতিক্রিয়া সেটা আমাদেরে গ্রামোন্নয়ণের ক্ষেত্রে দেখা যায় না। অবশ্য তাঁর বক্তৃতা শুনে আমি যা বুঝেছি, তাই বলছি। এছাড়া, গতকাল আমার যা অভিজ্ঞতা হয়েছে এর থেকে বলছি যে আমার সমষ্টিতে কৃষি বিভাগের ২টা স্কীম নেওয়া হয়েছে সে সম্পর্কে ব্লক যার সম্বন্ধে কেউ কিছু জানে না। ব্যাপারটা সম্পর্কে আরেকটু অনুসন্ধান করে জানতে পারলাম যে কৃষি বিভাগ প্রায় পাঁচ শত বিঘা জমির উপর একটা বাঁধ দেওয়ার পরিকল্পনা করছেন যাতে সেখানে নানা ধরনের চাষ হতে পারে। সেখানে, মহোদয়, মাটিকাটা শ্রমিকদের জিজ্ঞাসা করে জানেতে পারলাম যে, যে সম্পর্কে মাননীয় সদস্য শ্রীহেমেন দাসও বলেছেন যে সেখানে মাটি কাটা হচ্ছে ষাট টাকা দরে। এই যে কোঅর্ডিনেশনের সম্পর্কে মাননীয় সদস্য শ্রীজয়নাথ শর্ম্মা বলেছেন যে ( Integrated programme in a relation to a particular

gaon panchayat) সেটা হলে ভাল কিন্তু সমগ্র ব্লক অঞ্চলে উন্নয়নের ব্যাপারে একটা ইন্টিগ্রেটেড এপ্রোচ কোথায়? আমি এসবের ব্যাপারে দৃষ্টান্ত দিতে যাব না। আজ আমরা এখানে বলছি যে আসামের ইতিহাসে একটা নতুন অধ্যায় আরম্ভ হয়েছে। তা অবশ্যে ভবিষ্যতের ইতিহাস বলে দেবে যে এই সদনের চিন্তাধারার মধ্যে একটা নতুনত্বর একটা সৃজনশীলতার পরিচয় আছে কিনা? মহোদয়, সামগ্রিকভাবে গ্রামের উন্নয়ন নির্ভর করে সেখানে যে কর্মকাণ্ড হবে তার উপর। মাননীয় সদস্য শ্রীমুহিব মজুমদার মহাশয় বলেছেন এ সম্পর্কে (যদিও ইদানিং গ্রামের সঙ্গে তাঁর সম্পর্ক নেই)। তবে অভিজ্ঞতা থেকে বলতে পারি যে গ্রামের লোকের সঙ্গে সম্পর্ক না-রেখে গ্রামউন্নয়ন হবে-সেটা সম্ভবপর কথা নয়। এই মূল সমস্যা সম্পর্কে এই সদনের, এই মন্ত্রীসভার একজন মাননীয় মন্ত্রী তাঁর দৃষ্টিভঙ্গী প্রকাশ করে বলেছিলেন যে গ্রামউন্নয়ন সম্পর্কে আমর বুঝি কি এবং তা আমরা কার্যকরী করতে যাচ্ছি কি না? যিনি আমাদের গ্রা:মান্নয়ন মন্ত্রী তিনি পঞ্চায়ত মন্ত্রীও। আমি প্রসঙ্গত বলতে চাই যে গত বিশ বৎসরের ইতিহাস কি। মহোদয়, যখনই দেখা গেল পঞ্চায়তে কাজের একটা গতি যখনই এসেছে তখনই রাজনৈতিক কারণে তা ব্যহত করা হয়েছে। আজ মাননীয় সদস্য শ্রীজয়নাথ শর্মা তাঁর চারটি দাবীর মধ্যে একটা দাবী করেছেন যে ব্লকের সংখ্যা আরও বাড়াতে হবে। মহোদয়, নতুন আইন হওয়ার আগে পঞ্চায়তে যে আইন ছিল সেটা হওয়ার আগে যে সব আঞ্চলিক পঞ্চায়ত ছিল তা কেন ভেঙ্গে দেওয়া হয়েছিল? সেদিন সে সব আঞ্চলিক পঞ্চায়তে এবং ব্লক লেভেলের সমস্ত একৃষ্টেনশনগুলিতে যে একটা কর্মকাণ্ড আরম্ভ হয়েছিল ষাটের দশকে দেখলাম তা রাজনৈতিক কারণে সংশোধন করে একেবারে নষ্ট করে দেওয়া হয়েছে। ব্লকগুলোকে নষ্ট করে সমস্ত কিছু কাজকর্ম মহকুমা পরিষদকে দেওয়া হয়েছে এবং গত ১৫ বৎসরের ইতিহাস আমাদের হিচাবে একটা অতি নিদারুন ইতিহাস। কারণ এই আইনের পশ্চাদে একটা অভিসন্ধি ছিল যাতে গ্রামের নেতারা যারা গ্রামে গঠনমূলক কাজে নেতৃত্ব দেবে তারা আর এম এল এ হতে আসবে না। এই ধরনের দৃষ্টিভঙ্গী দ্বারা উন্নয়ন মূলক কাজ হাতে পারে না। পশ্চিম বাংলায়ও এই সম্পর্কে প্রশ্ন উঠেছিল যে সেখানে এম এল এ দের কাজ নেই। এম-এল এ দের কাছে গ্রামের লোক যায়না। তারা বলেছেন যে 'আমাদের কাছে দর্খাস্ত নিয়ে গ্রামের কি উন্নতি হবে না হবে সে সম্পর্কে লোক আসার প্রয়োজন নেই'। তার কারণ গ্রামদেশে পঞ্চায়ত

এমন ভাবে সংগঠিত যে এম এল এরা শুধু নীতিভিত্তিক কাজ নিয়ে বিধান সভায় ব্যস্ত থাকেন। কিন্তু, মহোদয়, আজকের সরকার যে পঞ্চায়ত বিল সংশোধন করেছেন সে সম্পর্কে আমি ভবিষ্যতবাণী করছি না কারণ আমি জ্যোতিষি নই। কিন্তু এই সংশোধীত আইন কার্য্যকরী হবে না যে একথা বলতে পারি। কারণ কিছু কিছু অফিচার নতুন কাজের আছিলায় মন্ত্রীদের কাছে এসে চাপ দিবে আর আমরা তার টেপে ধরা পরি। কারণ, আমাদের কাজের মধ্যে কোনও ( Pragmatic approach ) প্রেগমেটিক এপ্রোচ থাকে না বলে আমরা সেটা বুঝতে পারিনা। সুতরাং আমি এই সদনে মাননীয় পঞ্চায়ত মন্ত্রীকে বলতে চাই যে ৭/৮ কেন দশ বৎসরও পঞ্চায়ত মন্ত্রী হয়ে থাকলেও তিনি কোন দিনেই এই সংশোধিত আইন কার্য্যকরী করতে পারবেন না। হাজার হাজার গ্রাম পঞ্চায়তে অফিস দেওয়া দূররে কথা একটা অফিস চলাবার জন্য ন্যূনতম একজন কর্মচারীও দিতে পারবেন না। কারণ, দেখবেন যে পঞ্চায়তের পূর্ব্বের সম্পাদকদের, কর্মচারীদেরে এখনো বকেয়া টাকা সরকার শোধ করতে পারেনি। এই গাওঁ পঞ্চায়তের ব্যাপারকে কেন্দ্র করে শ্রীজয়নাথ শর্মা বলেছেন যে একটা ইনটেনসিভ প্রোগ্রাম প্রয়োগ করে গ্রামের উন্নতি করতে। আমি এন আর ই পি, আর এল ই জি পির কথা বলছি না কিন্তু এখানে প্রত্যেক বিধান সভা চক্রে বা ব্লক লেভেলে সবার সমস্যা এক করে দেখা হচ্ছে। আসলে সবার সমস্যা এক নয়। রাস্তা দিলে—সব যায়গায় এক ধরনের হবে, স্কুল ইরিগেশন স্কীম—সব এক ভাবে দেওয়ার কথা হচ্ছে। কেউ কেউ এই সদনে প্রশ্ন তুলেছেন যে বিরোধী সদস্যদের বেলায় প্রতি সমষ্টিতে ১২টা স্কুল দেওয়া হয়েছে অথচ এ জি পি সদস্যরা তাদের সমষ্টিতে ৩০/৪০/৫০ টা করে স্কুল নিয়েছেন। মাননীয় সদস্য শ্রীজয়নাথ শর্মা বলেছেন যে ৮ম বিত্তীয় আয়োগের দেওয়া একটা স্কুলও ছিপাঝার সমষ্টিতে দেওয়া হয়নি। আসলে আমাদের দেখতে হবে যে উন্নয়নের ব্যাপারে বৈষম্য যাতে না হয় এবং এই ব্যাপারে যাতে কার্য্যকরী ব্যবস্থা থাকে। সব ব্লকের সমস্যা এক দৃষ্টি ভঙ্গীতে একেই ফর্মুলায় না দেখে কোন ব্লকের রাস্তা দরকার, কার স্কুল দরকার ইত্যাদি প্রয়োজন ভিত্তিক, অগ্রাধিকার ভিত্তিক স্কীম নিয়ে কাজে এগোতে হবে। তাহলে হয়ত গ্রামের উন্নতি হতে পারে। কিন্তু আজ এই তর্কের মীমাংসা কি করে হবে। কারণ পঞ্চায়তে জনগনের কোনও প্রতিনিধি নাই। গভর্নিং বডিতে নাই, ষ্টিয়ারিং কমিটীতে বিধায়করা আমন্ত্রিত হয়ে সেখানে বসে খোলাখোলি আলোচনা করে সব ভাগাভাগি নিতেন। এতে অসুবিধা হতো না।

আর সরকারী কর্মচারীরাও দেখতেন যে পেছন থেকে আর চাপ আসার প্রশ্ন উঠবে না। তাঁরা নির্ভয়ে কাজ করতে পারতেন। কেন্দ্রীয় সরকার যতদিন পর্যন্ত বিধান সভার সদস্যদের ষ্টিয়ারিং কমিটীতে বা গভর্নিং বডিতে সদস্য করার ব্যবস্থা করেবেন না ততদিন পর্য্যন্ত আমারা আমন্ত্রিত হয়ে থাকতে পারি। সেটা যুক্তি সঙ্গত কথা হবে। কারণ গ্রামের উন্নতির স্বার্থে আমারদের নিয়ম মেনে চলতে হবে। রাজনৈতিক কারনে বৈষম্য করলে বা অফিসারদেরে পক্ষপাত মূলক কাজ করতে দিলে তারাও মন্ত্রীদের দূর্বলতার সুযোগ পায়। মনে করবেন না যে অফিসাররা কোনও অঞ্চলের উন্নতির স্বার্থেই কেবল মন্ত্রী দের কাছে এসে চাপে, আমি দোবারোপ করছি না তাদেরে ( a good work man does not quarrel with instruments ) আমরা যদি না সরকারী কর্মচারীদেরে আইন সড়িয়া কাজ করতে বলি ? সুতরাং আমরা যদি না তাদের ডেকে এনে বসি যে আমার সমষ্টিতে পাচটা স্কীম নিতেই হবে। তার জন্য প্রয়োজন হলে ফাইলে কারচুপিও করা হলে আপত্তি নাই। এসব যদি আমরা বন্ধ করি একটা সুস্থ নীতি অবলম্বন করি তাহলে অফিসাররাও নির্ভয়ে কাজ করতে পারবে আর গ্রামোন্নয়নের ক্ষেত্রে একটা সুফল দেখা যাবে।

মহোদয়, আজকের এই আলোচনায় আমার মনে একটা আশার সঞ্চার হয়েছে যে এই সমস্যা গুলির সত্যিকার অর্থে একটা সমাধান হয়ত আমরা দেখতে পারব আর প্রয়োজন হলে আমরা বিরোধী সদস্যরাও এই ব্যাপারে যাতে একটা গঠনমূলক প্রস্তাব বা পরামর্শ দিতে পারি তার অশ্বাস দিয়ে আমি আমার বক্তব্য শেষ করছি।

কুমাৰ দীপক দাস: মাননীয় অধ্যক্ষ মহোদয়, আজি গ্ৰামোন্নয়নৰ শিতানত যি অনুমোদন বিচৰা হৈছে আৰু এই সন্দৰ্ভত যি ৩৮ কোটি ৫২ লাখ ৭০ হাজাৰ টকা পঞ্চায়ত মন্ত্ৰী ডাঙৰীয়াই বা গ্ৰামোন্নয়ন মন্ত্ৰী ডাঙৰীয়াই বিছাৰিছে তাৰ সমৰ্থনত আৰু যি সকল বিৰোধী পক্ষৰ সদস্যই এই সম্পৰ্কত কাট মোচন আনিছে তাৰ বিৰোধীতা কৰি মই দুষাৰমান বক্তব্য ৰাখিব বিছাৰিছো। গ্ৰামোন্নয়ন ভাৰতবৰ্ষৰ উন্নয়নৰ মূল ভেটি আৰু অসমো ইয়াৰ বাহিৰত নহয়। আজি ইয়াত গ্ৰামোন্নয়ন সম্পৰ্কত আৰু বিগত কালত অসমৰ গাওঁ সমূহৰ উন্নয়নৰ ক্ষেত্ৰত কি কি কৰা হ'ল আৰু কি কি কৰা নহ'ল এই সম্পৰ্কে এটা সম্যক দৃষ্টিভঙ্গী ৰাখি আলোচনা কৰা হৈছে। এই আলোচনাত আমাৰ গ্ৰামোন্নয়ন বিভাগটো এটা সঠিক দিশত আগুৱাই নিব পৰা হব বুলি মোৰ

ধাৰণা হৈছে আৰু মই ভাবো ইয়াত যিখিনি টকা মন্ত্ৰী মহোদয়ে বিচাৰিছে সেই টকা খিনিৰ দ্বাৰা আমাৰ গ্ৰামোন্নয়নৰ ক্ষেত্ৰত এটা বিশেষ ভাল আৰু কাৰ্য্যকৰী সমাধান হব বুলি মই বিবেচনা কৰিছো। অসমৰ যিবিলাক ব্লক আৰু ব্লক ডেভেলপমেণ্ট এৰিয়া আছে, সেই বিলাকৰ যিমান খিনি উন্নতি হব লাগিছিল সিমান খিনি বিগত ৩৮ বছৰ কালত নোহোৱাৰ কাৰণে আজি বিভিন্ন সময়ত এই খেলিমেলিৰ সৃষ্টি হৈছে। আন এটা দিশ ইয়াত উল্লেখ কৰা হৈছে যে, প্ৰকৃতাৰ্থত গ্ৰামোন্নয়নৰ ক্ষেত্ৰত যিমানখিনি টকা খৰচ হৈছে, বিগত বছৰ বিলাকত সেইখিনি টকা সৎ পথেৰে খৰচ হোৱা নাই আৰু সেই কাৰণেই আমাৰ মন্ত্ৰী মহোদয়ে এই বিষয়ত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা লব লাগিব। বিগত বছৰটোত এই দিশত ব্যৱস্থা লোৱা দেখা গৈছে আৰু ভৱিষ্যতে এই গ্ৰামোন্নয়নৰ ব্যৱস্থাত কঠোৰ ভাবে মনোনিবেশ কৰি এই ক্ষেত্ৰত যিবিলাক খেলিমেলিৰ সৃষ্টি হৈছে আৰু গ্ৰামোন্নয়নৰ ক্ষেত্ৰত যি বাধাৰ সৃষ্টি হৈছে তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ মই অনুৰোধ জনাইছো। মই ইয়াত বিশেষ দীঘলীয়া বক্তব্য ৰাখিব বিচৰা নাই। মাত্ৰ দুটামান কথা কবলৈ বিচাৰিছো। ভাৰতবৰ্ষত বহু কেইখন ৰাজ্য আছে তাৰ ভিতৰত পশ্চিমবঙ্গ, মহাৰাষ্ট্ৰ, ইত্যাদি গ্ৰামোন্নয়নৰ ক্ষেত্ৰত ডি, আৰ, ডি এৰ যি পৰিচালনা ব্যৱস্থা তাত অইন ধৰণৰ কিছুমান ব্যৱস্থা কৰি লৈছে। এই ব্যৱস্থাৱলীৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিব লাগে। গ্ৰামোন্নয়ন বিভাগে সেই বিলাকৰ কি ব্যৱস্থা লৈ গ্ৰামোন্নয়নৰ ক্ষেত্ৰত এটা সুন্দৰ অৱস্থালৈ আনিব পাৰিছে সেই অৱস্থাটোৰ প্ৰতিও আমি লক্ষ্য ৰাখিব লাগে। সেই আদৰ্শ আমি অনুকৰণ কৰিব পাৰো নেকি তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। আমি জানিবলৈ পাইছো পশ্চিমবঙ্গ আৰু মহাৰাষ্ট্ৰত যিবিলাক ডি, আৰ, ডি, এৰ বোৰ্ড আছে তাত আমাৰ ইয়াৰ নিচিনাকৈ ডি চি সকল সভাপতি হিচাবে নাথাকে। তাত যি জিলাৰ দায়িত্বত থকা মন্ত্ৰী তেওঁ সভাপতি হিচাবে থাকে বা পঞ্চায়ত জিলা পৰিষদৰ সভাপতি তাত সভাপতি হিচাবে থাকে। এই কাৰণেই বোধ হয় সেই বিলাক ঠাই গ্ৰামোন্নয়নৰ ক্ষেত্ৰত বিশেষ পদক্ষেপেৰে আগবাঢ়ি যোৱা দেখিবলৈ পাইছো। মাননীয় সদস্য শ্ৰী আব্দুল মুহিব মজুমদাৰ ডাঙৰীয়াদেৱে আলোচনা কালত জনাইছে যে পঞ্চায়তৰ যি আচনি কৰিছিল সেই বিলাক আই, এ, এচ অফিচাৰে নাকচ কৰা মনোভাব লৈছে আৰু কোৱা হৈছে তেওঁলোক বাহিৰৰ পৰা আহিছে, তেওঁলোকে স্থানীয় সমস্যাৰ বিষয়ে কম জানে। তেখেত সকলে আচনি বোৰৰ যিখিনি নাকচ কৰিবলৈ

ব্যৱস্থা লৈছে সেইটো কৰিব নালাগিছিল। এই পৰিবেশটো সেই সমূহ ৰাজ্যত নাই। তাত ডি. চি সভাপতি হিচাবে নাথাকে। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে ডি, আৰ, ডি, এ পৰিচালনা কৰাৰ ক্ষেত্ৰিকা এই কথাখিনি বিবেচনা কৰিব পাৰি নেকি তাৰ প্ৰতি বিশেষ নজৰ দিবলৈ অনুৰোধ জনালো আৰু এটা কথা কব বিচাৰিছো আমাৰ বৰপেটাত দেখিবলৈ পাইছো যিমান খন স্কুল আমাৰ ৰাজ্যত প্ৰতিষ্ঠা হ'ল সেই অনুপাতে এক হাৰত আমাৰ বৰপেটা সমষ্টিত হোৱা নাই। এনেকুৱা ধৰণৰ বৈষম্য বিলাক বিগত চৰকাৰ বিলাকৰ দিনত হোৱাৰ কাৰণেই আজিও খেলিমেলিৰ সৃষ্টি হৈ আছে। বৰপেটা জিলাত এল, পি. স্কুলৰ সংখ্যা কম হোৱাৰ নিচিনাকৈ অন্যান্য জিলা কিছুমানতো হৈছে। কৰবাত বেচি হৈছে আৰু ক'ৰবাত বেচি কম হৈছে। এই বৈষম্য নীতি এতিয়া পৰিহাৰ কৰিব লাগে।

মই এটা কথা কব খুজিছো যে, এটা ঘৰত যদি বহুদিন এটা মৰাশ পৰি থাকে আৰু তাক উলিয়াই নিয়াৰ পাচতো সেই মৰাশৰ যিটো দুৰ্গন্ধ সেই দুৰ্গন্ধ আতৰ হৈ নাযায়। ঠিক তেনেকৈ স্বাধীনতাৰ পাচৰ ৩৮ বছৰে যি খেলিমেলি চলি আছিছে, যি দুৰ্গন্ধ বিয়পি পৰিছিল সেই দুৰ্গন্ধ এতিয়াও শেষ হোৱা নাই। অৰ্থাৎ সেই খেলিমেলি খিনি দূৰ কৰিবলৈ মাননীয় মন্ত্ৰী মহোদয়ে যিটো অনুদান বিছাৰিছে তাৰ কাটমোচনৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীচন্দ্ৰ আৰাম্বৰা, (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ মাননীয় সদস্য শ্ৰীডিলিভিউচ কন্দপানকে আৰম্ভ কৰি যি সকল সদস্যই এই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত আলোচনাত অংশ গ্ৰহণ কৰিছে আৰু বিভিন্ন পৰামৰ্শ আগবঢ়াইছে তেওঁলোককৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। এই ক্ষেত্ৰত মাননীয় সদস্য গোলাম ওচমানী ডাঙৰীয়াই এটা কথা স্বীকাৰ কৰিছে যে সমগ্ৰ দেশত ৩ তৰপীয়া পঞ্চায়ত চলি থকাৰ পৰিপ্ৰেক্ষিতত হঠাৎ আমাৰ ৰাজ্যত দুই তৰপীয়া কৰা হ'ল। ফলশ্ৰুতি হিচাবে কি হ'ল ওচমানী ডাঙৰীয়াই কৈ গৈছে। আমাৰ মূল ভেটি হ'ল আঞ্চলিক পঞ্চায়ত এই পঞ্চায়ত নোহোৱা কাৰণে মহকুমা পৰিষদক ক্ষমতা ইমান বেচি দিয়া হ'ল যে ই কলা জ্বৰ ৰোগীৰ নিচিনা মূৰটো ডাঙৰ হ'ল আৰু ভৰি দুখন চিয়া হ'ল। এতিয়া কথা হ'ল খণ্ড উন্নয়ন কাৰ্য্যালয়ত কৃষি সম্প্ৰসাৰণ বিষয়া, পশুপালন বিষয়া জলসিঞ্চন বিষয়া যি বিলাক দিয়া আছিল। তেওঁলোক খণ্ড উন্নয়ন বিষয়াৰ অধীনস্থ আছিল।

কিন্তু পাচত এই বিষয়া সকলক খণ্ড উন্নয়ন বিষয়াৰ অধীনৰ পৰা স্বতন্ত্ৰীয়াকৈ কাম কৰিবলৈ দিয়াৰ কাৰণে বহুখিনি উন্নয়ন মূলক কাম বাধা প্ৰাপ্ত হ'ল। আমি বাস্তব দৃষ্টি ভঙ্গীৰ পৰা চাই দুইতৰপীয়া ঠাইত তিনি তৰপীয়া ব্যৱস্থাৰ প্ৰৱৰ্ত্তন কৰিছো। ভালে কেইজন সদস্যই কৈছে যে গাওঁপঞ্চায়ত নথকাৰ কাৰণে নিজৰ নিজৰ অঞ্চলৰ অভাৱ অভিযোগ বিলাক নীতিগত ভাবে বি, এল চি. চিলৈ নাহে। এই কথাটোত মই একমত। তাৰ কাৰণে কেনে ধৰণৰ কাৰ্য্য ব্যৱস্থা লব পৰা হয়, অতি সোনকালে চিন্তা কৰি এটা ব্যৱস্থা নিশ্চয় লোৱা হব। ২০ দফীয়া আচনিৰ ক্ষেত্ৰত আগৰ দৰিদ্ৰৰ সীমাৰেখাৰ হিচাব ৩৫০০ ঠাইত বঢ়াই ৪৮০০ কৰিছে। ইয়াৰ ওপৰিও অনুসূচিত জাতি আৰু জনজাতিৰ সাহাৰ্য্যৰ পৰিমাণ ৫০০০ টকা কৰা হৈছে। অন্যান্য সকলৰ ৩০০০ টকা এতিয়া লেখত লবলগীয়া কথা হ'ল অসমৰ দৰিদ্ৰৰ সীমা ৰেখাৰ তলৰ যি শতকৰা হাৰ নেচনেল চাৰ্ভে দাঙি ধৰিছে আৰু ইকোনোমিক ৰিচাৰ্চ চেন্টাৰ যোৰহাটে দাঙি ধৰিছে এই দুটাৰ ভিতৰত এটা মতানক্য হৈছে। ৰাজ্যৰ গবেষণা কেন্দ্ৰটোৱে কৈছে যে অসমৰ দৰিদ্ৰতাৰ সীমাৰেখাৰ শতকৰা হাৰ ৪৯ বিটো অতি বিশ্বাস যোগ্য। আন হাতে নেচনেল চেম্পল চাৰ্ভে কৈছে শতকৰা হাৰ ২৩। শতকৰা হাৰ ২৩ দেখুৱা কাৰণে ২০ দফীয়া আচনিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান পোৱাত বহুখিনি বাধা হৈছে। সেই কাৰণে মই এই সুযোগতে বিৰোধী দলৰ সদস্য সকলক অনুৰোধ জনাও এই পৰিসংখ্যাটো যাতে শুদ্ধকৈ দিব পাৰে তাৰ কাৰণে আমাৰ লগত নিশ্চয় সহযোগ কৰিব আৰু এটা স্বীকাৰ কৰিব লাগিব যে এই চৰকাৰ খন শাসনলৈ অহাৰ পাচত এজন নুতন নহয় ৫৮ জন বিডিও আমাৰ উন্নয়ন মূলক কামত বিধি পথালি দিছে। সিদিনা প্ৰশ্ন উত্তৰত কৈছো বহুতো সদস্যই ভাবিব পাৰে যে গণপৰিষদ চৰকাৰে থ্ৰীএফৰ বিডিও সকলক আক্ৰোশ মূলক মনোভাৱ লৈ চাকৰিৰ পৰা অপসৰণ কৰিছে। কিন্তু প্ৰকৃততে আগৰ চৰকাৰৰ দিনৰ এটা সিদ্ধান্তহে আমাৰ চৰকাৰে কাৰ্য্যকৰী কৰিছে। সেই বিডিও সকলে এনে এটা পৰ্য্যায়ত উপনিত হৈছে যে মন্ত্ৰী হিচাবে মোৰ কাৰণে ভালুকৰ শাস্তি যেন হৈছে। অফিচো নকৰে আৰু কোনো দায়িত্বও পালন নকৰে। জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়া দিয়াসৈ তেওঁলোকৰ মনত ভুল ধাৰণা সুমুৱাই দিছে। কাৰণ জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়া কেৱল ৫৮ জন বিডিওৰ ক্ষেত্ৰতে নহয় ৬৭ জন জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়া দিছো। তেওঁলোকে কাৰ্য্যভাৰ চম্ভাই দিয়াৰ ক্ষেত্ৰত ভুল ধাৰণা কৈছে। তেওঁলোকে জনা উচিত যে, ডি, আৰ, ডি, এ কামৰ ক্ষেত্ৰত বিডিও সকলৰ পোনপটীয়া ভাবে কোনো দায়িত্ব নাই

মাথোন চুপাৰভাইজেৰী পাৰাৰ আছে। জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়াক সম্পুৰ্ণ দায়িত্ব ভাৰ দিছো গতিকে তেওঁলোকক চাৰ্জ হেণ্ডওভাৰ কৰিবলৈ কোৱা হৈছে। এই ক্ষেত্ৰত প্ৰায় এবছৰ অসুবিধাৰ সন্মুখীন হব লগা হ'ল। সৌভাগ্য বশতঃ তেওঁলোকে উচ্চতম ন্যায়ালয়ত যি আবেদন জনাইছিল সেই আবেদন নাকচ কৰাৰ পাচত এতিয়া কাৰ্য্যভাৰ চমজাই দিছে। আশা ৰাখিছো ১৯৮৭-৮৮ চনত নিয়াৰি'কৈ কাম বিলাক কৰিব পাৰিম আৰু কোৱা হৈছে স্কুল বিলাকৰ কাম কাজৰ তদাৰক কৰাৰ ব্যৱস্থা নথকাৰ হেতুকে কিছুমান দুৰ্নীতি মূলক কাম হয়। এতিয়া আমাৰ চৰকাৰৰ দিনত যিখিনি কাম কাজ হৈছে চৰকাৰী পক্ষৰ সদস্যৰ বাহিৰেও বিৰোধী দলৰ সদস্যই কৈছে যে কাম কাজ যথেষ্ট খৰটকীয়া হৈছে। উন্নতমান বিশিষ্ট টিং পাত আদি পাইছে। ইতিমধ্যে বিভাগৰ ফালৰ পৰা প্ৰত্যেকখন স্কুলৰ কাম কাজ পৰ্য্যবেক্ষণ কৰিবৰ কাৰণে এখন ৫ জনীয়া কমিটি কৰি দিয়া হৈছে। এই কমিটিত স্কুলৰ প্ৰধানশিক্ষক, মেনেজিং কমিটিৰ সভাপতি আৰু তিনি জন বাইজৰ প্ৰতিনিধি থাকিব। শ্ৰীৰাজবংশীৰ সমষ্টিৰ এখন স্কুলৰ বেৰত ভোলোকা বাহৰ চেকনী সুমাই গৈছে। গ্ৰামউন্নয়নৰ শিতানত ১৪ দফীয়া আচনি লৈছো। সেই আচনি কাৰ্য্যকৰি কৰিবৰ কাৰণে জনসাধাৰনক জৰিত কৰিবৰ কাৰণে পঞ্চায়তৰ দৰ্কাৰ। কিন্তু সেইটো নথকাৰ কাৰণে তদাৰক কৰিব নোৱাৰে। মাননীয় সদস্য সকলে জানে যে, বিভাগীয় মন্ত্ৰী হিচাবে মই প্ৰতি জিলাৰ বিভিন্ন খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ বিষয়া কৰ্ম্মচাৰী, জিলা উন্নয়ন কৰ্ম্মচাৰীক লগ ধৰি আবেদন জনাইছো যাতে সততা আৰু নিষ্ঠাৰে সেৱা কৰে। এই পৰিপ্ৰেক্ষিতত দেখিছো বহুতো বিষয়া কৰ্ম্মচাৰীয়ে এটা নতুন উদ্যমেৰে কাম হাতত লৈছে। কেইবাজনো সদস্যই কৈছে যে টিং চিমেণ্ট লোহা জিলাত কিনিবলৈ দিব লাগে। জিলাত কিনিবলৈ দিয়া নীতিৰ মই বিৰোধীতা কৰিছো। কাৰণ শিৱসাগৰত মই নিজৰ সমষ্টিত মই দেখিছো যে আগৰ চৰকাৰৰ দিনত প্ৰজেক্ট ডিৰেক্টৰে ছয় শ টকাৰ নিম্নমান বিশিষ্ট টিন কিনি ১১শ ৩০ টকাকৈ আদায় কৰিছে। সেই কাৰণে টিনপাত, চিমেণ্ট আৰু লোহা কেন্দ্ৰীয়ভাৱে যোগান ধৰাৰ সিদ্ধান্ত কৰিছো। আমাৰ লোহাৰ ক্ষেত্ৰত অসুবিধা হোৱা নাই। টিনপাতৰ যোগানৰ অলপ অসুবিধা হোৱা হেতুকে কামত অলপ অসুবিধা হৈছিল। টিনপাতৰ কোম্পানীৰ লগত যোগাযোগ কৰিছো আৰু টিনপাত শিল্পত আন্দোলন চলাৰ কাৰণে অসুবিধা হৈছিল। এতিয়া গ্ৰামোন্নয়ন সঞ্চালকে জনাইছে যে ১৯৮৬-৮৭ চনৰ টিনপাতৰ কামখিনি সম্পুৰ্ণ কৰিব পাৰিম। ভূমি সংস্কাৰৰ টকাটো আমাৰ শিতানত থাকিলেও

প্ৰকৃততে ৰাজহ বিভাগে খৰচ কৰে। আমাৰ নতুনকৈ আচনি লোৱা হৈছে আৰু পৰ্য্যায়ক্ৰমে ব্লকত কাৰ্যকৰী কৰা হব। গ্ৰামোন্নয়ন বিভাগত হস্ত তাঁত বস্ত্ৰ শিল্প বিকাশ কেন্দ্ৰৰ আঁচনি লৈছো। প্ৰতিটো উন্নয়ন খণ্ডত পৰ্যায়ক্ৰমে দিয়া হব। এই বছৰত ৫০টা খণ্ড উন্নয়নৰ কাৰ্য্যালয় এই শিতানত ধৰিছো। খণ্ড উন্নয়নৰ কাৰ্য্যালয় বঢ়াব লাগে, এই কথাটো উপলব্ধি কৰিছো। এই সন্দৰ্ভত মাননীয় সদস্য সকলক জনাওঁ যে ব্লক পুনৰ গঠনৰ সম্পৰ্কত এখন স্মাৰক পত্ৰ কেবিনেটত যোগাৰ কৰি দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা অনু-মোদন আহিলে প্ৰত্যেক সমষ্টিত একোটাকৈ খণ্ড উন্নয়নৰ কাৰ্য্যালয় স্থাপনৰ ব্যৱস্থা লৈছো। মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মাই বছৰেকীয়া একচন প্লেনৰ কথা কৈছে। আই, আৰ, ডি, পি, এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পিত বছৰেকীয়া একচন প্লেনৰ ব্যৱস্থা কৰিছো ১৯৮৭-৮৮ চনত ইয়াক কাৰ্য্যকৰী কৰা হব। গ্ৰামোন্নয়নৰ আঁচনিবিলাক প্ৰকৃততে গাৱঁৰ দুখীয়া জনসাধাৰণৰ কাৰণে কাৰ্য্যকৰী কৰিবলৈ হলে সমন্বিত উন্নয়ন আঁচনিত সকলো সদস্য সমন্বিত এটা চিন্তা ধাৰা লৈ আগবাঢ়ি আহিলে কামবিলাকত যথেষ্ট সহায়ক হব আৰু আঁচনিবিলাক কাৰ্য্যকৰী কৰিব পাৰিম। মাননীয় সদস্য শ্ৰীহেমেন দাস আৰু শ্ৰীজয়নাথ শৰ্ম্মাই ইতিমধ্যে কৈ গৈছে নিজৰ নিজৰ সমষ্টিত কাম বিলাক নিয়াৰিকৈ হৈছে নে নাই আদি চাই যদি নাই হোৱা টিনপাত আদি বদলি কৰাৰ কথা কৈছে তেনে ধৰণে কৰিলে নিশ্চয় বাইজৰ প্ৰতিনিধিৰ কথাযাৰ কোনো চৰকাৰী বিষয়াই উলংঘা নকৰে। যদি তেনেকৈ কিবা উলংঘা কৰা কথাৰ প্ৰমাণিত হয় তেন্তে তৎকালীন ভাৱে ব্যৱস্থা লোৱাৰ আশ্বাস দিছো। অৱশ্যে মই একমত যে যেতিয়ালৈকে গ্ৰামা-ঞ্চলৰ উন্নতি সাধন কৰিব নোৱাৰো তেতিয়ালৈকে অসমৰ উন্নতিৰ কথা কল্পনা কৰিব নোৱাৰো। কিয়নো আমাৰ শতকৰা ৮০ ভাগ মানুহ গ্ৰামাঞ্চলত থাকে। এটা ভাল পৰামৰ্শ দিয়া হৈছে যে গ্ৰামোন্নয়নৰ বিভাগৰ যোগেদি কিছুমান কুটিৰ শিল্পৰ উন্নতি কৰাৰ আৱশ্যক হৈ পৰিছে। কাৰণ কৃষি হৈছে বছৰত এটা নিৰ্দিষ্ট সময়ত কৰা খেতি। অসমীয়া মানুহে মাত্ৰ এটা খেতি কৰি গোটেই বছৰ বহি আছে। কৃষিৰ পৰিপূৰক হিচাবে যদি অতীতৰ কিছুমান কুটিৰ শিল্প বৈজ্ঞানিক ভাৱে উন্নত কৰাৰ আচনি গ্ৰহণ কৰো তেন্তে কিছু পৰিমাণে নিবনুৱা সমস্যাৰ সমাধান হব আৰু গাওঁ অঞ্চলৰ আৰ্থিক সামাজিক দিশটো উন্নত হব। মই বিভাগীয় মন্ত্ৰী হিচাবে এটা কথা আন্তৰিকতাৰে কব পাৰো যে এই বিভাগটো অধিক কাৰ্য্যক্ষম কৰিবৰ কাৰণে যথেষ্ট খিনি ঘূৰা-পকা কৰিছো সকলোৰে পৰা সক্ৰিয় সহযোগ পালে মোৰ কষ্ট খিনি সফল হব। মাননীয়

সদস্য শান্তিৰঞ্জন দাস গুপ্তকে আদি কৰি কেইবাজনো সদস্যই কৈছিল যে গ্ৰামোন্নয়নৰ টকা কম হৈছে ইয়াত কৰ্ত্তন প্ৰস্তাব আছে ইনক্ৰিমেণ্টৰ প্ৰস্তাব নাই। যিহেতুকে গ্ৰামোন্নয়নৰ বিভাগত টকা কম হৈছে এই কৰ্ত্তন প্ৰস্তাবটো নিশ্চয় অনুগ্ৰহ কৰি উঠাই লব।

Mr. Speaker: Will you withdraw the cut motion?

Shri Silvius Condpan: In view of the Hon'ble Minister's assurance I do not press the cut motion.

Mr. Speaker: Is it the pleasure of the House to grant leave to withdraw the cut motion?

Leave granted. Cut motion withdrawn.

Shri Aminul Islam: Mr. Speaker Sir, I beg to withdraw the cut motion.

Shri Ramendra Kumar De: ...I do not press. With the have of the House, the Cut motion is withdrawn.

Mr. Speaker: I now put the motion. The motion is that on the recommendation of the Governor of Assam a sum of Rs. 38,52,70,000/- be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending 31st March, 1988 for the administration of Rural Development.

The motion is passed. The grant is passed.

মঞ্জুৰী নং ১৪

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী): অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৮ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত 'আৰক্ষী শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ১১৩,৭৭,৭৯,০০০ পৰিমানৰ টকা ভাৰপ্ৰাপ্ত মন্ত্ৰীক মজুৰ কৰা হওক।

Shri Altaf Hossain Mazumdar: Sir, I beg to move that the total provision of Rs. 113,77,78,000 under Grant No. 14 in respect of 'Police' at pages 1-59 of Volume II Part V of the Budget be reduced to Re. 1.00 i.e., the amount of the whole grant of Rs. 113,77,79,000 do stand reduced to Re. 1.00.

Shri Binai Khungur Basumatary : I beg to move, Sir, that the total provision of Rs. 113,77,79,000 under Grant No. 14 in respect of 'Poelice' at pages 1-59 of Volume II Part V of the Budget be reduced to Re. 1.00 i.e. the amount of the whose grant of Rs. 113,77,79,000 do stand reduced to Re. 1.00.

Shri A. F Golam Osmani ; Sir, I beg to move that the total provision of Rs. 113,77 79,000 under Grant No. 14 in respect of 'Police' at pages 1-59 of Volume II, Part V of the Budget be reduced by Rs. 100 i. e. the amount of the whole grant of Rs. 113,77,79,000 do stand reduced by Rs. 100.

Shri Aminul Islam : I beg, Sir, to move that the total provision of Rs. 113,77,79,000 under Grant No. 14 in respect of 'Police' at pages 1-59 of Volume II, Part V of of the Budget, be reduced by Rs. 100 i. e. the amount of the whole grant of Rs. 113,77,79,000 do stand reduced to Rs. 100/-.

Shri Ramendra Dey : I beg, Sir, to move that the total provision of Rs. 113,77,79,000 under Grant No. 14 in respect of 'Police' at pages 1-59 of Volume II, Part V of the Budget, be reduced by Rs. 100/- i.e. the amount of the whole grant of Rs. 113,77,79,000 do stand reduced to Rs. 100

( Hon'ble Members, Shri Amrit Lal Basumatary and Shri Abdul Jalil could not move their Cut Motion being absent )

Shri Altaf Hossain Mazumdar : Mr. Speaker, Sir. Cut Motions are salutory provisions of parliamentary democracy which give scope to the House to discuss about particular grant and in course of the discussion some suggestions could be placed before the House for consideration of the Minister concerned. Now, I will make some observations on certain points about grant and I hope that the

Home Minister will kindly take note of them because it is not that for the sake of criticism I making these observations. But I am putting some suggestions on the floor of the house keeping in view the interest of all concerned in the State. Sir, during the debate on the Governor's Address some discussion took place about this Department. So, I am not repeating them. But I am first drawing some conclusion from the discussion that a feeling has come up in the minds of the people of the State that unfortunately Police is being used in a particular fashion that is in a partisan manner and rightly or wrongly the Police is given an impression that it is to serve a particular section of the people of the State. Sir, Police is very powerful instrnment in the hands of the Government. It can enhance the prestige of the Government if they are used appropriately in a right manner. In democracy law and order is the utmost important factor. It is not that I am criticising personally the man who is at the them of the Police administration i.e. the Minister in-charge of Hom Department. He has successfully led the long agitation and is quite capable of of holding the charge of the Police Administration. Let him act in such a manner so that the morale of the Police goes up and let him ask the Police that they are meant for maintaining law and order in the State and to catch hold of law breakers irrespective of caste, creed and religion and of any political party. So, my request to the honble'. Home minister is that he should gear up the Police Deptt. suitably so that they may work without any fear or favour. They should be made to work with all earnestness lest they do not feel helpless. Next Sir, about investigation of the cases. For the sake of prompt and effective investigation there was a thinking at certain times that Investigation should be separated from the law and order duty. That aspect should be considered by this Government. For the want of proper investigation cases

are being piled up year after year resulting in that even the witnesses have forgotten what they have said earlier and what they are to say now. About the political murders, Sir, the Home Minister in reply to a question has admitted that there are certain forces at play in the State. I say this Government have the bounden duty rather moral and legal obligation to bring the offenders to book. But unfortunately as admitted in some very important cases the Police have not able to bring to book the culprits. There may be some genuine difficulties about the investigation of those cases. But why not we refer the cases to CBI. In any way it will not hamper the prestige of the Government. If the culprits are apprehended it will rather do good to the image of the Government as has been done in case of a DG whose case I understand has been handed over to CBI for a thorough enquiry. Therefore, I say Sir, why not we refer certain murder cases like Kalipada Sen and others to CBI. After all it enhances the prestige of the Government. And, let the people also think that this Govrenment have the earnest desire to see that the culprits are apprehended. This will also help in restoring the confidence in the minds of the people that the Government really want to bring this culprits to book. I am saying it for the interest of the Government. That will put the image of Government at higher level. That will enhance the prestige of the Government and the image of the Home Minister himself. We have seen so many murders, political murders in the State and even in the heart of this city. But nobody has been apprehended yet. It does not speak well of the Government.

One vital point I am raising. It is for the first time a regional party has come to power in this State. They have come in a democratic process. They have secured 34% or so votes of the people. Once in the saddle of the Government why you are not thinking that you are a Government for all the communities of the

State Unfortunately, let it be put on record, we have seen in the matter of appoinment in the Home Ministry there is full of injustice, blatant injustice meted out to the people belonging to the religious minority. Nine hundred constables have been appointed recently, but I am told not even one percent Muslim boys have been appointed. So also injustice has been done to injustic minority Tea labour. The percentage of muslim in the state is about 24% and odd. They have gone unrepresented. when this question was raised the Home Minister said the information is being collected. There cannot be any difficulty. The list is there in the DGP's office. So severe injustice has been shown to this section of the people. The hon'ble Chief Minister is a party to the decisions taken in the Chief Ministers conference the other day where it was impressed upon all the Chief Ministers to give proper representation and justice to the minorities in the Police service. The Chief Minister repeatedly said that the Government is for all and it is not for a particular community. Even in the interview with "Sunday" the Chief Minister advocated this. So if you are sincere about your utterences then prove it in your appointments. If you are going to deprive these people then tell it Openly. Why this sort of thing: saying something and doing another thing ? It is not that I am criticising. I am suggesting to Government. We are in a democratic process. By all this you are alienating all sections of the people. You are alienating the tribals, you are alienating muslims and you are alienating everybody. What will be your position ? Look at the figure of the population of the State I reguest you, it is not my criticism. Try to do justice to all sections of the people. I am talking for tea garden boys also. A tea garden boy or a muslim boy are not capable of becoming a constable ? You said something and you have done the other way. You announced to treat everybody equally but in practice you are not doing so. You should keep your selves within

your proclamation. If you do it there will be some improvement. Let the Home Minister think in all-India context; let his image be there as a leader of all communities, and not of one community or section.

I want to say something about traffic side of our police. It is very weak. As you know, vehcicles have gone up tremendiously putting pressure on the traffic side of the police. It is necessary that certain police points are to be there in addition to existing ones. Let the Governmnt consider about increasing the traffic police by re-organising the Traffic Wing.

As I have said earlier, there should be a separate investigation wing. Unless these people are trained how to write the investigation diaries for trying the cases in the Criminal courts it cannot be done properly. This needs training and experience. You just check up for how long the cases are pending for investigation.

As I have said. I will appeal to the Home Minister to look to the future beyond narrow horizon. You are now in the administration; Now you are in a responsible position. Agitation was something else. Today you are in the helm of affairs. People are looking at you for good administration. Whoever may be there it does not matter. That you are people with some idealism that must reflect by your action particularly in relation to the weaker section of the people. You are fresh from the door of the University; your success will depend on how you move. There is still time for this. Forget your agitation. There might be some mistakes by some Government. Forget it for the sake of a integrated, strong powerful and prosperous Assam.

With this sir I conclude.

Shri Binai Khungur Basumatari : Mr. Speaker, Sir, this year we have seen a dangerous increase of about 10% in the

police budget. Because last year we had provided about 101 crores and this year we are going to provide more than 113 crores. So there is an increase of atleast 10% in the total outlay. If you go through the pages of this budget. I have some doubdt and I want to ask the Home Minister how these heads have come. I want to refer to 'secret service'. As far as my knowledge goes secret service provision is made by sovereign governments. When I had gone through the pages of budget I find in the pages — 3, 5, 6, 13 & 17 and 20 there is allocation for 'secret service'. I do not know how this 'secret service' is being used. Sir, this is very necessary for us as legislators to know how this secret service fund is being used. Sir, you are perhaps aware that in America there is a furore as the President Reagan diverted some money without any authority. And a situation is being created there that he might be impeached in future. So if you allow this secret service without supervision there is positive danger to our liberty as Parliamentary Democratic country ...... I have .......

Mr. Speaker : Time is over. you will continue to-morrow ..........in Assamese........ ... ...

মাননীয় অধ্যক্ষ : আজি সদন কালিলৈ ১৮/৩/৮৭ তাৰিখৰ ৯ বজালৈ স্থগিত ৰখা হ'ল।

## Adjournment

The House stood adjourned at 1-30 P.M. till 9 A. M. tomorrow, wednesday the 18th March 1987.

Dispur
The 17th March 1987

Dr. P. N. Hazarika, Secretary
Assam Legislative Assembly.

অনুবন্ধ—১

## সদনৰ মেজত দাখিল কৰিবলগীয়া তালিকা নং—১

### প্ৰশ্ন নং—১৮৬

সমষ্টি অনুযায়ী ১৯৮৬-৮৭ চনৰ পানী যোগান আচনিৰ তালিকা।

| ক্ৰমিক নং | বিধান সভা সমষ্টিৰ নাম | পানী যোগান আচনিৰ সংখ্যা |
|---|---|---|
| ১ | ২ | ৩ |
| ১ | বটদ্ৰৱা | ১৪ |
| ২ | নগাওঁ সদৰ | ১৩ |
| ৩ | ধিং | ৩ |
| ৪ | ৰূপহীহাট | ৫ |
| ৫ | ৰহা | ৫ |
| ৬ | চামগুৰি | ৪ |
| ৭ | লামডিং | ৫ |
| ৮ | হোজাই | ১০ |
| ৯ | যমুনামুখ | ৭ |
| ১০ | বৰহমপুৰ | ৮ |
| ১১ | কলিয়াবৰ | ১০ |
| ১২ | জাগীৰোড | ১ |
| ১৩ | মৰিগাওঁ | ৫ |
| ১৪ | সোনাৰী | ৭ |
| ১৫ | আমগুৰি | ১ |
| ১৬ | নাজিৰা | ৫ |
| ১৭ | মহমৰা | ৬ |
| ১৮ | থাওৰা | ১০ |
| ১৯ | শিৱসাগৰ | ১২ |
| ২০ | যোৰহাট | ৭ |
| ২১ | টিয়ক | ৭ |
| ২২ | তিতাবৰ | ৩ |
| ২৩ | ডেৰগাওঁ | ১২ |
| ২৪ | মাজুলী | ৬ |

| ১ | ২ | ৩ |
|---|---|---|
| ২৫ | বোকাখাট | ২ |
| ২৬ | খুমটাই | ৪ |
| ২৭ | সৰুপথাৰ | ৫ |
| ২৮ | গোলাঘাট | ৭ |
| ২৯ | মৰিয়নী | ৩ |
| ৩০ | ডিব্রুগড় | ২ |
| ৩১ | চাবুৱা | ৫ |
| ৩২ | শদিয়া | ৪ |
| ৩৩ | মাৰ্ঘেৰিটা | ২ |
| ৩৪ | কিংখং | ৮ |
| ৩৫ | নাহৰকটীয়া | ৭ |
| ৩৬ | ডুলীয়াজান | ১ |
| ৩৭ | মৰাণ | ৯ |
| ৩৮ | ডুমডুমা | নাই |
| ৩৯ | ডিগবই | ১ |
| ৪০ | লাহোৱাল | ১ |
| ৪১ | পূব গুৱাহাটী | নাই |
| ৪২ | পশ্চিম গুৱাহাটী | ৪ |
| ৪৩ | দিশপুৰ | ৯ |
| ৪৪ | জালুকবাৰী | ৪ |
| ৪৫ | বকো | ১ |
| ৪৬ | ছয়গাওঁ | ৬ |
| ৪৭ | পলাশবাৰী | ২ |
| ৪৮ | হাজো | ৩ |
| ৪৯ | কমলপুৰ | ৬ |
| ৫০ | ৰঙিয়া | ৮ |
| ৫১ | তিনিচুকীয়া | নাই |
| ৫২ | কলাইগাওঁ | ৬ |
| ৫৩ | ওদালগুৰি | ০ |

| ১ | ২ | ৩ |
|---|---|---|
| ৫৪ | মঙ্গলদৈ | ৫ |
| ৫৫ | ছিপাঝাৰ | ১৪ |
| ৫৬ | পানেৰী | ১২ |
| ৫৭ | মাজবাট | ৫ |
| ৫৮ | দলগাওঁ | ৫ |
| ৫৯ | বিশ্বনাথ চাৰিআলি | ২ |
| ৬০ | বিহালী | ৫ |
| ৬১ | তেজপুৰ | ৬ |
| ৬২ | চতিয়া | ৫ |
| ৬৩ | ঢেকিয়াজুলী | ৪ |
| ৬৪ | বৰছলা | ৩ |
| ৬৫ | ৰঙাপাৰা | ৩ |
| ৬৬ | গহপুৰ | ৩ |
| ৬৭ | লক্ষীমপুৰ | ১১ |
| ৬৮ | ঢকুৱাখানা | ৫ |
| ৬৯ | নাওঁবৈছা | ৫ |
| ৭০ | বিহপুৰীয়া | ২ |
| ৭১ | ধেমাজী | ২ |
| ৭২ | তামুলপুৰ | ৪ |
| ৭৩ | নলবাৰী | ৬ |
| ৭৪ | বৰক্ষেত্ৰী | ৬ |
| ৭৫ | ধৰমপুৰ | ৪ |
| ৭৬ | বৰমা | ৮ |
| ৭৭ | ছাপাগুৰি | ৬ |
| ৭৮ | বৰপেটা | ৫ |
| ৭৯ | সৰুক্ষেত্ৰী | ২ |
| ৮০ | ভৱানীপুৰ | ২ |
| ৮১ | সৰভোগ | ৪ |
| ৮২ | মানকাছাৰ | ১ |
| ৮৩ | দঃ শালমাৰা | ৬ |

| ১ | ২ | ৩ |
|---|---|---|
| ৮৪ | গোলোকগঞ্জ | ৬ |
| ৮৫ | পঃ বিলাসীপাৰা | ২ |
| ৮৬ | পূঃ বিলাসীপাৰা | ৩ |
| ৮৭ | পূঃ গোৱালপাৰা | নাই |
| ৮৮ | পঃ গোৱালপাৰা | ৫ |
| ৮৯ | ডুধনৈ | ৩ |
| ৯০ | উঃ অভয়াপুৰী | নাই |
| ৯১ | দঃ অভয়াপুৰী | ৪ |
| ৯২ | গোসাইগাওঁ | ১৬ |
| ৯৩ | পূঃ কোকৰাঝাৰ | ৪ |
| ৯৪ | পঃ কোকৰাঝাৰ | |
| ৯৫ | ছিদলী | ১১ |
| ৯৬ | বিজনী | ৫ |
| ৯৭ | পাঠাৰকান্দি | ১ |
| ৯৮ | উঃ কৰিমগঞ্জ | ৫ |
| ৯৯ | দঃ কৰিমগঞ্জ | ৭ |
| ১০০ | বদৰপুৰ | ৪ |
| ১০১ | হাইলাকান্দি | ২ |
| ১০২ | কাটলিচেৰা | ৬ |
| ১০৩ | আলগাপুৰ | ৩ |
| ১০৪ | সোনাই | ৫ |
| ১০৫ | ধলাই | ২ |
| ১০৬ | ওদাৰকদ | ১ |
| ১০৭ | ৰবখুলী | ৪ |
| ১০৮ | কালীগৰা | ৬ |
| ১০৯ | শিলচৰ | ৪ |
| | মুঠ : | ৫৫২ |

যিহেতুকে অসমৰ পাৰ্বত্য জিলা ডুখনৰ গ্ৰাম্য পানী যোগান আচনিসমূহ জিলা পৰিষদে অনুমোদন কৰে আৰু কাৰ্য্যকৰী কৰে সেই হেতুকে পাৰ্বত্য জিলা ডুখনৰ বিশেষ বিবৰণ দিব পৰা নগ'ল।